BANI-RUPAYAN
BOOK-SELLERS
P.O. REHABARI, NEWMARKET
DIBRUGARH (ASSAM)

জোনাকী পুথি-ঠগা (৮)

# অঙ্কীয়া নাটৰ সাধু

Acc. No
6616
... No. A852
Date 2-11-57
DIBRUGARH COLLEGE

—ঃ ৰচোঁতা ঃ—
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
—এম-এ, বি-এল, বি-টি
অধ্যাপক, কটন কলেজ
লতাশিল
গুৱাহাটী

প্ৰথম তাঙৰণ
১৯৫০ চন, জুলাই

চ প লা বু ক ষ্ট ল
অসমৰ বৃহত্তম পুস্তক প্ৰকাশ আৰু প্ৰচাৰ প্ৰতিষ্ঠান
শ্বিলং

প্ৰকাশক
শ্ৰীজিতেন্দ্ৰজিৎ মেধি
লতাশিল
গুৱাহাটী

মূল্য— ডেৰ টকা

ছপা কৰোতা
শ্ৰীসোণাৰাম বেজ
নিউ প্ৰেছ
গুৱাহাটী

## —ঃ অৰ্পণ ঃ—

লব্ধপ্ৰতিষ্ঠ সাহিত্যিক শ্ৰীযুত কালিৰাম মেধি ডাঙৰীয়াই আমাৰ প্ৰাচীন সাহিত্যৰ যিখন নন্দনবনত সোমাই **'অঙ্কাৱলী'** সঙ্কলন কৰি অসম-জননীৰ সাহিত্য ভড়াললৈ যাউতি-যুগীয়া অৱদান আগবঢ়াইছে ; আমি সেই একেখন ফুলনিৰ পৰা এই কেইপাহ তলসৰা ফুল বুটলি আনি শ্ৰদ্ধাৰ চানেকিস্বৰূপে মেধি ডাঙৰী-য়াৰ হাততে তুলি দিলোঁ।

—**গ্ৰন্থকাৰ**

# আগ-কথা

ডক্টৰ শ্ৰীযুত বিৰিঞ্চিকুমাৰ বৰুৱা
—এম-এ, বি-এল, পি-এইচ-ডি (লণ্ডন)

মৰমৰ অকণিহত ! 'অসমীয়া নাটৰ সাধু' পঢ়ি ৰস পাবলৈ হলে তোমালোকে অলপ কথা আগতীয়াকৈ জানি লব লাগে। তাকে মই তোমালোকৰ আগত চমুকৈ কওঁ শুনাহক :—

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মক কেন্দ্ৰ কৰি গঢ়ি উঠা অসমীয়া জাতীয় অনুষ্ঠানৰ ভিতৰত নামঘৰেই প্ৰধান। নামঘৰেই আজিলৈকে অসমীয়া গাঁৱলীয়া জীৱনক এডাল সূতাৰে গাঁথি থৈছে। অসমীয়া সামাজিক আৰু সাংস্কৃতিক জীৱনৰ নামঘৰৰ প্ৰভূত প্ৰভাৱ আৰু অসীম প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। নাম-প্ৰসঙ্গ, ধৰ্ম্ম-আলোচনা উৎসৱ-পাৰ্ব্বন অনুষ্ঠিত হোৱাৰ বাহিৰেও নামঘৰেই হৈছে অসমীয়াৰ জাতীয় ৰঙ্গমঞ্চ অৰ্থাৎ থিয়েটৰ। গাঁৱে গাঁৱে নামঘৰ স্থাপিত হোৱাৰ হেতু সকলো শ্ৰেণীৰ অসমীয়াৰ মাজত নৃত্য, গীত, বাদ্য, ভাওনা আদি সুকুমাৰ কলা চৰ্চ্চা বাঢ়িছে। সাধাৰণ গাঁৱলীয়া প্ৰজাৱো উচ্চ অঙ্গৰ আমোদ-আনন্দত জিৰণিৰ সময় কটাবলৈ সুযোগ লভিছে।

নামঘৰ ৰঙ্গমঞ্চৰ কাৰণে ব্যৱহৃত হোৱাত অসমীয়া নাট-সাহিত্যৰ সৃষ্টিও সম্ভৱপৰ হৈছিল। কাব্য ৰচনা কৰিৰ

আপোন মনৰ সৃষ্টি। নাটকত কিন্তু সেই কথা নাখাটে। নাটক সাধাৰণতে ভাওনা-ঘৰত অভিনয় কৰিবলৈহে ৰচনা কৰা হয়। গতিকে ভাওনা-ঘৰ বৃদ্ধি হোৱাৰ লগে লগে নাটক ৰচনাও বাঢ়ে। সাহিত্যক্ষেত্রত বৈষ্ণৱ যুগৰ অতুলনীয় কীৰ্ত্তি হৈছে নাটক ৰচনা। এই যুগৰ নাট্যকাৰ সকলৰ ভিতৰত সৰ্ব্বপ্ৰধান হৈছে মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱ—এই তিনি ৰত্ন।

অসমীয়া বৈষ্ণৱ কবিৰ ৰচিত এই নাটকসমূহক অঙ্ক বা অঙ্কীয়া নাট বোলা হয়। অঙ্কীয়া নাট সাধাৰণতে পুৰাণ অথবা মহাকাব্যৰ সৰু সৰু ঘটনা একোটি লৈ লিখা হৈছিল। ইয়াৰ পৰিসৰ ক্ষুদ্ৰ। সেই কাৰণেই এই নাটক এক অঙ্কত শেষ হৈছিল আৰু তাতেই অঙ্কীয়া বা অঙ্ক আখ্যা পাইছে। ভাৰতীয় ভাষাত এনে শ্ৰেণীৰ নাটক বিৰল। অঙ্কীয়া নাট ভাৰতীয় সাহিত্যতে মনোগ্ৰাহী দান। কেৱল সময়ৰ ফালৰ পৰাই অঙ্কীয়া নাট অন্য প্ৰাদেশিক ভাষাৰ নাটকৰ অগ্ৰণী নহব; নাটকীয় পদ্ধতি আৰু ৰচনা-কৌশলতো ই একক আৰু অতুলনীয়। অসমীয়াই যথাৰ্থতে গৌৰৱ কৰিবলগীয়া কথা—একালত অঙ্কীয়া নাট অন্যকি নেপাল ৰজাৰ ৰাজদৰবাৰতো অভিনীত হৈছিল।

গীত, ভটিমা, শ্লোক, বচনৰ মধুৰ সংমিশ্ৰনত অঙ্কীয়া নাটে গীতিনাট্য বা অপেৰাৰ ৰূপ লৈছে। নৃত্য-গীত প্ৰধান হোৱাত অঙ্কীয়া নাটৰ ভাওনা নামঘৰত অথবা ‘ষ্টেজ’ নোহোৱা

মুকলি ৰভাথলিত কৰিবলৈ সহজ। কম পৰিসৰৰ ভিতৰত সমাপ্ত হবলগা হোৱাত নাটকৰ ভিতৰুৱা ভালেমান ঘটনা চৰিত্ৰৰ কাৰ্য্যৰ মাজেদি ফুটাই তোলা সম্ভৱপৰ নহয়। সেই কাৰণে অঙ্কীয়া নাটত আজি কালিৰ অনাতাঁৰ নাটকৰ কমেণ্টেটৰৰ (ব্যাখ্যাকৰোতা) দৰে একোজন সূত্ৰধাৰ থাকে। সূত্ৰধাৰে নাটকৰ কাহিনীৰ চমু আভাস দিয়ে; পাত্ৰ-পাত্ৰীৰ পৰিচয় ঘটায়; নাটকৰ, ঘাইকৈ অভিনীত নোহোৱা অংশ কথা, গীত-বচন আৰু নাচেৰে দৰ্শকক বুজাবলৈ চেষ্টা কৰে। 'কালিয়-দমন' নাটত শ্ৰীকৃষ্ণ কালী সৰ্পৰ বিষাক্ত দংশনত জৰ্জৰিত হৈ ঢলি পৰাত গোকুলত নানা বিমঙ্গলে দেখা দিলে। যেনে—"ঘন ঘন ভূমিকম্প যাই, নিৰ্ঘাত পৰে, ঘৰে ঘৰে ফেকুৱা আৰাৱ কৰে, অনাৰৱে বৃক্ষসব উভটি পৰে, স্ত্ৰীৰ দখিন, পুৰুষৰ বাম ফন্দে। তাহে পেখি সবলোক মহাভীতি ভেল। যশোদাক হৃদয় কম্পে। হা হা প্ৰাণপুত্ৰ গোপালক মৰণ মিলল বুলি হৃদয়ে মুষ্টি হানিকহো শ্ৰীকৃষ্ণক দেখিতে গোপ গোপী সহিতে নন্দ যশোদা বৃন্দাবনে প্ৰবেশি যৈচে চলল, তাহে দেখহ শুনহ।" সেই দিনত ভাওনা ঘৰত এই ঘটনাসমূহ দৰ্শোৱা সম্ভৱ নোহোৱাত সূত্ৰধাৰে কথাৰে বা গীতেৰে তাৰ বৰ্ণনা দিছিল।

ওপৰত সূত্ৰধাৰৰ মুখৰ যি বচন তুলি দিয়া হৈছে তাৰ ভাষাও লক্ষ্য কৰিবলগীয়া। অঙ্কীয়া নাটৰ পাত্ৰ-পাত্ৰীৰ মুখৰ এনে ধৰণৰ যি ভাষা দিয়া হৈছে তাক ব্ৰজবুলি বোলা

হয়। বৰগীতবোৰো এই ভাষাৰে ৰচনা কৰা হৈছিল। এই ভাষা অসমীয়া আৰু মৈথিলী ভাষাৰ সংমিশ্ৰনত গঢ়ি উঠিছিল। দৰাচলতে ই বৈষ্ণৱ সম্প্ৰাদায়ৰ ভাষা আছিল। ভাৰতৰ বিভিন্ন প্ৰদেশৰ বৈষ্ণৱে ইজনে সিজনৰ কথা বুজিব পাৰিব বুলিয়েই এই কৃত্ৰিম সাৰ্ব্বজনীন ভাষাৰ সৃষ্টি হৈছিল। মহাত্মা গান্ধীয়ে বিভিন্ন প্ৰাদেশিক ভাষাৰ সংমিশ্ৰনত হিন্দুস্থানী ভাষা সৰ্ব্ব ভাৰতৰ ৰাষ্ট্ৰভাষা কৰিবলৈ যি দৰে চেষ্টা কৰিছিল, মধ্যধুগৰ বৈষ্ণৱ সাধকসকলেও সেইদৰে ব্ৰজবুলি সৃষ্টি কৰি এক সৰ্ব্বভাৰতীয় ভাষা প্ৰচলনৰ আন্দোলন চলাইছিল। এই ভাষাত সাহিত্য সৃষ্টি কৰি তেওঁলোকে ভালেখিনি কৃতকাৰ্য্যতাও লভিছিল। ব্ৰজবুলি ভাষাত অসমৰ সন্ত-মহন্তসকলে আজিও নাটক আদি ৰচি পুৰণি সাহিত্য ৰক্ষা কৰি আছে। অকণিহঁত! তোমালোকে অলপ ডাঙৰ হলে মহাপুৰুষসকলে ৰচা মূল পুথি পঢ়ি এই সুললিত ভাষাৰ সোৱাদ লব পাৰিবাহঁক।

অঙ্কীয়া নাট আৰু তাৰ ভাওনা পুৰণি কালত জনশিক্ষা প্ৰচলনত বিশেষ সহায়ক আছিল। পূৰ্ব্বে আমাৰ দেশৰ সৰহ ভাগ মানুহে লেখিব-পঢ়িব নেজানিছিল। আজিকালি মেজিক লেণ্টাৰ্ণ, এপিজয়েস্কোপ ছিনেমাৰ সহায়ত শিক্ষাবিস্তাৰৰ নতুন আন্দোলন হৈছে। মধ্যযুগত অঙ্কীয়া নাটৰ ভাওনায়ো ৰামায়ণ, মহাভাৰত, পুৰাণৰ অলেখ কথা কাহিনী জনসাধাৰণৰ মাজত সৰবৰহী কৰিছিল। ভাওনা কৰি

দেখুৱাৰ হেতু এই কাহিনীসমূহে মানুহৰ অন্তৰত চিৰদিনীয়া স্থিতি লৈছিল। সৰ্ব্বভাৰতীয় সংস্কৃতি, সাহিত্য আৰু সাধনাৰ লগত সাধাৰণ অসমীয়াৰ পৰিচয় অঙ্কীয়া নাটৰ ভাওনাৰ যোগেই ঘটিছিল। অঙ্কীয়া নাটৰ প্ৰয়োজনীয়তা আৰু জনপ্ৰিয়তা উভয়ে সমান। সুদূৰ পোন্ধৰ শতিকাৰ পৰা আৰম্ভ কৰি আজিৰ কুৰি শতিকালৈকে অবিচ্ছিন্নভাৱে অঙ্কীয়া নাট অসমীয়াৰ শ্ৰদ্ধাৰ সামগ্ৰী হৈ আছে। জনতাৰ হৃদয় সমাধিক আকৃষ্ট কৰিব পৰা শক্তি থকাৰ হেতু অঙ্কীয়া নাট আজিও নামঘৰত 'স্বে মহিম্নি' স্বৰূপে প্ৰতিষ্ঠিত হৈ আছে।

অঙ্কীয়া নাট আমাৰ কেৱল জাতীয় সাহিত্যিক সম্পদেই নহয়; অসমীয়া নৃত্য-গীত কলাৰ আৰু প্ৰাচীন সমাজ শিক্ষা-ব্যৱস্থাৰ চৰম নিদৰ্শন। শ্ৰীযুত হাজৰিকাদেৱে এই নাটৰ অপূৰ্ব্ব কাহিনীসমূহ সহজ ভাষাত আমাৰ সোণৰ অসমৰ লৰা ছোৱালী তোমালোকৰ মাজত প্ৰচাৰ কৰিবলৈ দিহা কৰি দেশৰ মহৎ উপকাৰ সাধিবলৈ আগবাঢ়িছে। স্বাধীনতা লাভ কৰাৰ পিছত আমাৰ মাজলৈ আত্মচেতনা ঘূৰি আহিছে। দেশৰ সাহিত্য আৰু সংস্কৃতিক সন্মান কৰায়ে প্ৰকৃত দেশপূজা। শ্ৰীযুত হাজৰিকাদেৱে "অঙ্কীয়া নাটৰ মাধুৰ" যোগেদি দেশৰ উঠিঅহা লৰা-ছোৱালী তোমালোকৰ অন্তৰত জাতীয় প্ৰাচীন-সম্ভাৰৰ প্ৰতি শ্ৰদ্ধা আকৰ্ষণ কৰিবলৈ যি চেষ্টা কৰিছে—সি প্ৰকৃত দেশপ্ৰেমিকৰ কাম।

—•—

# সূচী

মহাপুৰুষ মাধৱদেৱৰ :—

১। দধি-মথন ... ... ১
২। ভূমি-লেটোৱা ... ... ১১
৩। ভোজন-বিহাৰ ... ... ১৫
৪। ভূষণ-হেৰোৱা ... ... ২০
৫। কোটোৰা-খেলা ... ... ২৫
৬। পিপৰা-গুচোৱা ... ... ২৯
৭। চোৰ-ধৰা ... ... ৩৬

মহাপুৰুষ শঙ্কৰদেৱৰ :—

৮। কালিয়-দমন ... ... ৪৩
৯। পত্নী-প্ৰসাদ ... ... ৫৮
১০। ৰুক্মিণী-হৰণ ... ... ৬৬
১১। পাৰিজাত-হৰণ ... ... ৮৮
১২। ৰাম-বিজয় ... ... ১০৪

Acc. No. 6616
HANUMAN BUX KANOI
No. A852
Date 2-11-57
DIBRUGARH COLLEGE

# অঙ্কীয়া নাটৰ সাধু

## দধি-মথন

***দধি-মথন*** ঃ—গোকুলৰ গোপবিলাকৰ ৰজা নন্দ। এই নন্দৰাজৰ অন্তেসপুৰত এদিন নন্দৰাণী যশোদাই দধিমথন কৰি আছিল। আগে-পিছে এই কাম গোপীবিলাকে কৰিছিল। এলাবাহু গোপীকেইজনীয়ে বেছি লৱনু উলিয়াব নোৱাৰে বুলি আৰু সিহঁতে ভালেখিনি গাখীৰ আধানাৰ্জি কৰে বুলি ভাবি চিকুটী নন্দ-ৰাণীয়ে আজি নিজেই সেই কাম হাতত ললে। দধি মথি থাকোতে তেওঁক বৰ ধুনীয়া দেখা গৈছিল। দিব্য বস্ত্ৰ-অলঙ্কাৰেৰে সুশোভিতা হৈ খোপাত মালতী ফুলৰ চাকি পিন্ধি, স্তন-যুগলত নতুন কুঙ্কুম ঘঁহি, চকু দুটাত কাজল সানি, কৰ্পূৰ-তামোলেৰে ওঠ দুটি বোলাই লৈ অপূৰ্ব্ব সাজপাৰ আৰু লাহবিলাহ কৰি উঠিহে তেওঁ এই কামত হাত দিছিল।

আঁতৰৰ পৰা মাকক এনে ভাবে দধি মথন কৰা দেখা পাই অন্তৰ্য্যামী ভগৱান চতুৰ শ্ৰীকৃষ্ণই মনে মনে ভাবিলে—“মই জগতৰ ঈশ্বৰ লক্ষ্মীপতি নাৰায়ণ। মোক পোৱাটো সহজ কথা নহয়। কিন্তু এনে দুৰ্ল্লভ মোক হাতে হাতে

লাভ কৰিও এওঁৰ তেপাহ পলোৱা নাই। নাটেহে নাটে। সেয়েহে মানুহে কথাতে কয় বোলে ৰজাক নাটে আৰু বজাক নাটে। মোৰ ভকতনী গোপীবিলাকক ককর্থনা কৰি কাঠবাজীয়ে নিজে বৰ কাজী দেখুৱাবলৈ গৈছে। মজা-পালি দিওঁ ৰবা।” এনেদৰে মনতে পাঙি তেওঁ একেলৰে যশোদাৰ কাষ চাপি মথনি-মাৰিডালতে থাপ মাৰি ধৰি ললেগৈ। যশোদাই এৰি নিদিয়ে, কৃষ্ণও নেৰোপানী। কৃষ্ণই কলে— “আই! দিয়া যদি ছুচোহামান পিয়াহ খাই লবলৈ দিয়া। তাকে পালেই মই খেলিবলৈ যাম, নহলে তোমাক আজি নেৰো।”

‘দধি মথিবকে নোৱাৰে যশোদা
কৃষ্ণই আহুকাল কৰে।
আগবাঢ়ি বাঢ়ি পাছ হুয়া খুজি
মথনি-মাৰিতে ধৰে ॥
যশোদা সুন্দৰী দধি মথিছিলে
কৃষ্ণই বুলিলে ভোক।
আৰু এখন্তেক ৰবা যাহু মোৰ
দধি মথন হোক ॥
যশোদা সুন্দৰী দধি মথিছিলে
কৃষ্ণই আছিলে চাই।
ভোক ভোক বুলি লৰনু খুজিছে
দুগুটি দন্ত বোলাই ॥’

আকোৰগজালি শ্ৰীকৃষ্ণক এৰাব নোৱাৰি অৱশেষত যশোদা দেৱীয়ে দুইগালত দুটা চুমা খাই পুতেকক কোলাত তুলি ললে। শ্ৰীকৃষ্ণয়ো মনৰ আনন্দেৰে মাকে কুঙ্কুমেৰে ৰঞ্জি থোৱা পিয়াহত হোপা দিলে।

অলপ সময়ৰ পিছতে গোপীবিলাকে যশোদাক মাতিলে। থালিত উতলাবলৈ ধৰা ক্ষীৰবোৰ মাটিত পৰে এতিয়া। যশোদাই যাব খুজিলে। কৃষ্ণই কিন্তু পিয়াহৰ পৰা মুখ নেৰে। যশোদাৰ বৰ খং উঠিল। তেওঁ কৃষ্ণক কোলাৰ পৰা মাটিত থেকেচা মাৰি নমাই থৈ ক্ষীৰৰ চৰুৰ ওচৰলৈ লৰ দিলে। কৃষ্ণই ভাবিলে—“মই কোটি কোটি ব্ৰহ্মাণ্ডৰ নায়ক। ব্ৰহ্মা আদি দেৱতাসকলৰো মই পৰম দেৱতা। মহা মহা যজ্ঞ কৰিও মানুহে মোক সন্তোষ লগাব নোৱাৰে। কিন্তু ভকতসকলে মোক নিজ গুণেৰে তেওঁলোকৰ বশ কৰে। মোক আজি এই নিদাৰুণী গুৱালনীজনীয়ে সামান্য শিশু বুলি ভাবি লৈ মাটিত থেকেচা মাৰি থৈ গল। এওঁৰ মনত মোককৈও ক্ষীৰখিনিহে ডাঙৰ হল। ক্ষীৰখিনি নষ্ট হয় বুলি তেওঁৰ গাটো বেজবেজাই গল। বাৰু, মইনো কি কৰিব পাৰোঁ চাই লওক।”

***বিভ্ৰাট ঃ***—যশোদাই ক্ষীৰৰ চৰু নমাই থৈ দেখেহি যে মহাবিভ্ৰাট। শ্ৰীকৃষ্ণই দধিভাণ্ড, দধিৰ মথনি-মাৰি গোটেইবোৰ ভাঙি-ছিঙি লণ্ডভণ্ড কৰি কেনিবা পলাইছে।

এনেকুৱা কুলক্ষণীয়া কাণ্ড দেখি যশোদাৰ খঙে চুলিৰ আগ পালেগৈ। তেওঁ ঘৰে-বাহিৰে শ্ৰীকৃষ্ণক পাত পাত কৰি বিচাৰিবলৈ ধৰিলে। বিচাৰোতে বিচাৰোতে বাৰীৰ পাছফালে তেওঁ শ্ৰীকৃষ্ণক উৱল এটাত বহি লৱনু-মাখন খাই থকা দেখা পালে। এহাতেৰে নিজে খাইছে, আন হাতেৰে বান্দৰবিলাকক বিলাইছে। আঁতৰতে ৰাউনী মাকক দেখা পাই শ্ৰীকৃষ্ণই মাৰিলে লৰ আৰু হাতত চেকনি এডাল লৈ যশোদায়ো পাছে পাছে দিলে শিশুপাল খেদা। বুঢ়াৰ হাতৰ পৰা আজি চেঙেলী সাৰে কত! যশোদাই বুলিলে—

“আজি তোক নেৰাখোঁ অ’ মোৰ পুতাই
ককালে লগাইবো জৰী।
ঘৰে সোমাবকে নিদিওঁ মোৰ পুতাই
থাকিবি নিয়ৰত পৰি॥
কৃষ্ণ লৰি যায় যশোদাই খেদে
মূৰৰে মুকলি চুলি।
দুয়ো হস্ত মেলি বান্ধ লৈলা হৰি
মাৱে দুখ পাইছে বুলি॥”

মাকে লৰি ঘামিজামি ভাগৰত লালকাল হোৱা দেখা পাই অলপ সময়ৰ পিছত শ্ৰীকৃষ্ণই নিজেই ধৰা দিলে। যশোদাই ভাবিলে তেওঁৰহে জয় হল। বান্দৰবিটলীয়া গোপালক আজি ভালদৰে এশিকনি দিব লাগিব।

**বন্ধন ঃ**—যশোদাই শ্ৰীকৃষ্ণক লৰনু চুৰ কৰা বাবে বান্ধিবলৈ যো-জা কৰাত নন্দপুৰীত হৈ-চৈ লাগি গল। গোপীবিলাকে চাৰিওফালৰ পৰা চাপিকুচি আহি বেঢ়ি ধৰিলে। যশোদাই উৰলৰ সৈতে শ্ৰীকৃষ্ণক বান্ধিবলৈ জৰী আনিলে। কিন্তু সেই জৰীয়ে নাটিলে, দুই আঙুল কম হল। আৰু জৰী আনি তাৰ লগত জোৰা দিলে। এই বাৰো দুই আঙুল কম হল। এইদৰে যতে যিমান পায় জৰী আনি তেওঁ শ্ৰীকৃষ্ণক বান্ধিবলৈ চেষ্টা কৰিলে কিন্তু নোৱাৰিলে। বাৰে পতি দুই আঙুল জৰীৰ নাটনি। এই বাঘৰ তেল খোৱা লৰাটোৰ লগত যশোদা নগুৰ-নাগতি হল। তেওঁৰ তেনে অৱস্থা দেখি গোপীবিলাকে শ্ৰীকৃষ্ণক এৰি দিবলৈ নানান ভাৱে খাটনি ধৰিলে। তেওঁলোকে কলে—"যশোদা আই! তোমাৰ পুতেৰা মাণিকৰ পুতলি শ্ৰীকৃষ্ণ গোটেই গুৱালৰে প্ৰাণ। তুমি এনে কাঠ-চিতীয়া নহবা। নিজৰ পেটৰ পোৱালিক এইদৰে বান্ধিবলৈ তোমাৰ অলপো বেয়া লগা নাইনে? গুৱালৰ ঘৰত গাখীৰ, দৈ, লৱনুৰ কি অভাৱ। ভাৰ পৰানো তোমাৰ কি বৈ গল? তুমি শ্ৰীকৃষ্ণৰ মহিমা বুজা নাই। বাৰেপতি জৰী আনিও যোৰা-ফোন্দা দিও তুমি তেওঁক বান্ধিবলৈ চেষ্টা এৰা নাই। তোমাৰ ভৰিত ধৰি কাবৌ কৰি মাতিছো আই! শ্ৰীকৃষ্ণক এৰি দিয়া। আমাৰে শপত।" এইবোৰ কথা শুনি যশোদাৰ খঙৰ জুইকুৰাত জানিবা উতলা ঘিউহে পৰিল। গোপী-

বিলাকক শুনাই তেনে অনুৰোধ নকৰিবলৈ তেওঁ সাৱধান কৰি দিলে। সিহঁতে যেন লাই দি দি লৰাৰ মূৰ নেখায়।

ইয়াৰ পিছত যশোদাৰ হাতৰ পৰা শ্ৰীকৃষ্ণক সকৱাবলৈ আহিল বলৰামৰ মাক ৰোহিণী দেৱী। তেৱোঁ নানাভাবে বৰাই-বুজাই যশোদাৰ খং মাৰ নিয়াবলৈ চেষ্টা কৰিলে। যশোদাই কিন্তু আজি অকৰা মৈত উঠাৰ দৰে বাকৈয়ে শ্ৰীকৃষ্ণক এশিকনি দিম বুলি লাগিছে। ৰোহিণী দেৱীৰ সজ কথাও তেওঁৰ কাণত নোসোমাল। জুম বান্ধি থকা গোপীবিলাকৰ আগত এটা পেন্দুকনা লৰাক বান্ধিব নোৱাৰিলে তেওঁৰ ফিতাহী থাকে ক'ত? সেই কাৰণে কাৰো কথালৈ কাণ নিদি তেওঁ পুতেকক বান্ধিবলৈ পাৰেমানে জৰী গোটাই আনি চেষ্টা কৰিয়ে থাকিল। ৰোহিণী দেৱী আৰু গোপিনীবিলাকে সেই নিমৰমিয়াল দৃশ্য দেখি চকুলো টুকিবলৈ ধৰিলে।

ইফালেদি যশোদাৰ আগৰ ঘাম গুৰিলৈ গল। গাৰ কাপোৰ খহি পৰিল। চুলিৰ বান্ধ স্থুলকিল। খোপাৰ মালতী ফুল মাটিত সৰি পৰিল, তথাপি তেওঁ ক্ষান্ত নহল। তেওঁৰ তেনে এৰিবও নোৱাৰা ধৰিবও নোৱাৰা দশা দেখি শ্ৰীকৃষ্ণৰ দয়া উপজিল। এনেয়ে তেওঁ ভকত-বৎসল, তাতে আকৌ মাক। যি শ্ৰীকৃষ্ণই মায়াৰ জৰীৰে ব্ৰহ্মাকে প্ৰমুখ্য কৰি সকলো জীৱকে বান্ধি ৰাখিছে সেই শ্ৰীকৃষ্ণই মাকৰ মৰমত আপোন ইচ্ছাৰে বান্ধ গা পাতি লবলৈ সাজু হল।

যশোদা দেৱীয়ে ভকতি-জৰীৰে তেওঁক বান্ধি—ৰাখিছিল, এতিয়া জানিবা মানুহে দেখা পোৱা জৰীৰে উৰলৰ লগত বান্ধি পেলালে। নৱনু-চোৰ শ্ৰীকৃষ্ণ বান্ধত পৰিল।

যশোদাই শ্ৰীকৃষ্ণৰ বান্ধ মুকলি কৰি নিদিবলৈ গোপিনী-বিলাকক চকু ৰঙাই সাৱধান কৰি দিলে। গোপিনীবিলাকেও যোৰাই-জোখাই উত্তৰ দি কলে—"তোমাৰ পুতেৰাৰ বান্ধ মেলিবলৈ আমাৰ কি গৰজ পৰিছে? এতিয়া বান্ধিহে থৈছা, লাগিলে দা এখন আনি কাটি কাটি খাই থোৱা। তুমি ৰাক্ষসী। আমি এতিয়া আহিলোঁহে।" শ্ৰীকৃষ্ণক বান্ধি থৈ যশোদাই কিছু সময়ৰ বাবে নিৰাপদ হোৱা বুলি ভাবিলে। সকলো দিহাদিহি গল।

**অৰ্জ্জুন-ভঞ্জন** ঃ—এইদৰে বান্ধি থোৱা শ্ৰীকৃষ্ণই মনে মনে আন এটা কথা পাঙি উৰলটো টানি লৈ জৰীৰ বান্ধৰ সৈতে বাহিৰ ওলাল। নন্দ-ৰজাৰ হাউলিৰ অলপ দূৰৈত দুজোপা যজা অৰ্জ্জুন গছ লগালগিকৈ আছিল। সেই গছ দুজোপা প্ৰকৃততে দুজন দেৱতাহে। তেওঁলোক দুয়ো কুবেৰৰ পুতেক। এজনাৰ নাম নলকুবেৰ আৰু আন জনাৰ নাম মণিগ্ৰীব। আগৰ জন্মত কিবা দোষ কৰাৰ বাবে নাৰদৰ অভি-শাপত তেওঁলোকে যজা অৰ্জ্জুন গছ হৈ পৃথিবীত জন্ম লবলগীয়া হল। আৰু তেতিয়াই শ্ৰীকৃষ্ণই তেওঁলোকৰ মুক্তি দিব বুলিও নাৰদে কৈ থৈছিল। আজি তেওঁলোকৰ মুক্তিৰ দিন।

শ্ৰীকৃষ্ণই গছ দুজোপাৰ মাজেদি সৰকি উৰলটো টানি লৈ যাওঁতে গছ দুজোপা মাটিত উভালি পৰিল। দুখন পৰ্ব্বত খহি পৰাৰ নিচিনা শব্দ হল। অৰ্জ্জুন গছ দুজোপাৰ মাজৰ পৰা শাপগ্ৰস্ত দেৱতা দুজনা বাহিৰ ওলাই আহিল। মুক্তি লাভ কৰি তেওঁবিলাকৰ মনত কি অপাৰ আনন্দ! দুয়ো মানুহৰ ঘৰত জন্ম লোৱা শ্ৰীকৃষ্ণ-ভগৱানক বাৰে বাৰে ভক্তিভাবে সেৱা জনাই ঠাইৰ দেৱতা ঠাইলৈ বিদায় ললে।

গছ দুজোপা পৰাৰ শব্দ শুনি নন্দ-ৰাজ্যৰ ৰজা-প্ৰজা সকলোৱে উধাতু খাই, তালৈ লৰি আহিল। বতাহ নাই, বৰষুণ নাই, গছৰ পাত এটা লৰাৰ কতো চিন নাই, এনে অৱস্থাত গছ দুজোপা পৰিল কেনেকৈ? সকলোৱে সেই কথাকে ভাবি তভক মানিলে। গছ দুজোপাৰ চেপাত শ্ৰীকৃষ্ণ উৰলৰ সৈতে বান্ধ খাই আছে। তাকে দেখা পাই বুঢ়া নন্দ-ৰজাই চুলিৰ আগেদি ধাতু উৰি যোৱা যেন পালে। তেওঁ ততালিকে বান্ধ খুলি দি শ্ৰীকৃষ্ণক ধূলি জোকাৰি কোলাত তুলি ললে। শ্ৰীকৃষ্ণৰ মুখত ঘনে ঘনে চুমা খাই তেওঁ পৰম আনন্দৰ ৰস পিলে। গোটেই শৰীৰ শিয়ৰি উঠিল। দুই-চকুৰে দুধাৰ আনন্দৰ লোতক বৈ আহিল। মুক্তি লাভ কৰাতকৈও তেওঁ অধিক সন্তোষ লাভ কৰিলে। তাৰ পিছত নন্দ ৰজাই তেনেকৈ হঠাতে গছ দুজোপা উভালি পৰাৰ কাৰণ সকলোকে সুধিলে। গুৱালৰ লৰাবিলাকে কলে—"মহাৰাজ!

আমি নিজ চকুৰে আঁতৰৰ পৰা দেখা পাইছো। গছ দুজোপা নিজে উভালি পৰা নাই। তোমাৰ লৰাই উৰলৰ জৰীৰে টানি-আজুৰিহে মাটিত পেলাইছে। এই পৰি থকা গছ দুজোপাৰ পৰা দুজনা দিব্য পুৰুষ বাহিৰ ওলাই শ্ৰীকৃষ্ণৰ চৰণত দীঘল দি পৰিছিল আৰু তেওঁক বহুত তুতি-নতি জনোৱা কথা আমি নিজ কাণে শুনিছো।” গুৱালবিলাকে ছৱাল লৰাৰ এই কথা সঁচা বুলি মানি নললে। তেওঁলোকে শ্ৰীকৃষ্ণৰ অতৰ্ক মহিমা দেখিও দেখা নেপালে, বুজিও নুবুজিলে।

***সামৰণিঃ***—নন্দ ৰজাই শ্ৰীকৃষ্ণক কোলাত লৈ অন্তেস-পুৰ পালেহি। তাত তেওঁ শ্ৰীকৃষ্ণক এনে নিৰ্ম্মম ভাবে বন্ধাৰ কাৰণে যশোদা দেৱীক ভালকৈয়ে এজাউৰি গালি শোধাই কলে—“হেৰেই বেটী-বান্দী যশোদা! তই কোনটো সতেৰে মোৰ প্ৰাণৰ পুতাই শ্ৰীকৃষ্ণক গৰু বন্ধা পঘাৰে বান্ধিছিলি? মই কিমান তপস্যা কৰি বুঢ়া কালত এই কৃষ্ণক পুত্ৰ লাভ কৰিছো, তই ৰাক্ষসীয়ে খাবই খুজিছিলি নহয়নে? গোঁসায়েহে আজি মোৰ প্ৰাণৰ পুতলীক ভাল ৰক্ষা কৰিলে। তই মানুহ নহৱ, ৰাক্ষসীহে। আজি মই তোক শুদাই নেৰো।” যশোদায়ো ধাও মাৰি আগবাঢ়ি গৈ তাৰ উত্তৰ দিলে—“কাৰ আগত বৰ খংখন দেখুৱাবলৈ আহিছ বুঢ়া লাপুং? তই মোক বৰ বান্দীজনী পুহি থৈছ

নহয়নে? তই ৰাতি এডোখৰ থাকোতেই উঠি শিকিয়া বাঙ্কাত কলহ লৈ গোষ্ঠলৈ যাবি, গৰু ৰখিবি, গাই দুবি, দৈৰ ভাৰ কঢ়িয়াবি। মই ঘৰত শাকে-শোকোতাই যি ৰান্ধি-বাঢ়ি থওঁ তাকে এহাতলৈ জিভা উলিয়াই পেটত ভৰাবিহি। এনে স্থলত এই ঘৰৰ কথা তই কি বুজ পাৱ? মইহে জানো। থাক যদি মনে মনে থাক।”

এইদৰে বুঢ়া-বুঢ়ীৰ হুৰাহুৰি লাগিল। তেওঁলোকৰ ভিতৰত কথাৰ ভালেখিনি উখনাউখনি হল। শ্ৰীকৃষ্ণই মিচিক-মাচাককৈ হাঁহি থাকি মাক-বাপেকৰ মাজত হোৱা এই কথাৰ যুদ্ধ উপভোগ কৰি চাই থাকিল।

“কলসি ভাঙল দধিসব নামল
কৰত ভোজন নবনিতং।
ভীতি পলাৱল বান্ধল জননী
অৰ্জ্জুন ভঞ্জন ধৃতং॥
নাচত গাৱত ভাৱ দেখাৱত
হাসত বহু ৰস লাসে।
হৰি কহু চৰণ কমল মধু আশে
কহ দীন মাধৱ দাসে॥’

# ভূমি-লোটোৱা

*চোৰৰ চতুৰালি ঃ*—যশোদা দেৱীয়ে তেওঁৰ শোৱনি কোঠাত ক্ষীৰ-লৱনুবোৰ আটোমটোকাৰি কৰি লুকাই থয়। এদিন শ্ৰীকৃষ্ণ সেই কোঠাত সোমাল। তেওঁ সেইবোৰ সোপাসোপে মুখত ভৰাবলৈ ধৰিলে। ইফালে সিফালে চাই কাকো কতো নেদেখি নির্ভয় মনেৰে তেওঁ সেই কামত লাগি গল। ভালেখিনি ক্ষীৰ-লৱনুৰ শৰাধি কৰাৰ পিছত শ্ৰীকৃষ্ণই যশোদা দেৱী ভালৈ অহা ভৰিৰ খোজৰ শব্দ শুনিলে। এতিয়া যে হাতে-লোটে ধৰা পৰিব লাগিব। ততালিকে চতুৰ শিৰোমণি কানায়ে বাঁও হাতখনেৰে পাছফালে মুঠি মাৰি ধৰি বাঁহীটো লৈ মাটিত বাগৰি বাগৰি ৰাউচি জুৰি কান্দিবলৈ ধৰিলে।

"ভূমি লুটি কান্দে গোপীনাথ ভাণ্ডিতে মাৱৰে।
চুৰি কৰিয়া খীৰ লৱনু খাৱে, ভাণ্ড নিজৰে॥"

*ভূমি লোটোৱা ঃ*—পুতেকক তেনেকৈ কান্দি থকা দেখি মৰমী মাক যশোদাই আথেবেথে কাষ চাপি আহি সুধিলে—"কি হৈছে সোণ! কেলেই তেনেকৈ থটা মাটিখনত বাগৰি বাগৰি কান্দিছ?" শ্ৰীকৃষ্ণই কান্দি কান্দি কলে—"আই! মই এই চৰুটোত এচৰু নতুন লৱনু ভৰাই থৈছিলো। সেইবোৰ কোনোবাই চুৰ কৰি নিলে। এইটো চৰুত ঘন

ক্ষীৰ আছিল। তাকো কোনোবাই খালে। আই! আৰু কি কম? মোৰ সুন্দৰ বাঁহীটোও ইয়াতে থৈছিলো। তাকো কোনোবাই লৈ গল। তেন্তেনো মোৰ আৰু কি বাকী থাকিল তুমিয়েই কোৱাচোন বাৰু।" এইদৰে শ্ৰীকৃষ্ণই মাকৰ আগত ফাকি মাৰি আৰু বেছিকৈহে কান্দোন জুৰিলে।

যশোদাই পুতেকক তেনে ভাবে কন্দা দেখি মৰি যোৱা যেন পালে। তেওঁ শ্ৰীকৃষ্ণক শাঁত কৰিবলৈ নানান ভাবে চেষ্টা কৰিলে। শ্ৰীকৃষ্ণ কিন্তু একোতে সৈমান নহল। যশোদাই কলে—"উঠ পুতাই! মাটিৰ পৰা উঠ। তোৰ শ্যামকুমলীয়া শৰীৰৰ এনে অৱস্থা দেখাতকৈ মই মৰি নেযাওঁ কেলেই? মই বুজিছো বাপ! তোৰ লৱনুবোৰ নিশ্চয় বান্দৰে চুৰ কৰি খাইছে। এই অঘাইটং বান্দৰ কেইটাই সকলো অনৰ্থৰ মূল।

***চোৰৰ ভেম, মাকৰ প্ৰেমঃ***—বহু কাকূতি-মিনতি কৰি যশোদাই শ্ৰীকৃষ্ণক ধূলা জাৰি কোলাত তুলি লৈ আকৌ কবলৈ ধৰিলে—"মোৰ প্ৰাণৰ পুতাই! মাণিকৰ পুতলী! এই সাধাৰণ বস্তুৰ কাৰণে তই কান্দিব লাগেনে? মোৰ ঘৰত দধি দুগ্ধ লৱনু কোনে সোধে?" এই কথা শুনি শ্ৰীকৃষ্ণই ছেগ বুজি কলে—"তেন্তে আই! মোক এতিয়াই লৱনু খাবলৈ দিয়া। ভোকত মোৰ পেটৰ কলমলনি উঠিছে।" যশোদাই কলে—"গুৱালবিলাকে ভাৰে ভাৰে দৈ আনিব।

ত্যাৰে সৈতে চেনি কর্পূৰ মিহলাই মই নিজ হাতেৰে লৱনু সাজি দিম। যিমান পাৰ খাবি সোণাই! যদিহে তই মোৰ এই কথাত পতিয়ন যাবলৈ টান পাইছ তেন্তে গোৱালীপাৰাৰ গোপ-গোপিনী সকলোকে সাক্ষী ৰাখি থ।”

“এখনে আনিব দুধ মথিবো আপুনি।
যত পাৰা খাইবো দিব এ নব লৱনি॥
খীৰেৰ লাৰু সাজি দিবো চিনি কয় মাখি।
সঞ্চাত নাযাৱ পাৰা লোকক কৰ সাখি॥”

এইবুলি যশোদাই শ্ৰীকৃষ্ণক পিয়াহ খুৱাবলৈ ধৰিলে।

**গিৰিহঁতৰ দণ্ড :**—শ্ৰীকৃষ্ণই কেই চোহামান পিয়াহ খাই পুনৰ মাকক লৱনু সাধিলে। তেওঁ কলে—“আই! তোমাৰ অঙ্গীকাৰ ৰাখি সোণকালে মোক লৱনু খাবলৈ দিয়া। নহলে তোমাক আজি মই শুদাই নেৰো। তুমি সদায় মোক লৱনু দিম দিম বুলি ফুচুলাই থাকা, আজি দিবই লাগিব। যশোদাই কলে—‘আজি ঘৰত লৱনু নাই নহয় সোণ! আন দিনা তোক দিম বুলি কৈছো নহয়।” শ্ৰীকৃষ্ণই কলে—“নহয় আই! তোমাৰ কথাত বিশ্বাস নাই। মোক লৱনু খাবলৈ নিদিলে আজি তোমাক কলৈকো যাবলৈ নিদিওঁ।”

‘লৱনু নাপাইলে আজি নাছাড়িবো তোৰে।
শুণি চাৱা বাৰে বাৰে ভাণ্ডি আছা মোৰে॥”

এইবুলি শ্ৰীকৃষ্ণই মাকৰ বিহাৰ আঁচলত ধৰি আজুৰিবলৈ ধৰিলে। যশোদাই পুতেকক কোনো কথাৰে সেও মনাব নোৱাৰি গোঁসাই-ঘৰলৈ গল। তাত তেওঁ হৰিৰ পূজালৈ এচৰু নতুন ঘিউৰে কৰা লৰুন্নু আগবঢ়াই থৈছিল। উপায় নাপাই তাকে আনি শ্ৰীকৃষ্ণক খাবলৈ দিলে। শ্ৰীকৃষ্ণই লৰুন্নু খাবলৈ পাই আনন্দতে নাচিবলৈ ধৰিলে—

"নবীন লৰুন্নু পায়া পৰম কৌতুকে।
চৰাচৰ গুৰু হৰি ভুঞ্জিলা উৎসুকে॥
লৰুন্নু ভুঞ্জিয়া নাচে ত্ৰিজগত-পতি।
কহয় মাধব হৰি-পদৰেণু গতি॥"

# ভোজন ব্যেৱহাৰ

*প্ৰস্তাৱ* :—মোহন-কানু গোপাল কৃষ্ণৰ খেলাভূমি বৃন্দাবন। তাল-তমাল আদি নানা বৃক্ষৰাজিৰে সুশোভিত, কুলি কেতেকী আদি বিবিধ মধুকণ্ঠী বিহগৰ কলগীতেৰে মুখৰিত এই বৃন্দাবনত বাৰেও মাহে বসন্ত কাল। এই বৃন্দাবনৰ মাজেদি কুলু কুলু ৰাগিনী টানি একাবেকা গতিৰে বৈ যোৱা যমুনা নৈখনিয়ে আকাশৰ মন্দাকিনী ধাৰলৈ মনত পেলাই দিয়ে। এদিন শ্ৰীকৃষ্ণই তেওঁৰ ককায়েক বলৰাম আৰু গোপ-গোপীবিলাকৰ লগত বৃন্দাবনৰ যমুনাৰ বালিত বন-ভাত খাবলৈ মন মেলিছিল। সেই দিনা প্ৰাতসতে উঠি যশোদা দেৱীয়ে পুতেকক মাতিলে—

"পুহাইলে ৰজনী উঠা যদুমণি
চৌদিশে পোহৰ হ'ল
তোমাৰ লগৰে দাম সুদামে
ধেনু চাৰিবলৈ গ'ল ॥
উঠা শ্যাম-কানু চাৰা গৈয়া ধেনু
দাদা বলভদ্ৰৰ সঙ্গে।
ৰাজআলি পাই গোপশিশুগণে
ডাকিব লাগিছে ঘনে ॥

দামে ডাকিছে সুদামে ডাকিছে
আহাঁ বৃন্দাবনে যাওঁ।
আখৈ ধানে চিৰা পিঠা পৰমাণে
ভগা-বটা কৰি খাওঁ ॥
কলী বগী ৰাঙলী পাখৰী কাজলী
নানা বৰণীয়া ধেনু।
ৰাজআলি পাই বালকে ডাকয়
ধেনু আনা শ্যাম-কানু ॥
আগে চলে ধেনু পাছে চলে ধেনু
মধ্যে চলে গোপবালা।
কানাইৰে ডিঙিতে জিলিকি আছিছে
বৈজয়ন্তী ফুলৰে মালা ॥"

যথা সময়ত গৰু-গাইবোৰক খেদি শ্ৰীকৃষ্ণই দলে-বলে আহি যমুনাৰ তীৰ পালে। বদত তিৰবিৰাই নাচি থকা ৰূপোৱালি বালি দেখা পাই তেওঁ আনন্দতে অধীৰ হৈ উঠিল আৰু লগৰীয়াবিলাকক সম্বোধন কৰি কবলৈ ধৰিলে —"আহাঁ, আহাঁ সখিসকল! চোৱা, চোৱা কেনে সুন্দৰ এই ৰম্যস্থান। পৰম সুকোমল বালি। পদুমৰ গোন্ধে ভোমোৰাক আকুল কৰিছে। ভোমোৰাবিলাকে পদুম ফুল বেৰি ধৰি গুঞ্জৰি ফুৰিছে। কি বিতোপন দৃশ্য! আহাঁহক, আমি সকলোটিয়ে আজি এই বালিত একেলগে বহি মনৰ সুখেৰে ভোজন কৰো। বেলাও বহুত হল। আৰু পলম

কৰা উচিত নহয়। গাই-দামুৰীবোৰক পানী খুৱাই হাবিৰ মাজত মেলি দি আহাঁ।" শ্ৰীকৃষ্ণৰ এই প্ৰস্তাৱত গোপ-বালকবিলাকে বৰ আনন্দ পালে আৰু সকলোৱে তেওঁৰ কথামতে কাম কৰিবলৈ সন্মত হ'ল। তেওঁবিলাকে ততা-তৈয়াকৈ গৰুক পানী খুৱাবলৈ গ'ল।

**ভোজন ঃ**—গৰুক পানী খুৱাই গোপবালকবিলাকে শ্ৰীকৃষ্ণ আৰু বলৰামক মাজত লৈ খাবলৈ বহিল। সকলোৱে আগে আগে পাত পাৰি ললে। যেনেকৈ পদুমৰ চকাক পাতে ঢাকি ৰাখে তেনেকৈ নন্দৰ নন্দনক সকলোৱে ঢাকি ধৰিলে। নন্দৰাণী যশোদাই ৰান্ধি-বাঢ়ি দিয়া চৰুৱে চৰুৱে ভাত, আঞ্জা পৰমান্ন, ভাৰে ভাৰে দধি, দুগ্ধ, লৱনু নানা সুমিষ্ট ফলমূল আগত লৈ তেওঁলোকে সেইবোৰ হাঁহি-মাতি খিকিন্দালি কৰি খাবলৈ ধৰিলে। যদুৰাজ শ্ৰীকৃষ্ণৰ আনন্দ সকলোতকৈ অধিক। তেওঁ মোহন বাঁহী এহাতেৰে লৈ আন হাতেৰে ইজনৰ পাতৰ দধি দুগ্ধ লৱনু সিজনৰ পাতত দলিয়াই দি, সিজনৰ পাতৰ পৰা বা নিজেই এমোকোৰা মুখত ভৰাই কিমান আনন্দ কৰি খাবলৈ ধৰিলে তাৰ সীমা নাই। মোহন কানাইক খেলাৰ নায়ক স্বৰূপে লাভ কৰি গোপবালকসকলৰ কোনো জনে মতলীয়া হৈ খোৱাৰ লগে লগে নাচিবাগি ফুৰিছে, কোনো জনে বা গীত জুৰিছে, কোনো জনে বা চাপৰি বজাইছে। মুঠতে কোনেও এনেয়ে

ৰহি থকা নাই। বৃন্দাবনৰ বালিত যেন এইখন আনন্দৰ মেলাহে বহিছে। এই নয়নাভিৰাম দৃশ্য আকাশৰ পৰা দেৱতাসকলে জুমি জুমি চাবলৈ ধৰিলে। অপেস্বৰাবিলাকে তাকে চাই চাই নাচি নাচি ৰাম-শ্যামৰ শিৰত ধাৰাসাৰে পাৰিজাত পুষ্প বৰষিলে।

*চুৰি* ঃ—এইদৰে ৰংধেমালি কৰি শ্ৰীকৃষ্ণই গোপবালক-বিলাকৰ লগত ভোজন কৰি থাকোতে গৰুবোৰে ঘাঁহ খাই খাই বহু দূৰলৈ গ'ল। গোপবালক শ্ৰীদামে গৰুবোৰ চকুৰ আঁৰ হোৱা দেখি বৰ বেজাৰ কৰিবলৈ ধৰিলে আৰু থিয় হৈ কলে—"যদি গৰুবোৰেই হেৰাব লাগিল তেন্তেনো আমি এই বনভাত খোৱাৰ পৰা লাভ হল কি ?" আনবিলাক গোপবালকেও হাতৰ গৰাহ পাতত থৈ শ্ৰীদামৰ কথাতে হয়ভৰ দিলে। তাকে দেখি শ্ৰীকৃষ্ণই কলে—"নুঠিবা, পাতৰ পৰা নুঠিবা ভাইহঁত। পেট নভৰে মানে খাই থাকা। মই এতিয়াই গৰুজাক খেদি আনি দিম।" এই বুলি শ্ৰীকৃষ্ণই হাতত শিঙা-বেত লৈ ককায়েক ৰাম আৰু লগৰীয়াবিলাকক তাতে এৰি গৰু বিচাৰি ওলাল। সিফালেদি সৃষ্টিকৰ্ত্তা পিতামহ ব্ৰহ্মাই কৰিলে কি ? তেওঁ শ্ৰীকৃষ্ণৰ মহিমা পৰীক্ষা কৰিবৰ মনেৰে গৰুজাক চুৰ কৰি লৈ গল। শ্ৰীকৃষ্ণই গোটেই বৃন্দাবনখনতে পাত পাত কৰি বিচাৰি গৰু নেপালে। তেওঁ বনভাত খোৱা ঠাইলৈ উলটি আহিল। আচৰিত কথা—তাতো দেখোন শ্ৰীদাম,

সুদাম আদি লগৰীয়াসকল নাই। ককায়েক ৰামকো কোনোবাই হৰি নিলে।

*চিন্তা ঃ*—শ্ৰীকৃষ্ণই এইদৰে অকলশৰীয়া হৈ বৰ বিমোৰত পৰিল। তেওঁৰ মনটো বৰ উকুঙা উকুঙা লাগিল। বনভাত খোৱাৰ আনন্দ নিৰানন্দত মিহলি হল। তেওঁ ভাবিলে,—"অন্ন-ভোজনত আজি ভাল প্ৰমাদ মিলিল। দাদা বলভদ্ৰ কলৈ গল? ভাই গোপবালকবিলাকেই বা কত? মৰমৰ গৰুগাইবোৰেই বা কত? এই কথা জানিব পাৰিলে, মই অকলশৰে উলটি গলে পিতা নন্দৰাজে কি ভাবিব? যশোদা আইকনো কি বুলি কম?" জগতঈশ্বৰ শ্ৰীকৃষ্ণই আচল কথা জানিও নজনা হৈ এইদৰে মনত নানা চিন্তা কৰিলে। বনৰ চৰাই, গছ-লতা সকলোকে লগৰীয়াসকলৰ বাতৰি সুধি সুধি অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে। অৱশেষত কতো তেওঁবিলাকক বিচাৰিখোচাৰি নেপাই শ্ৰীকৃষ্ণ ধ্যানত ৰহিল। ধ্যান কৰি তেওঁ আচল কথাটো বুজিব পাৰি মিচিকিয়াই হাঁহিলে—এই দিন দুপৰৰ গভাইত গৰু-চোৰ মানুহ চোৰ স্বয়ং পিতামহ ব্ৰহ্মা।

"বৃন্দাবন মাজে কৃষ্ণ বসিলা আপনে।
ব্ৰহ্মাই কৰিলা চুৰি জানিলা ধিয়ানে ॥
কহই মাধৱ দাস অতি শিশুমতি।
পৰম আকুল ভৈলা গোপশিশু প্ৰতি ॥"

# ভূষণ-হেৰোৱা

**ঘুমটি ঃ—**এদিন শ্ৰীকৃষ্ণই মাকৰ কাষত কিবা এটা জগৰ লগাই মাৰ খোৱাৰ ভয়ত অকলশৰে বাহিৰ ওলাই গৈছিল। অলপ দূৰ গৈয়েই তেওঁ বৃন্দাবনৰ কদম গছ-জোপাৰ তলত শুই পৰিল। সেই সময়ত ৰাধা নামেৰে গোকুলৰ গোপী এজনাই কাষত গাগৰী লৈ যমুনালৈ পানী আনিবলৈ গৈছিল। পানী বুৰাই ঘূৰি আহোঁতে তেওঁ শ্ৰীকৃষ্ণক তেনেভাবে নাক বজাই শুই থকা দেখা পাই ভাবিলে— "দেহিঐ! থটা মাটিখনত মাণিকৰ পুতলীটি কেনেকৈ অকলে শুই আছে। তেওঁৰ মুদ খাই থকা চকু দুটি যেন জাপ যোৱা পদুম ফুল দুপাহহে। কণ্ঠত কৌস্তুভ, গাত পীত বস্ত্ৰ, মূৰত অমূল্য কিৰীটি, দুই কাণে মকৰ কুণ্ডল, গলত বন-মালা, কটিত ৰত্নৰ মেখলা, দুই কৰত কেয়ুৰ কঙ্কণ, পদ দুখনিত ৰত্নময় নূপুৰ। কি দিব্য ৰূপ! গাৰ বহুমূলীয়া ভূষণ অলঙ্কাৰবোৰ এখন দেশৰ পৰা তিৰবিৰাই জিলিকিব লাগিছে। যশোদাৰ এই লৰাটিক চাওঁমানে চাই থাকিবৰ মন যায়। হেপাহ নপলায়।" ৰাধা দেৱীয়ে বহু সময় শ্ৰীকৃষ্ণক একেথৰে চাই থাকি হাতত সাৱে ভৰিত সাৱে তেওঁৰ কাষ চাপি গল।

**হৰণঃ**—লাহে লাহে তেওঁ শ্ৰীকৃষ্ণৰ গাৰ পৰা এপদ দুপদকৈ অলঙ্কাৰবোৰ সোলোকাই নিজৰ ৰিহাৰ আঁচলত টোপোলা বান্ধি ললে। তাৰ পিছত শ্ৰীকৃষ্ণক মাতি তেওঁ কলে—"হেৰা বনমালী! এই হাবিখনৰ মাজত এনেদৰে শুই আছা কিয়? তোমাৰ শ্যামবৰণীয়া গাটিও দেখোন তেনেই উকা। অলঙ্কাৰবোৰ কাৰ হতুৱাই নিয়ালা? ঘৰলৈ যোৱাচোন, যশোদা ৰাণীয়ে আজি তোমাক শুদাই নেৰে।"

কানাইক ইয়াকে কই ৰাধাই হাবিতলীয়া চমু বাট এটাৰে পোনাই যশোদাৰ কাষ পালেহি। তেওঁ যশোদাৰ আগত পুতেকৰ গাৰ ভূষণ অলঙ্কাৰৰ টোপোলাটো মেলি দিলে আৰু শ্ৰীকৃষ্ণই তেনে অসাৱধান হৈ কদমৰ তলত শুই থকাৰ কথা বিবৰি কলে। আৰু তেওঁ ইয়াকো কলে বোলে, তেওঁ নৈ নহা হলে কোনোবা চোৰেই এই অলঙ্কাৰখিনিৰ দিহা লগালেহেতেন।

**ফাকটিঃ**—এখনমান তামোল খোৱাৰ সময়ৰ পিছতে শ্ৰীকৃষ্ণও সেমেনা-সেমেনিকৈ মাকৰ আগত ওলালহি। মাকে তেওঁক অলঙ্কাৰ, ভূষণ সোপা খুজিলে। শ্ৰীকৃষ্ণই ৰাধাক ভালদৰে মজা এপালি দিও বুলি ভাবি মাকৰ আগত কলে—"আই যশোদা! মোক গুৱালনী এজনীয়ে মাতি নি মিঠৈ খাবলৈ দিলে। মিঠৈ খাই মোৰ ভাগৰ পালি হৈছিলেই। মূৰটো টলং-ভটং কৰিবলৈ ধৰিলে। চকু দুটা

মুদ খাই গল। ঘনে ঘনে হামি আহিল। ক্ৰমে মোৰ গাৰ চেতনা লোপ পাই আহিবলৈ ধৰিলে। কদমৰ তলতে মই শুই গলো। হে আই! সেই সুযোগতে সেইজনী চুৰুনী ৰাধাই মোৰ ভূষণ সোপাকে চুৰ কৰি লুকুৱাই থলে আৰু মোকেই জগাই পুনৰ তাৰ কথা সুধিলে। তেতিয়াও মোৰ গালৈ ভালদৰে চেতনা ঘূৰি অহা নাই। কোৱাচোন আই! মোৰ গাতনো কি দোষ? বিহ মিহলোৱা মিঠৈ খাই জীউটো যে ৰক্ষা পৰিল সেয়ে বহুত নহয় জানো?"

মাকৰ আগত এনেদৰে সকিয়াই লৈ চতুৰ কৃষ্ণই ৰাধাৰ আগলৈ গৈ কবলৈ ধৰিলে—"হয়েৰা ৰাধিকা! তয়েই নিশ্চই মোৰ ভূষণ চুৰ কৰিলি। আজিহে মই বুজিব পাৰিলোঁ—আমাৰ এই গোকুল নগৰৰ ৰাধা চুৰুনীৰ প্ৰতাপ দিনক দিনে চৰি গৈছে। মই অকলে শুই থকা দেখা পাই তয়েই মোৰ গাৰ অলঙ্কাৰসোপা সৰকালি। তোৰতো কম সাহস নহয়। দিন দুপৰতে যদি ৰাস্তআলিতে এনে চুৰি কৰিব পাৰ তেন্তে নিশা দেখোন তোৰ কথাই নাই? চুৰুনী ৰাধা! ওচৰত কোনো গোপক নাপাইহে অলঙ্কাৰ-খিনি আইৰ হাতত দিছহি। তই সেই সময়ত কোনো গোপক লগ পোৱা হলে মোৰ অলঙ্কাৰ গৈছিলেই।"

***কোদোৰ বাহ***:— ৰাধিকাই দেখিলে কথা বিষমেই। তেওঁ কোদোৰ বাহতহে হাত দি জোকাই লৈছিল। তেওঁ

শ্ৰীকৃষ্ণক অলপ এদতীয়া হৈ কলে-"হেৰা কানাই! তুমি কালিৰ লৰা হৈ এনেবোৰ পৰহিৰ গীত গাবলৈ কত শিকিলা? কোনোবা গোপীৰ ঘৰত লৱনু খাই কদমৰ তলত পেট গেৰেলা হৈ পৰি আছিলা। ভাগ্য ভাল—মই গৈ সেই-খিনি পালো। সেয়েহে কোনো চোৰে তোমাক তেনেকৈ লালকাল দি থকা দেখা পাই গাৰ অলঙ্কাৰ-ভূষণ নিব নোৱাৰিলে! মই তোমাৰ ভূষণ চোৰৰ হাতৰ পৰা ৰক্ষা কৰিলো। সেয়েই হল মোৰ জগৰ নহয়নে? মই আচলতে তোমাৰ ভূষণ চুৰ কৰিবলৈ মন মেলা হলে তোমাৰ আয়ে-ৰাৰ হাতত সেইবোৰ দিবলৈ অহাৰ আৱশ্যক আছিল জানো? কদমৰ তলত সেই অলঙ্কাৰৰ কথা সোধোতে দেখোন থতমত খাই উঠিছিলা। এতিয়া আয়েৰাৰ ওচৰ পাই আঁচু-কাঠৰ গুৰিত শিয়াল পখৰা হোৱা দিছা। তুমি দেখিছো কম লৰা নোহোৱা। সাত ঘাটৰ চেঙেলী।"

এই কথা শুনি শ্ৰীকৃষ্ণই মাকক কলে— "চোৱাচোন আই! এই গুৱালনীজনীয়ে মোক যধেমধে গালিখন পাৰিছে। তায়ে বিহ খুৱাব, অলঙ্কাৰ চুৰ কৰিব আৰু তোমাক তাকে দি ভালৰি বোলাব। সিদিনা তাই আমাৰ 'ভণ্টা' চুৰি কৰি নিছিল। এই কথা মোৰ সখি গোপবালকসকলে জানে। এই লাই পাই পাই বৰ বাঢ়ি গৈছে। তুমি যদি এইবোৰ কথাৰ ভাল বিচাৰ নকৰা তেন্তে মই পিতাৰ আগত সকলো কৈ তাইক ৰঙা ঘোঁৰা ৰগা ঘোঁৰা দেখুৱাম।

"হামু বালকচয় খেড়ি খেলাৱত
ভণ্টা কয়লি চুৰি মোৰা।
তাহেক হামু মিনতি বলি মাগিতে
হামাকু বোলত দূৰ চোৰা॥
পুচত ঐচন বাত হুই নুই
ওহি বালক সব সাথি।
হামাৰি ঐচন কলঙ্ক গোকুল মহ
আৱৰি কমনে আছোঁ ৰাখি॥
তুহোঁ যব মাঞি উচিত বুজত নাহি
কহবোঁ পিতাকেৰি ঠাই।
গোৱাৰিক যশোদা গাৰি দিয়ে খেদল
মাধৱ এহু ৰস গাই॥"

শ্ৰীকৃষ্ণৰ এনেবোৰ ফাকটি-ফুকুটা কথাৰ আজলী যশোদাই কি তলানলা পায়! তেওঁ এঠাইত কাটিলে সাত ঠাইত গজা পুতেকটিৰ কথাকে বিশ্বাস কৰি ৰাধিকাকহে গালি-শপনি পাৰি খেদি দিলে আৰু শ্ৰীকৃষ্ণক ধূলি জাৰি কোলাত তুলি নানা ৰকমৰ মিঠা কথাৰে নিচুকাবলৈ চেষ্টা কৰিলে।

# কোটোৰা খেলা

**নটুৱা কানাই :—** এদিন গোকুলৰ কলীয়া কানাই শ্ৰীকৃষ্ণই নটুৱা বেশেৰে সখিয়েকসকলৰ লগত বৃন্দাবনত খেলি আছিল। ককায়েক বলৰাম আৰু শ্ৰীদাম, সুদাম, বসুদাম, সুবল, অৰ্জ্জুন, ভদ্ৰসেন আদি গোপবালকৰ লগত খেলা খেলি জগৎ-ঈশ্বৰ শ্ৰীকৃষ্ণই ভোক-পিয়াহ পাহৰি গৈছে।

ব্ৰহ্মা হৰে সেৱে যাৰ অৰুণ চৰণে
শিশুৰ লগত খেলে সেই নাৰায়ণে।

সেই সময়তে কেইজনীমান গোপীৰ লগত ৰাধিকাই গাখীৰ বেচিবলৈ আহিছিল। কেৱল গাখীৰেই নহয়—দৈ, লৱনু, মাখন আদিও তেওঁবিলাকৰ পোহাৰত আছিল। প্ৰত্যেক জনী গুৱালনীৰ মূৰতে ডাঙৰ চৰু কেইবাটাও গাখীৰ-ঘিঁউৰে ভৰা কটা।

ৰাধিকাই চিঞৰি আহিছে—"দধি, দুগ্ধ, লৱনু, কোনে লবি? গাখীৰ লাগে? দৈ লাগে? লৱনু লাগে?"

"আমাক লাগে, আমাক লাগে" বুলি গোপবালকবিলাকে গুৱালনী কেইজনীক বেঢ়ি ধৰিলেগৈ। ৰাধাই সিহঁতৰ কি জাতি সুধিলে। গোপবিলাকে কলে—

"তই গুৱালনী, আমি গুৱাল,
হাবি-বননিত কটাওঁ কাল।
এনেয়ে খালো কিমানৰ দৈ
তইঁতহে আহিছ পোহাৰ লৈ।
সোণকালে নমা মূৰৰ চৰু
চাওঁ কেনেকুৱা লৱনু লাৰু।"

ৰাধাই কিন্তু এই লৰা কেইটাৰ পৰা ধন পোৱাৰ আশা নেদেখি গাখীৰ নেবেচি সিহঁতক ভেকাহি মাৰি গুচি গ'ল। আন কেইজনী গুৱালনীয়েও তেওঁৰ পাছ লৈ যমুনাৰ ঘাটলৈ বাট ললে।

**ঘাটত ভেটা** :— শ্ৰীকৃষ্ণয়ো ৰাধিকাই তেনেভাবে ওফাইদাং মাৰি যোৱা দেখি লগৰীয়াসকলৰ লগত যমুনাৰ ঘাটত তেওঁবিলাকক আগভেটা দিলেগৈ। গোপবিলাকে কলে—"বোলো হেৰেই পোহাৰী কেইজনী! ঘাটৰ ধন নিদিয়াকৈ কলৈ যাবলৈ ওলাইছ? যি বাটেৰে আহিছ ভালে ভালে সেই বাটেৰে উলটি যা।"

গোপী কেইজনীয়ে তেওঁবিলাকৰ বাধা পাই সেই ঘাটেৰে পাৰ হবলৈ চেষ্টা নকৰি অলপ উজনিত থকা মথুৰাৰ ঘাটলৈ বাট ললে।

**কানাইৰ চকি** :—তাতো গোপবিলাকে তেওঁলোকক পাৰ হবলৈ নিদি কলে—"হেৰেই পোহাৰীহঁত। ইওতো

কানাইৰ চকি। ধন নিদিয়াকৈ পাৰ হব নোৱাৰিবি।"

যিফালেদি যাৱ ৰাধা
সিফালে কানাইৰে চকি
ধন নিদিলে নিদিওঁ এৰি
নোৱাৰ খটাব ফাকি।"

এনে নাভূত-নাশ্রুত কথা শুনি ৰাধাই কলে—

"নিতৌ আহোঁ, নিতৌ যাওঁ
কৰোঁ আমি বেচা-কিনা
কানাইৰ চকি বুলি ইটো
কোনো দিনে নাই শুনা।"

***থকা-থুন্দা*** ঃ—গোপীয়ে কলে—"হেৰৌ বান্দৰ-বিটলীয়া লৰাবোৰ! মিছাতে আমাৰ লগত কাজিয়াখন লগাই নলবি একা। আমি কংস ৰজাৰ দোহাই দিছোঁ। আমাক পাৰ হৈ গাখীৰ বেচিবলৈ যাবলৈ দেহঁক।"

কংস ৰজাৰ নাম মুখত লোৱা শুনি গোপবালকবিলাকৰ কোব আৰু চৰিল। সিহঁতে কলে— "হঞেৰা পোহাৰী কেইজনী! তহঁতৰ কংস ৰজা আমাৰ কি হয়? সি আমাক কি নাকত থৈ চাকত ঘূৰাব অ?" এই বুলি তেওঁলোকে গুৱালনী কেইজনীক বন্দী কৰিলে। গুৱালনীবিলাকেও সিহঁতৰ তেনে অতপালিখন দেখি সিহঁতৰ ৰখীয়া হৈ যোৱা বুঢ়া গুৱাল এটাক চিঞৰি মাতিবলৈ ধৰিলে। জবৰা নামেৰে সেই

গুৱালটো অলপ পাছ পৰিছিল। সি গোপীসকলৰ চিঞৰ শুনি লৰি গৈ সেই ঠাই পালে আৰু গোপবালকসকলৰ লগত তাৰো এখন থকা-খুন্দা লাগিল। লৰাবিলাকে তাৰ ডিঙিত কাপোৰ মেৰাই নানা নগুৰ-নাগতি কৰিলে। বপুৰাই গাত বৰ আঘাত পাই সেই ঠাইৰ পৰা পলায়ুদ্ধ কৰিহে ৰক্ষা পৰিল। তাৰ তেনে অৱস্থা দেখি শ্ৰীকৃষ্ণই লগৰীয়া-বিলাকৰ সৈতে গোপীকেইজনীক তাতে এৰি যাবলৈ খুজিলে।

**মধুৰেন সমাপয়েৎ :—** তেওঁবিলাক যাব খোজা দেখি গোপীবিলাকে কলে—"লৰাবিলাক! তহঁতে আমাক অনাহকত আমনি নিদিবিহঁক। যদি আমাক ভালকৈ নাচ কৰি দেখুৱাবলৈ গাত লৱ তেন্তে আমি তহঁতক ইচ্ছামতে দধি দুগ্ধ লৱনু খাবলৈ দিম।" গোপীবিলাকৰ পৰা এই প্ৰস্তাৱ অহাত নটুৱা কানাইৰ গাখীৰতে মহৰ খুটি হল। নাবা বুলিলেই তেওঁ চাৰি চাপৰ মাৰে বা বুলিলেতো কথাই নাই।

"যশোদানন্দনে বালকে মিলে
পৰম আনন্দে কোটোৰা খেলে।
কোটি ব্ৰহ্মাণ্ড ক্ৰীড়াভাণ্ড যাৰ
কোটোৰা খেলা কি খেলা তাৰ।
ভকত অধীন হৰি দীন-দয়াল
কহয় মাধৱ, গতি বাল-গোপাল।"

# পিপৰা গুচোৱা

*গোপাল গোৱালীপাৰাত ঃ—* এদিন শ্ৰীকৃষ্ণই গোৱালীপাৰালৈ গৈ এজনী গোপীৰ ঘৰত সোমাই লৰুনু চুৰ কৰি খাইছিল। খাই বৈ ভাল লৰাটি হৈ তেওঁ ওলাই যাবলৈ নৌ পাওঁতেই ঘৰৰ গিৰিহঁতনী গোপীজনী কৰবাৰ পৰা আহি ঘৰ সোমাল। তেতিয়াও লৰুনু-চোৰৰ এখন হাত আঁৰি থোৱা টেকেলিৰ ভিতৰত আছিল।

গোপীয়ে কোন কোন বুলি চিঞৰি সোধাত শ্ৰীকৃষ্ণই গহীনাই উত্তৰ দিলে—

"কোন মই শুন তই ব্ৰজৰ গোৱালী
বলাইৰ কনিষ্ঠ ময়ে নাম বনমালী।"

গোপীয়ে সুধিলে—"ইয়াত তোমাৰ কি সকাম? কি কাৰণে আহি মানুহ নোহোৱা ঘৰত সোমাইছা?"

শ্ৰীকৃষ্ণই ভেকাহি মাৰি কলে—"বৰ নগৰত জগৰ লগোৱা কথাটো হল? মই মোৰ ঘৰ বুলি ভুল কৰিহে ইয়াত সোমালোঁহি।"

গোপীয়ে আকৌ সুধিলে—"বাৰু ঘৰৰ ভুল হল মানিলো। পিছে, সো লৰুনুৰ টেকেলিৰ ভিতৰত হাতখন কিয়?"

শ্ৰীকৃষ্ণই কলে—"ইহ বৰ কথাটো সুধিলি ? টেকেলিটো পিপৰাৰে ভৰি পৰিছিল। মই সেইবোৰ নুগুচোৱা হলে লৰুনু খালিহেঁতেন !"

গোপীয়ে তাৰ উত্তৰত কলে—"দেহিঐ, বৰ পৰোপকাৰী লৰাটি ! পিছে, সৌ মোৰ শুই থকা লৰাটিক কেচা টোপনিৰ পৰা জগালা কিয় সোণ ?"

কৃষ্ণই কলে—"মোৰ গৰু এটা হেৰাইছে। কতো বিচাৰি নেপালো। সেই গৰুটোৰ কথা সি কিবা জানে বুলিহে তাক জগাইছিলো।"

গোপীয়ে কলে—"কানাই ! তুমি বৰ টেটোন। মোৰ ঘৰৰ লৰুনু সোপাকে চুৰ কৰি খাই এইবোৰ বাৰভচহু কথা কৈ ফাকি মাৰিব খুজিছা নহয়নে ?" এইবুলি তেওঁ কানাইৰ শ্যামজেউতীয়া মুখখনি শুঙি চাই কলে—"পিছে তোমাৰ মুখৰ পৰাও দেখোন লৰুনুৰ গোন্ধ বাহিৰ ওলাইছে ?"

এইবাৰ শ্ৰীকৃষ্ণই আৰু একাছি চৰি গৈ কলে—"হঞেৰা গুৱালনী ! তই বৰ নিদাৰুণী অ ! নিজৰ লটপটীয়া জিভাখন চম্ভালি ৰাখিব নোৱাৰি নিজৰ ঘৰৰ লৰুনুবোৰকে খালি। তোৰ ভাতাৰৰ ( গিৰিয়েৰৰ ) ভয়ত মোৰ গাত এই অপযশ দি নিজৰ দোষ একৱাৰ খুজিছ নহয়নে ? মোৰ ঘৰত লৰুনু কোনে শোধে ? মোৰ ঘৰত কি খাবলৈ নাইকিয়া হৈছে যে তোৰ ঘৰত চুৰ কৰি খাবলৈ আহিম ?"

শ্ৰীকৃষ্ণক গোপীয়ে কথাৰে কোনোমতে ঘাটি খুৱাব

নোৱাৰি সকলো কথা মাকৰ আগত কৈ দিম বুলি ভুমিয়াই তেওঁক এৰি দিলে।

*গোচৰ* ঃ—গোপীয়ে সেই পাৰাৰ আটাইবিলাক গোপীকে গোট খুৱাই লৈ যশোদাৰ আগত শ্ৰীকৃষ্ণৰ বিৰুদ্ধে গোচৰ দিবলৈ গল। শ্ৰীকৃষ্ণ কাকো শুদাই এৰা ভকত নহয়। সকলোকে তেওঁ চিন দি থৈছে।

এজনী গোপীয়ে যশোদাক কলে—"আই যশোদা! তোমাৰ লৰা শ্ৰীকৃষ্ণৰ পৰা আমাৰ মৰণেহে পৰাচিত হল। কানায়ে আমাৰ কিমান অপকাৰ কৰিছে তোমাৰ আগত কিনো লেখ দিম? সেই কলীয়া চোৰৰ উপদ্ৰৱত আমি টেকেলি-কলহ কতো একো বস্তু ৰাখিব নোৱাৰা হলোঁক। গাখীৰ, দৈ, লৱনুৰ তেওঁ যম। নিজেতো খায়েই, খাব নোৱাৰাখিনি হাবিৰ বান্দৰ মাতি আনি ভগাই দিয়ে।"

আন এজনীয়ে কলে—"বাইটীয়ে ঠিক কথাকে কৈছে! লৱনুতো চুৰ কৰি খাবই। খাই বৈ উঠি টেকেলি-কটা যি পায় ভাঙি-ছিঙি একাকাৰ কৰি থৈ আহে। তোমাৰ কৃষ্ণৰ কথা আমি কিমান কৈ অন্ত পেলাম?"

যিজনী গোপীৰ ঘৰত সেইদিনা শ্ৰীকৃষ্ণ ধৰা পৰিছিল তেওঁ কলে— "আই! তোমাৰ পুতেৰাৰ মুখখনিও লাওপাত কচুপাত। আমি তেওঁক একেযাৰ প্ৰশ্ন সুধিলে দহযাৰ কথাৰে

তাৰ উত্তৰ দিয়ে। তোমাৰ কলীয়া কানাই এলাপেচা চোৰ নহয়। চুৰো কৰে, উলটি তেঁৱেঁই আকৌ গিৰিহঁতক বান্ধিবলৈ চেষ্টা কৰে। পাৰা যদি তেওঁক ইমানতে দমোৱা। এই লৱনু-চোৰে গোটেইখন গোৱালীপাৰাকে জ্বলাকলা কৰিলে।"

"অ' আই যশোদা মাৱ !
কেনুৱা কৃষ্ণাই তোৰ
কাষৰে কলসী মৰিয়াই ভাঙিলে
বস্ত্র ফালিলে মোৰ।
অ' আই যশোদা মাৱ!
কলীয়াক নিদিয় হাক
জীয়াৰী বোৱাৰী ওলাব নোৱাৰে
কোনো পানীঅনা ঘাট।"

"আই মোক নকবি বাই মোক নকবি
কলীয়াক নিদিবি দোষ
পথালি কোলাতে বহি স্তন খাওতে
পাতে তিনি বেলি ৰোহ।"

এক গোপী বোলে— "মই কৃষ্ণক দেখিলো
চাৰে বৃন্দাবনে ধেনু,
নাচে বংশী বাই আঙুলি বুলাই
হাতত মোহন বেনু।"

এক গোপী বোলে— "মই কৃষ্ণক দেখিলো
গোকুল কৰিছে লুট

পাঁচ বছৰীয়া অবোধ কানাই
কপালে চন্দনৰ ফোট।

এইদৰে গোপীবিলাকৰ পৰা নানা তৰহৰ অভিযোগ শুনি যশোদাৰ হাঁহিও উঠিল, খঙো উঠিল। গোপীবিলাকক কোনো-মতে বৰাই-বুজাই শাঁত কৰি তেওঁ ঘৰলৈ পঠিয়ালে।

**যশোদাৰ বুজনি**:—তাৰ পিছত নন্দৰাণীয়ে কৃষ্ণক কাষলৈ মাতি আনি কলে—"আজিৰ পৰা তই গোৱালী-পাৰাৰ কোনো গোপীৰ ঘৰলৈকে যাব নোৱাৰ কানাই! তোৰ এই বজাই বটা দিয়া মুখখন মই বেজীৰে সিব লাগিব। তোৰ অপযশ মই আৰু কিমান শুনিম? মই যি কওঁ শুন—

"নাযাবি নাযাবি বাছা, গুৱালীৰ ঘৰ
শুনিম কিমান তোৰ চুৰিৰ গোচৰ।
কোনো বোলে চুৰি তই কৰিলি লৱনি
দধি-দুগ্ধ খোৱা বুলি কয় কোনোজনী।
কোনো বোলে ভাঙিলি তই দধি-দুগ্ধ-ভাণ্ড
ফুকলীয়া বয়সেতে এনেকুৱা কাণ্ড।
মোৰ ঘৰৰ দধি তই মন দিয় যদি
নিতউ বোৱাব পাৰোঁ গাখীৰৰ নদী।
ঘৰৰ বস্তুৰে তোক তথাপি নোজোৰে
চুৰ কৰি খাই ফুৰ পাৰাৰ ঘৰে ঘৰে।"

"হে পুতাই! তোৰ বাপ নন্দ গোকুলৰ আটাইবিলাক গোপৰ বজা। মই তেওঁৰ পত্নী। মোৰ পেটত জন্ম লৈ তই আমাৰ নাম নুমালি। যেন মোৰ ঘৰত দৈ নাই, গাখীৰ নাই, লৱনু নাই, সন্দেশ নাই। থাকিলেও তোক সেইবোৰ খাবলৈ নিদিওঁ। সেই কাৰণেহে তই ঘৰে ঘৰে জিভা বাটি ফুৰ। কঙালৰ ছৱালৰ নিচিনা তোৰ এনে লুতুৰা স্বভাৱ কেলৈ হল গোপাল? এই কথাই কথা নহয়। তোক মই ভালযুতীয়া মাৰে সমুচিত শিক্ষা দিহে এৰিম যাতে আগলৈ আৰু কোনো গোপীৰ ঘৰত জিভাৰ খজুৱতি মাৰিবলৈ নেযাৱ।"

***ক'লাচোৰৰ গাজনি*:**—শ্ৰীকৃষ্ণই মাকৰ ইমানবোৰ নিমৰমিয়াল গালি নমতা-নোবোলাকৈ মুখ ওফোন্দাই শুনি আছিল। মাকে গালি পাৰি অতোৱাত তেওঁ লাহে লাহে গোদোহা মাতেৰে সমিধান দিলে,—হে আই! তুমি আজি মোক অনাহকত ইমানবোৰ ককৰ্থনা কৰিলা। যি ক'লা ক'লা, মই আৰু সহ্য নকৰিম এক। পুৰণি কলহ এটা ভঙাত দুই কড়ি ধন হানি হল। তাতেই তোমাৰ গা বেজবেজাই গৈছিল। তুমি মোৰ আগত বৰ ডাঙৰ মানুহৰ জী হৈ দেখুৱাইছা। কাঠবাজী হওতে তোমাৰ জনম গৈছিল। মই জনম লৈ জানিবা তোমাক সেই অপযশৰ হাত সকৱালো। মোৰ আগত কি বৰ বাহাদুৰি মাৰি দেখুৱা? তোমাৰ নিচিনা

বোধকৰোঁ। কাৰো এনে কাঠচিতীয়া মাক নাই। মোক ইমানবোৰ নিমৰমিয়াল কথা কবলৈ তোমাৰ বেয়া নেলাগিলনে? নিজৰ লৰাকে যদি তুমি মৰম কৰিব নেজানা তেন্তে আনৰ মোল কি বুজিবা? সকলোৰে আগত তুমি মোৰ লৱনু-চোৰ নাম জাহিৰ কৰি দিলা। আৰুনো তুমি মোক কি কৰিবলৈ বাকী এৰিলা? এনে অপমান মই কেতিয়াও সহিব নোৱাৰো। তোমাৰ ঘৰ এৰি পলাই যাম তেতিয়াহে তোমাৰ দৰ্প চূৰ্ণ হব। পিছত মোক নাপাই হিয়া-মূৰ ধাকুৰি কান্দি ফুৰিবা।"

**সামৰণি ঃ**—শ্ৰীকৃষ্ণৰ মুখত এনেবোৰ ভাবুকি শুনি যশোদাৰ মুখৰ মাত হৰিল। তেওঁ সকলো কথা পাহৰি গৈ আতৌপিতৌ কৈ পুতেকক দুই গালে দুটা চুমা খাই কোলাত তুলি ললে।

"যাহাৰ মায়াৰ অন্ত ব্ৰহ্মা হৰে নপাৱন্ত
হেন হৰি চাতুৰী খেলাই।
কহয় মাধৱ প্ৰভু আৰু কিছু নুবুলিয়ো
তোমাৰ জননী দুখ পাই॥"

# চোৰ ধৰা

**গোপীৰ ঘৰত বন্দী :**—আকৌ এদিনৰ কথা। সেই দিনাও শ্ৰীকৃষ্ণই গোপীৰ ঘৰলৈ গৈ লৱনু চুৰ কৰি হামোলা-হামোলে পেটত ভৰাইছে। সেই দিনাও তেওঁ গোপীৰ হাতত ধৰা পৰিল।

গোপীয়ে ভাবিলে—মাকৰ আগত গোচৰ দি একো লাভ নাই। এই লৱনু-চোৰক আজি নিজেই মই ভালদৰে এসেকা দিওঁ। এনে দৰে ভাবি তেওঁ চোৰ ধৰিবলৈ পাৰাৰ গোৱালীবিলাকক চিঞৰি চিঞৰি মাতিবলৈ ধৰিলে— "গোৱালীবোৰ! কোন কত আছা বেগতে আহাঁ। চোৰ ধৰা পৰিছে। মই দুৱাৰ বন্ধ কৰি থৈছোঁ। সোণকালে আহাঁ। নহলে মোকেই মাৰি-কিলাই চোৰ পলাব।" গোপীৰ আটাহ শুনি পাৰাৰ আন আন গুৱালীবোৰো তালৈ লৰি আহিল। চোৰ ধৰা পৰাত তেওঁবিলাকৰ মনত কি আনন্দ। এতিয়া এজাক গোপীৰ মাজত বন্দী শ্ৰীকৃষ্ণ।

**বন্দীৰ ফন্দী :**—শ্ৰীকৃষ্ণও শুদাই এৰা ভকত নহয়। তেওঁ ততালিকে ডাক দিলে—"শ্ৰীদাম, সুদাম, বিশাল,

ঋষভ, সুবল, অৰ্জ্জুন! তোমালোক কত আছা সোণকালে আহাঁ। মোক একেশ্বৰ পাই গোপিনী কেইজনীয়ে বৰ অতপালি লগাইছে।”

শ্ৰীকৃষ্ণৰ আকুল ডাক শুনি তেওঁৰ সখিয়েক গোপ-বালকসকলেও নিমিষতে আহি সেই ঠাই পালে। এতিয়া দুটা যুজাৰু দল হল। শ্ৰীকৃষ্ণৰ গোপবালকৰ দল শকত। গোপীবিলাকে সিহঁতৰ নেতা কানাইক তেনেভাবে অপমান দিয়াৰ বাবে পচতি দিবলৈ ককালত টঙালি বান্ধি আগ-বাঢ়ি গল।

এতিয়া শ্ৰীকৃষ্ণক পায় কোনে? তেওঁ গোপীবিলাকক গুজৰি-গুমৰি কবলৈ ধৰিলে—“হেৰেই মতাদাং গুৱালনী-বোৰ! তহঁতে জিভা চম্ভালিব নোৱাৰি নিজেই নিজৰ দধি দুগ্ধবোৰ খাই এতিয়া মোৰ গাত কলঙ্ক দিছ নহয়নে? মই তহঁতক জুতিপালি নিদিয়াকৈ শুদাই নেৰো।”

গোপীবিলাকে দেখিলে কথাৰ ধাৰ ওলোটা পাকেদিহে বৈছে। এতিয়া নিজেই উলটি বিপদত পৰাৰ সম্ভাৱনা। তাকে ভাবি তেওঁলোকে শ্ৰীকৃষ্ণক লৱনু চুৰি জগৰৰ পৰা ৰেহাই দি ঘৰলৈ যাবলৈ কলে। কিন্তু সিহঁতে এৰি দিলেও শ্ৰীকৃষ্ণই সিহঁতক এৰিব কিয়? তেওঁ সিহঁতক আজি লুভুনী চুৰুণী প্ৰমাণ নকৰাকৈ নেৰে। গোপীবিলাকে অগত্যা আন উপায় নাপাই শ্ৰীকৃষ্ণ আৰু গোপবিলাকক লৱনু খাবলৈ দি কথাটো সিমানতে খাপখুপ কৰি কলে।

***মোহন নৃত্য*** **:—** শ্ৰীকৃষ্ণই সিহঁতক মনমোহা নাচন এটা মাৰি দেখুৱালে।

"নাচতু গোৱিন্দ গোপিনী আগে
কৰ পাতি পাতি লৱনু মাগে।
যো কৰকমল ভকত ভয়হাৰী
সোহি কৰ পাতি মাগে লৱনু মুৰাৰি।"

নাচি উঠি শ্ৰীকৃষ্ণই কলে—"গোপিনীবিলাক! নাচি নাচি মোৰ বৰ ভাগৰ লাগিছে। যদি আৰু লৱনু খাবলৈ দিয়া তেনেহলে ইয়াতকৈও ভাল নাচন নাচি দেখুৱাম। গোপীবিলাকেতো এই নাচন চাবলৈকে সদায় বিচাৰি ফুৰে। সিহঁতে এনে এটা সোণালী ছেগ পাই বৃন্দাবনৰ মদনমোহনক লৱনু খুৱাই ফুৱাই নচুৱাবলৈ ধৰিলে।

"লৱনু খায়া নাচে কানাই
আনন্দে গোপিনী তাল বজাই।
যো হৰি এ তিনি ভুৱন অধিকাৰী
গোকুল মাজে সোহি লৱনু-ভিখাৰী।
ভকতি অধীন হৰি দীন দয়াল
কহয় মাধৱ গতি বাল-গোপাল।"

***যশোদাৰ হেম্বেলনি*** **:—**এইদৰে গোপীৰ ঘৰত নাচি বাগি শ্ৰীকৃষ্ণই বহু পৰ কটালে। সিফালেদি নন্দৰজাৰ অন্তেসপুৰত তেওঁ নথকাৰ বাবে হুৱাদুৱা লাগি পৰিল।

তেওঁ কলৈ গৈছে সেই কথা তাৰ কোনেও নাজানিছিল। কান্দি কাটি বাউলী হৈ যশোদা দেৱীয়ে নিজেই পুতেকক বিচাৰি ওলাল। দামুৰী হেৰুৱাই হেমেলিয়াই লৰি ফুৰা গাইজনীৰ দৰে তেওঁ বৃন্দাবনলৈ গৈ যমুনাৰ পাৰে পাৰে যাকে লগ পালে তাকে শ্ৰীকৃষ্ণৰ বতৰা সুধিলে। যমুনাৰ পাৰত এজন গুৱালক লগ পাই তেওঁ সুধিলে—"হেৰা বাটৰুৱা কাই! কববাত মোৰ লৰাটি দেখিছিলানে?"

"ভণ্টা খেলাইতে শ্ৰমজলে সোহে মুখ
সুন্দৰ বদন নিৰখিতে মিলে সুখ।
কুবলয় দল জিনি শোভে শ্যাম তনু
পথে পথে যশোদা পুছয় পুনু পুনু।"

বাটৰুৱাই তেওঁক সন্তোষজনক সবিধান দিব নোৱাৰিলে। যশোদাই বৃন্দাবনৰ এপাত বন দুপাত কৰি ফালি পুতেকক বিচাৰিলে। কতো একো চিন নাপাই পুতেকৰ গুণ বৰ্ণনা কৰি কৰি তেওঁ বিলাপ জুৰিলে। ঘনে ঘনে মাটিত মূৰ্চ্ছা গৈ পৰিল।

শেষত এজনী গোপীৰ লগত তেওঁৰ ভেট হল। গোপীয়ে তেওঁ কেলৈ তেনেকৈ কান্দি-কাটি বাউলী হৈছে সুধিলে। যশোদাই কলে—"ভাল সুধিছ আই! মোৰ মান অভাগিনীক কথা নোসোধাই ভাল। মই বহুত পুণ্য কৰি দেৱতাৰ বৰত শ্ৰীকৃষ্ণক পুতাই লাভ কৰিছিলো। সেই প্ৰাণপুত্ৰ কৃষ্ণ খেলা খেলিবলৈ বিহানতে ওলাই

আহিছিল। এতিয়াও ঘৰলৈ উলটি যোৱা নাই। কতো তাক বিচাৰি নাপালো। কৃষ্ণ অবিহনে মোৰ প্ৰাণ যে নৰয়।”

“বিহানে বজাইল খেড়ি খেদাইবাৰ তৰে।
ভৈগৈল বিয়াল পুত এভো নাইল ঘৰে॥
যমুনাৰ তীৰে তীৰে ফিৰে নন্দজায়া।
ভৈলা অচেতন সতী পুত্ৰক নপায়া॥
নয়নে নিগড়ে নীৰ কান্দে যশোমতী।
কাহে গৈলা পাইবোঁ লাগ পুতা যদুপতি॥
ধৰণী লুটিয়া স্ফুৰিত ভয়ো নাই।
কহয় মাধৱ হৰি বিনে গতি নাই॥”

এই কথা শুনি গোপীজনীয়ে যশোদাক আগৰ পৰা শুৱিলৈকে শ্ৰীকৃষ্ণৰ চল-চাতুৰীৰ সকলো কথা ভাঙি-পাতি কলে আৰু তেওঁক নটুৱা কানাইক দেখুৱাবলৈ লৈ গল।

**মাক-পুতেক এক-গোট** :—যশোদাই গৈ দেখে শ্ৰীকৃষ্ণই গোপীবিলাকৰ মাজত নানা অঙ্গী-ভঙ্গীৰে নাচি আছে আৰু গোপীবিলাকে তেওঁক নাচৰ মাজে মাজে লৱনু খাবলৈ দিছে। নিজৰ পুত্তেকক দেখা পোৱা মাত্ৰকতে যশোদাৰ গোটেই শৰীৰ জুৰ পৰি গল। তেওঁ ততালিকে হাত মেলি শ্ৰীকৃষ্ণক কোলাত তুলি ললে। মুখত চুমা খাই পৰম আনন্দ লাভ কৰিলে।

শ্ৰীকৃষ্ণই মাতৃৰ স্তন পান কৰি মাকৰ মুখলৈ চাই কান্দি কান্দি গোপীবিলাকৰ উদ্ভণ্ডালিৰ কথা জনালে আৰু সিহঁতৰ লুতুৰা স্বভাৱৰ বাবেই যে তেওঁ কষ্ট পাবলগীয়া হৈছিল তাকো এখনিকে দহখনি কৰি লগালে।

"লৱনু-চোৰ ধৰি আছয় গোৱালী।
কৰত কনাই চোৰ চাতুৰালী॥
পৰাকহোঁ লোক মানত হৰি সাক্ষী।
হাতক লৱনু গোপিনী মুহে মাখি॥
বোলত কানাই হামু কৈছে চোৰ।
তুহু চুৰণী মুখহি সাক্ষী তোৰ॥
লাজল গোপী উত্তৰ নাহি আটে।
দেখলোঁ কানাই ভিজনল ৰাজবাটে॥
আঞ্চোৰে ধৰি আনত হৰি টানি।
কাতৰ কৰত গোপী ভঙ্গ মানি॥
শুনিয়ে তাপ তেজল যশোমাই।
কহয় মাধৱ গতি বালক কানাই॥"

**চোৰৰ জয়** :—যশোদায়ো পুতেকৰ কথাকে মানি লৈ গোপীবিলাককহে উত্তম-মধ্যম দি কলে—"হক্ৰেধা চাণ্ডী গোৱালীবোৰ! দাসীৰ দাসী! তহঁতে মোৰ এই দুধকণ্ঠ বালক শ্ৰীকৃষ্ণক মিছাতে চোৰ বুলি কলঙ্ক দিছিলি। ছিঃ তহঁতৰ মুখত ছাই পৰোক। হে বাপু কৃষ্ণ! তই আৰু কেতিয়াও

এই বান্দীবোৰৰ ঘৰলৈ নাযাবি। মোৰ ঘৰত দধি দুগ্ধ লৱনু তই যিমান খাব পাৰ মই খাবলৈ দিম। বাপু কৃষ্ণ! তই মোৰ কোটি পুৰুষৰ দেৱতাৰো দেৱতা, মূৰৰ মুকুট. ডিঙিৰ সাতশৰী, বুকুৰ শীতল চন্দন।"

এইদৰে যশোদাই গোপীবিলাকক এজাউৰি গালি শোধাই তাৰ পৰা খেদি পঠিয়ালে। নিজৰ ৰিহাৰ আঁচলেৰে শ্ৰীকৃষ্ণক ধুলি জোকাৰি বুকুত বান্ধি মুখত চুমা খাই নিজ গৃহলৈ লৈ আহিল আৰু ভাত শীতল পানীৰে স্নান কৰাই পঞ্চামৃত ভোজন কৰাই লৈ গাত সুগন্ধি চন্দন লিপি. দিব্যবস্ত্ৰ আৰু অলঙ্কাৰেৰে ভূষিত কৰাই শ্ৰীকৃষ্ণৰ সুন্দৰ মুখখনি চাই চাই যশোদা দেৱীয়ে পৰম সন্তোষেৰে থাকিল। এই সন্তোষ, এই আনন্দ মোক্ষতকৈও অধিক।

# কালিয় দমন

**ভকতৰ ভগৱান ঃ—**বৃন্দাবনৰ এঢ়াতিত বহু যোজন জুৰি এটা বৰ আহলবহল হ্ৰদ আছিল। সেই হ্ৰদত কালিয় নামেৰে এজন হিংসুক দুষ্ট প্ৰকৃতিৰ নাগে ৰাজত্ব কৰিছিল। কালী নাগৰ নিশ্বাসত বিহ ওলাইছিল। সেই বিহেৰে গোটেইটো হ্ৰদৰ পানীয়ে বিষাক্ত হৈ পৰিছিল। এদিন শ্ৰীকৃষ্ণই তেওঁৰ লগৰীয়া গোপ বালকবিলাকৰ সৈতে সেই হ্ৰদৰ পাৰত গৰু ৰখিবলৈ গল। দুপৰীয়াৰ ৰদত পিয়াহ লগাত গৰু-গাই আৰু গৰখীয়াবিলাকে সেই হ্ৰদৰ পানী খাবলৈ নামিল। তেওঁবিলাকে তাৰ পানীত বিহ থকাৰ কথা আগেয়ে জনা নাছিল। একোচলু পানী মুখত দিয়া মাত্ৰকে গৰখীয়াবিলাকৰ চকু লুটি খালে। গৰুবোৰৰো একে গতিয়েই হল। গৰু-গৰখীয়া ভাগে ভাগে কালী-হ্ৰদৰ পাৰত অচেতন হৈ পৰি থাকিল। শ্ৰীকৃষ্ণই নিলগৰ পৰা সেই শোকলগা দৃশ্য দেখা পাই তেওঁবিলাকৰ কাযলৈ আকুল হৈ লৰি গল। ইয়াকেই বোলে ভকতৰ ভগৱান। তেওঁ গৰু আৰু গৰখীয়াবিলাকৰ গাত মৰমেৰে হাত বুলাই

মধুৰ চাৱনেৰে সকলোকে চাবলৈ ধৰিলে। মোহন কানুৰ বঙ্কিম নয়ন দুটিৰ পৰা অমৃত দৃষ্টি বাহিৰ হল। সেই অমৃতৰ পৰশ পাই অচেতন হৈ পৰি থকা গৰু-গাই আৰু গোপ-লৰাবিলাকে নৱজীৱন লাভ কৰি উঠি বহিল।

**বিনামেঘে বজ্ৰপাত ঃ**—গোপ-গৰখীয়া সকলোৱে কৃষ্ণৰ কৃপাত নৱজীৱন লাভ কৰি তেওঁক জগৎ ঈশ্বৰ বুলি জানি বাৰে বাৰে তেওঁৰ চৰণত মূৰ দোৱালে।

গৰুও মৰিলে গুৱালো মৰিলে
কালী হ্ৰদৰ পানী খাই
তললৈ মূৰকৈ গুণে ভগৱন্ত
প্ৰাণীৰ হল এনে বিলাই।

গৰুৱে গুৱালে একত্ৰ কৰিয়া
হ্ৰদৰ তীৰত থই
ভকতৰ দুখ দেখি ভগৱন্ত
হ্ৰদত নামিলে গই।

শ্ৰীকৃষ্ণই দুৰন্ত কালী সৰ্পক দমিবলৈ তেওঁৰ কঁকালৰ পীত বস্ত্ৰখনি টানকৈ মেৰিয়াই লৈ কদম গছত উঠিলগৈ আৰু কদম গছৰ ডালৰ পৰা জাপ মাৰি বিষময় হ্ৰদৰ মাজতে পৰিল। বলৱন্ত শ্ৰীকৃষ্ণৰ প্ৰচণ্ড প্ৰতাপত হ্ৰদৰ পানীত ধুমুহাৰ দৰে খলকনি উঠিল। বনমালীয়ে নানা বিধৰ

সাঁতোৰ মেলি তাত জলকেলিত মতলীয়া হল। পৰ্ব্বতৰ সমান ডাঙৰ ঢৌবোৰে তাল-আফাল কৰিবলৈ ধৰিলে।

শান্তিময় হ্রদৰ পানীত তেনেকুৱা অশান্তিৰ সৃষ্টি হোৱা দেখি নাগৰাজ দুষ্ট কালীৰ খঙে তালুৰ আগ পালে। সি ভাবিলে —"মোৰ এই অকণ্টকা ৰাজ্যত কি সাহেৰে ওঠ চেপিলে পিয়াহ ওলোৱা লৰা এটাই এনে উদণ্ডালিখন লগাইছেহি। ঘনশ্যাম বৰণীয়া, পীত বসন পিন্ধি থকা, কৌস্তুভ কিৰীটি কুণ্ডল কঙ্কণ আদিৰে ৰঞ্জিত সুশোভিত হোৱা গোপালক সি সামান্য মানুহৰ লৰা হেন ভাবি মধ্যস্থানত দংশন কৰিলে। পৰম ঈশ্বৰ গোপালেও মানুহৰ লৰাৰ নিচিনা সেই বিষাক্ত দংশনত জৰ্জ্জৰিত হৈ ঢলি পৰিল।

"নেজানি কালীয়ে মেৰাই ধৰিলে
গুৱালৰ শিশু বুলি।
জাম্প দিয়া কৃষ্ণে শিৰতে উঠিলে
কালীৰ মূৰে ভাঙো বুলি॥
আমাৰে কৃষ্ণাইকে কালী সৰ্পে দংশিলে
কি লাগি জীৱন ধৰো।
আহাঁ সখীসৱ কৃষ্ণৰ বিৰহে
জলে জাম্প দিয়া মৰো।
যমুনাৰ তীৰতে গোপী নাম ললে
মণ্ডলি আকাৰ কৰি।

যদি দয়া আছে ওলাই দেখা দিয়া
গোপীৰ প্ৰাণধন হৰি ॥
যমুনাৰ কোল নামেৰেই আন্দোল
নেত্ৰ বহি আছে মোৰ
প্ৰাণ বান্ধৱ গোৱিন্দ মাধৱ
কিয় হই আছা ভোল ।”

গোপীবিলাকৰ মাজত বিনামেঘে বজ্ৰপাত হল । সিহঁতে কান্দি কান্দি সেই নিজান কালী হ্ৰদৰ পাৰত হুৱাহুৱা লগালে । কৃষ্ণ-অবিহনে দিন দুপৰতে বৃন্দাবন ঘন-ঘোৰ আন্ধাৰ হৈ গল ।

***গোকুলত বিমঙ্গল*** :—সিফালেদি গোকুলতো নানা ৰকমৰ বিমঙ্গলৰ চিনে দেখা দিলে। ঘনে ঘনে ভূঁইকঁপ হৈ মাটি কঁপিবলৈ ধৰিলে। ঘৰে ঘৰে ফেকুৱাই আৰাৱ কৰিলে। বা-বতাহ নোহোৱাকৈয়ে ডাঙৰ ডাঙৰ গছবোৰ উভালি পৰিল। তিৰোতাৰ দক্ষিণ অঙ্গ আৰু পুৰুষৰ বাম অঙ্গবোৰত কম্পন হৈ অমঙ্গল সূচালে। সেইবোৰ দেখি গোকুলবাসীৰ বৰ ভয় লাগিল। তেওঁলোকে এনেবোৰ অমঙ্গলৰ কাৰণ ঠাৱৰাব নোৱাৰিলে। গোকুলৰ ৰজা নন্দ আৰু তেওঁৰ ৰাণী যশোদায়ো চিন্তাত আকুল হৈ বৃন্দাবনলৈ ঢাপলি মেলিলে। তাতেই কিজানি তেওঁবিলাকৰ পুতেক কিবা বিপদৰ মুখত পৰিছে।

"যশোদা আকুলি শোকে ফোকাৰে দুখিনী
সঙ্গে যায় শোকে-তাপে যতেক গোপিনী।"

বৃন্দাবন সোমাই তেওঁবিলাক আটাইবিলাকে গোপালৰ খোজে খোজে গৈ কালী হ্রদৰ পাৰত উপস্থিত হল। আঁতৰৰে পৰা তেওঁ হ্রদৰ পানীৰ ফালে চাই ইনাইবিনাই কান্দি থকা গোপিনীবোৰৰ আৰাও শুনি ধৈৰ্য্য হেৰুৱালে। সকলোৱে লৰি লৰি গৈ সেই ঠাই পালে। তাত গৈ যি দেখা পালে তেনে দৃশ্য যেন সাত শত্রুৱেও দেখা নাপায়। ভয়ঙ্কৰ সাপৰ বিহ লাগি মাখনৰ পুতলী শ্রীকৃষ্ণ মৃতপ্ৰায় অচেতন হৈ পৰি আছে। তেওঁৰ চকুত নিমিষ নাই। নাকত নিশ্বাস নাই। তাকে দেখা পাই গোপ-গোপীৰ শোকত দুখত জীৱ উৰি গল। তেওঁলোকে কান্দি কান্দি কৃষ্ণৰ শোকত বলিয়া হৈ ঘনে ঘনে মূৰ্চ্ছা গৈ মাটিত ধাচ কৰি পৰি কান্দিবলৈ ধৰিলে।

**আকুল বিননি ঃ**—গোপীবিলাকে শ্রীকৃষ্ণৰ গুণ বৰ্ণাই কান্দি কান্দি কবলৈ ধৰিলে—"হে নিষ্ঠুৰ কৃষ্ণ! তই আমাক এৰি কলৈ পলালি? হে প্ৰাণবান্ধব মাধৱ! তই তোৰ এই কিঙ্কৰীবিলাকক এৰি থৈ কলৈ গলি? হে জীৱন নাথ! আমাকো তোৰ লগত লৈ যা। তোৰ বিনে আমাৰ জীৱন নবয়। তোৰ শোকতে আমি ইয়াতে মৰিম। তোৰ চান্দমুখখনি নেদেখাকৈ আমি এদিন, এক মুহূৰ্ত্তও জীয়াই

থাকিব নোৱাৰোঁ।” এইদৰে বিনাই বিনাই আউলিবাউলী হৈ গোপীবিলাক মাটিত অচেতন হৈ পৰিল।

তাৰ পিছত যশোদাই কিঞ্চিৎ চেতনা পাই উঠি বহিল। কৃষ্ণ-শোকৰ জুয়ে তেওঁৰ অন্তৰ পুৰি মাৰিছে। পুত্ৰৰ মুখলৈ চাই চাই তেওঁ বিনাবলৈ ধৰিলে—“হেৰ প্ৰাণ মাধাই! কিমান তপস্যা কৰি তোৰ নিচিনা পুত্ৰ-ৰত্ন এই দুখুনীয়ে লাভ কৰিছিলো। আজি অলপ কাৰণতে কিয় তই এই অভাগিনীক তাজি গলি? চা সোণাই! তোৰ সন্তাপত মোৰ প্ৰাণ নৰয়। হায় হায়! মোৰ প্ৰাণ-পুতাইক কোনে লৈ গল? আজি গধূলি মোহন বাঁহী বজাই বজাই কোন ব্ৰজলৈ উলটি যাব? কাক মই ধূলি জোকাৰি বুকুত সুমুৱাই লম? হেৰৌ মহাপানী সৰ্প! তই মোৰ পুত্ৰৰ প্ৰাণ লীলি। আহ, মোকো দংশন কৰহি। মই বুকু পাতি দিছোঁ।

“পুতাই মাধৱ ঐ! কি মোৰ কপাল
কৰ ই দাৰুণ সৰ্প হল তোৰ কাল!
কলৈ গলি অগনি জ্বালি মোৰ গাৱ
কোনে আহি মাতিব মোক বুলি মোৰে মাৱ!
ধূলা জাৰি কাক মই লম বুকুত তুলি
কেনি গলি কোনফালে তই বনমালী!
মধুৰ অধৰে ধৰি কোনে বজাব বেনু
পুৱাতে মেলিব কোনে গোকুলৰ ধেনু!

বিনা দোষে প্ৰাণপুত্ৰ ত্যজি গলি মোক
নোপোৱাই পালোঁ, পায়ো হেৰুৱালো তোক !"

এইদৰে নানাভাবে বিলাপ কৰি তেওঁ আকৌ ঢলি পৰিল। আকৌ উঠিল, আকৌ পৰিল। গোপগোপী নন্দ-যশোদা সকলোৱে কৃষ্ণ কৃষ্ণ বুলি চিঞৰত গগণ বিদীৰ্ণ কৰি হ্ৰদৰ পানীত জাপ দি পৰি মৰিবলৈ গল। বলৰামেহে জানিবা কোনোমতে তেওঁলোকক বাট আগছি ধৰি জীৱন ৰক্ষা কৰিলে।

বলায়ে কলে—'পূজনীয় পিতৃমাতৃ! মৰমৰ গোপ-গোপী-সকল! তোমালোকে নভবা-নিচিন্তাকৈ কিয় এনে কুকৰম কৰিবলৈ ওলাইছাহঁক? তোমালোকে ইমান দিনেও শ্ৰীকৃষ্ণক চিনি নেপালানে? ধৈৰ্য্য ধৰি চাই থাকাচোন। তেওঁ দুষ্ট কালীক দমন কৰি তাৰ মুখত চূণ-কালি সানি অলপ পিছতে পুনৰ আমাৰ মাজলৈ আহিব। সকলোৱে শোক-তাপ এৰি উঠি বহা। ধেমালি চোৱাহঁক।"

*দৰ্পচূৰ্ণ* :—শ্ৰীকৃষ্ণই সাপৰ বিষত দুই দণ্ডমান নিঢাল দি পৰি আছিল। কিন্তু তেওঁ বেছি পৰ মৰমৰ পিতৃমাতৃ আৰু গোপ বালক-বালিকাবিলাকৰ দুখ চাই থাকিব নোৱাৰি উঠি বহিল আৰু দুৰ্জ্জয় বলেৰে কালী নাগক আক্ৰমণ কৰি আজোৰ এটা মাৰি দিলে। সেই দুষ্ট নাগে সৰু লৰা এটিৰ আক্ৰমণ সহ্য কৰিবলৈ টান পালে। সেই সামান্য আজোৰ এটাতে তাৰ ধাতু বাহিৰ হবলগীয়া হল। সি শ্ৰীকৃষ্ণক এৰি

দি হাজাৰ ফণা মেলি ফোপাই ফোপাই দূৰৰ পৰা তাৰ প্ৰাণবৈৰীক চাবলৈ ধৰিলে। খণ্ডত তাৰ চকু দুটা দুকুৰা জুইৰ দৰে জ্বলিবলৈ ধৰিলে। জবা ফুলৰ নিচিনা ৰঙা জিভাখনিৰে সি কোৱাৰি দুটাকে চেলেকি থাকিল। তাক তেনেকৈ থৰ হৈ থকা দেখি শ্ৰীকৃষ্ণই তাৰ চৌপাশে নাচি নাচি কেইটামান পাক দি এবাৰ জাপ এটা মাৰি তাৰ মূৰত উঠি ললে। তাৰ পিছত শ্ৰীকৃষ্ণই দুৰ্জ্জন কালীৰ মাথাত চৰি ৰঙা পাৱ দুখনিৰে তাৰ ফণাত গচকি গচকি লয়লাসেৰে নৃত্য কৰিবলৈ আৰম্ভ কৰিলে। কানুৰ এই মোহন নৃত্য চাবলৈ আকাশৰ পৰা গন্ধৰ্ব্ব-বিদ্যাধৰসকলো নামি আহিল। তেওঁবিলাকে তাল কৰতাল মৃদঙ্গ আদি স্বৰ্গীয় বাজনা লৈ নাচৰ তালে তালে বজাবলৈ ধৰিলে।

"কাল কানু চৰণ চৰায়,
কৰে কৌতুকে নৃত্য কেশৰ ৰায়।
অৰুণ চৰণ চৰায়ৰে—
দেৱ-মুনি শিৰে পুষ্প বৰীষ
হৰিষে হৰি-গুণ গায়ৰে॥
কাল কালীৰ মাথে থই ভৰি
পীড়ি ক্ৰীড়ি কানু নাচেৰে—
মৃদঙ্গ দিমি দিমি নাছে দুন্দুভি
নানা দেৱবাদ্য বাজেৰে॥"

জগতৰ পৰমগুৰু নাৰায়ণ শ্ৰীগোপালৰ ভাৰ সহিৰ

নোৱাৰি কালী অচেতন হৈ পৰিবৰ উপক্ৰম হল। সি দুই চকুৰে ধোঁৱাকোঁৱা দেখিলে। তাৰ নাকে-মুখে তেজ বাহিৰ হবলৈ ধৰিলে। তাৰ মুখৰ মাত-বোল নোহোৱা হল। সকলো দৰ্প দৰ্পহাৰী ভগৱন্তই চূৰ্ণ কৰিলে। এইপালি ঔষধ পাই দুষ্ট কালীয়ে সেও মানিলে। তাৰ মন নিৰ্ম্মল হল। কৃষ্ণক সি তেতিয়াহে পৰম পুৰুষ বুলি জানি অৰুণ চৰণ দুটিত শৰণ ললে।

***পতি পৰম গতি*** ঃ—কালীৰ এনে দুৰৱস্থা দেখি নাগপুৰীতো হুলস্থূল লাগি গল। কালীৰ ঘৈণীয়েক নাগ-তিৰোতাবিলাকে গিৰয়েক তেনেভাবে নগুৰ-নাগতি হোৱা দেখি মূৰ্দ্ধাচ্যুত হল।

"আকাশে দুন্দুভি বাজে, বাজে শঙ্খধ্বনি
কালীৰ শিৰত ভৰি দিয়া নাচে যদুমণি।
প্ৰাণ-দান দিয়া প্ৰভু স্বামী-দান দিয়া
কালী-হ্ৰদে পৰি আছো উদ্ধাৰিয়া থোৱা।
নাগপত্নী স্তুতি কৰে হৰি মোৰ প্ৰাণ
আঞ্চল পাতিয়া মাগোঁ দিয়া স্বামীদান।"

সিইঁতে আন উপায় নেপাই কান্দি কান্দি কোলাত কেচুৱাবিলাক সাৱটি ধৰি অগতিৰ গতি শ্ৰীকৃষ্ণক স্তুতি কৰি আৰ্ত্তনাদ কৰিবলৈ ধৰিলে।

"অতি ঘোৰ অপৰাধ আচৰিলে স্বামী
বিহিলা উচিত দণ্ড দয়াময় তুমি।
পুৰাণ-পুৰুষ তুমি সনাতন হৰি
দুষ্টক দমন হেতু আছা অৱতৰি।
লক্ষ্মী ব্ৰহ্মা মহেশ প্ৰভৃতি দেৱগণে
যিটো পদৰজ খুজি নাপায় যতনে।
তাপসিক ক্ৰূৰ কালী মূৰ্খ সৰ্প জাতি
কিদৰে লভিলে সেই পদধূলা আতি।
নমো নমো অনন্ত শকতি নাৰায়ণ
কাৰণৰো কাৰণ তুমিহে অকাৰণ।
নমো নমো অতৰ্ক মহিমা দেৱহৰি
জগতকো ব্যাপি আপুনি আছা ধৰি।"

"হে পৰম পুৰুষ পৰমেশ্বৰ! তোমাৰ পাদ-প্ৰহাৰত আমাৰ স্বামীৰ প্ৰায় মৰোঁ মৰোঁ অৱস্থা। সেই দুৰ্জ্জনে নাজানিহে তোমাক দংশিলে। হে গোঁসাই! এই বাৰলৈ তেওঁৰ দোষ মৰিষণ কৰা। তোমাৰ আগত তেওঁ এটা ক্ষুদ্ৰ পতঙ্গ। চোৱা প্ৰভু! স্বামীৰ ধাতু বাজ হওঁ হওঁ। তেওঁ যিমান লাগে শাস্তি পালে। হে পৰমেশ্বৰ শ্ৰীকৃষ্ণ! স্বামীক মাৰি আমাক অনাথিনী নকৰিবা। তোমাৰ আগত আমি চুলি ছিঙি কাতৰ কৰি দন্তে তৃণ ধৰি আঁচল পাতি স্বামী-দান মাগিছোঁ।"

"তুৱা পাৱে বিদিত সতীৰ পতি প্ৰাণ
মাগিছো আঁচল পাতি আমি স্বামী-দান।

মৰাৰ জীৱন দিয়া, প্ৰাণ ফুটি যায়
পাপীৰ সকলো দোষ মৰষা গোঁসাই !
চৰণত ধৰি মাতো আমি নাগনাৰী
নকৰিবা জীয়া-বাৰী দয়াশীল হৰি।"

নাগনাৰীবিলাকৰ করুণ প্ৰাৰ্থনা শুনি দয়াৰ সাগৰ শ্ৰীকৃষ্ণ তেওঁবিলাকৰ প্ৰতি প্ৰসন্ন হ'ল। তেওঁৰ অন্তৰত কৃপা উপজিল। তেওঁ মিচিকিয়া হাঁহি এটা মাৰি নাগিনীবিলাকক সম্বোধন কৰি কলে—"কালীৰ ভাৰ্য্যা নাগনাৰীসকল ! তোমালোকে সন্তাপ পৰিহাৰ কৰা। এই চোৱা মই তুৰ্জ্জন কালীক ক্ষমা কৰিলো। এইবুলি তেওঁ কালীৰ ফণাৰ পৰা মাটিলৈ নামি আহিল।

**মুক্তিৰ অমিয়া** :—কালীয়ে যেন যমৰ নগৰৰ তুৱাৰমুখৰ পৰাহে উভতি আহিল। মহাপীড়া পাই সি তলমূৰকৈ ফোপাবলৈ ধৰিলে। তাৰ সকলো দৰ্প-অহঙ্কাৰ মষীমূৰ চূৰ্ণাকৃত হৈ গল। সিও জগৎজীৱন শ্ৰীকৃষ্ণৰ আগত আঠু লৈ স্তুতিগীত জুৰিলে—

"জয় জয় জগত-মহেশ্বৰ
ব্ৰহ্মা শঙ্কৰ যাৰ কিঙ্কৰ।
দংশিলো দেৱ নাজানি
মৰষা দোষ আপুনি।
মই মূঢ়মতি জ্ঞানী
দিয়া প্ৰভু পদ তুখানি।"

"হে পৰম পুৰুষ নাৰায়ণ শ্ৰীকৃষ্ণ! মোক পৰম আপদ বিষয়-জঞ্জালৰ পৰা মুক্ত কৰা। মই গলত জোলোঙা আঁৰি ভিক্ষা মাগি মাগি তোমাক চিন্তা কৰি তোমাৰ নাম-গুণ কীৰ্ত্তন কৰি ভ্ৰমি ফুৰো। হে বাপ জগন্নাথ! মোক ৰক্ষা কৰা। ৰক্ষা কৰা।" এই বুলি কালী নাগে সাষ্টাঙ্গপাত প্ৰণিপাত জনাই শ্ৰীকৃষ্ণৰ চৰণত দীঘল দি পৰিল।

শ্ৰীকৃষ্ণয়ো আলফুলকৈ তাৰ মূৰত অমৃতময় হাত দুটি ফুৰাই কবলৈ ধৰিলে—"উঠা, উঠা সৰ্পৰাজ কালী! তুমি আৰু একো ভয় কৰিব নালাগে। মোৰ কৃপাত তুমি মোহমায়া সকলোৰে পৰা উদ্ধাৰ পালা। সম্প্ৰতি তুমি এই যমুনাহ্ৰদৰ পৰা সপৰিয়ালে তোমাৰ আগৰ ঠাই ৰমণক দ্বীপলৈ যোৱা। তাতে বাস কৰাগৈ! গৰুড়ৰ কাৰণেও তুমি ভয় নকৰিবা। মোৰ চৰণৰ চিন ধ্বজ, বজ্ৰ পঙ্কজৰ তোমাৰ ফণাত সাঁচ বহি ৰল। এই চিন দেখা পালে গৰুড়ে মোৰ ভয়ত তোমাক একো নকৰে।"

শ্ৰীকৃষ্ণৰ মুখৰ এই নিৰ্ভয় বাণী শুনি কালীয়ে সপৰিয়ালে যদুনাথক আকৌ এবাৰ প্ৰণাম জনালে। মূৰে-গায়ে তেওঁৰ চৰণৰ ধূলি সানি ললে। তাৰ পিছত সকলোটিয়ে শ্ৰীকৃষ্ণক চিন্তি চিন্তি সেই ঠাইৰ পৰা বিদায় হয়।

**যতে ৰাতি ততে কাতি ঃ**—এইদৰে শ্ৰীকৃষ্ণই দুৰন্ত কালীক ভালমতে এসেকা দি সেই হ্ৰদৰ পৰা দূৰ কৰি

খেদি পঠিয়ালে। তাৰ পিছত তেওঁ নাচি নাচি হাঁহি হাঁহি কালিন্দীৰ তীৰলৈ আহিল। পুনৰ শ্ৰীকৃষ্ণৰ জয় ৰবেৰে বৃন্দাবনৰ আকাশ-বতাহ মুখৰিত হৈ উঠিল। যোগী-ঋষি গোপগোপী সকলোৱে শ্ৰীকৃষ্ণৰ জয়ধ্বনি দি আনন্দত মতলীয়া হল। নন্দ-যশোদাই বাহু মেলি পুতেকক সাৱটি ধৰিলে। ঘনে ঘনে তেওঁৰ শিৰ স্থুঙি আনন্দৰ লোতকেৰে গা তিয়াই পেলালে।

যশোদাই কলে—"পুতাই কৃষ্ণ! কি কাৰণেনো এই হ্ৰদৰ মাজত জাপ দিছিলি? বুজিছো, আমাক মৰিয়াই মাৰিবলৈ বিচাৰিছিলি নহয়নে? তোৰ সন্তাপত আমাৰ প্ৰাণ-বায়ু যাওঁ যাওঁ হৈছিল।" মৃত পুত্ৰক পাই নন্দ ৰজা আৰু যশোদাৰ আনন্দৰ পাৰ নোহোৱা হল। দূৰতে হাঁহি হাঁহি-ধেমালি চাই থকা বলোভদ্ৰয়ো কাষ চাপি আহি ভায়েকক আনন্দতে গবা মাৰি ধৰিলে। তেতিয়া শ্ৰীকৃষ্ণই মাক-বাপেক ককায়েক আৰু লগৰীয়াসকলক সেইদিনা গকুললৈ উলটি নগৈ তাতে থাকিবলৈ অনুৰোধ জনালে। তেওঁৰ সেই সাদৰী অনুৰোধত বাধা দিওতানো কোন? তেওঁবিলাক সকলোৱে সেই ৰাতি যমুনাৰ পাৰতে বঞ্চিবলৈ যো-জা কৰিলে।

***বনাগ্নি পান*** ঃ—ৰাতি নিঃপালি দিলে। নন্দ-যশোদা গোপ-গোপী সকলো টোপনিত লালকাল হৈ পৰিল। পেটৰ ভোকেও তেওঁবিলাকৰ টোপনিত সহায় কৰিলে। তেওঁলোক

সেইদৰে নিদ্ৰা গৈ থকাত বনত জুই লাগিল। একুৰা ডাঙৰ বনৰ জুয়ে ব্ৰজবাসীসকলক বেঢ়ি ধৰিলে। জুইৰ শব্দ শুনি আৰু তাপ পাই সকলোৰে নিদ্ৰা ভঙ্গ হল। বিস্ময়ত অভিভূত হৈ সকলোটি জাগি উঠিল। প্ৰচণ্ড জুই দেখি সকলোৰে অণ্ঠকণ্ঠ শুকাই গল। ভয়ত শৰীৰ কঁপিবলৈ ধৰিলে। শ্ৰীকৃষ্ণৰ অভয় চৰণত শৰণ লৈ তেওঁলোকে ত্ৰাহি ত্ৰাহি বুলি চিঞৰি হুৱাহুৱা লগালে।

ভকতৰ ভয়হাৰী শ্ৰীকৃষ্ণৰ সেই আৰ্ত্তনাদ শুনি প্ৰাণ গলি গল। তেওঁ ভকতৰ ভয় দেখি কলে—"হে গোপগোপীসকল! মই বিদ্যমান থাকোতে তোমালোকৰ চিন্তা কিহৰ? নিৰ্ভয় মনেৰে বৈ মই কি কৰোঁ চাই থাকাহঁক।" এই বুলি তেওঁ সেই প্ৰচণ্ড জুইকুৰা একে হোপাই মুখেৰে চোহা এটা মাৰি নুমাই পেলালে। জুইৰ চিন-চাবেই নাইকিয়া হৈ গল। শ্ৰীকৃষ্ণৰ এনে অলৌকিক শক্তি দেখি গোপ-গোপীবিলাকে ইজনে সিজনৰ ভিতৰত কোৱাকুই কৰিবলৈ ধৰিলে—"ভাইসকল! দেখা, দেখা। এই নন্দৰ নন্দন শ্ৰীকৃষ্ণ নিশ্চয় মানুহ নহয়! তেওঁ মুখেৰে পান কৰি দপদপীয়া জুইকুৰা নুমাই পেলালে। কোন পৃথিবীৰ মানুহে এনে কাম কৰিব পাৰে? নিশ্চয়কৈ জানিলো, এই জনাই পৰম পুৰুষ নাৰায়ণ। এওঁ ভূমিৰ ভাৰ কমাবলৈ পৃথিৱীত মানুহৰ ঘৰত মানুহ হৈ জন্ম লৈছেহি। আমাৰ মান ভাগ্যবান কোন আছে? জগতৰ গুৰু নাৰায়ণক আমি খেলৰ সঙ্গী পাইছো।" এইবুলি

তেওঁবিলাকে নানাভাবে কৃষ্ণক প্ৰশংসিবলৈ ধৰিলে।

এইদৰে কালিয়-দমন, বন-জুই পান আদি লীলা-খেলা কৰি শ্ৰীকৃষ্ণই গোপ-গোপীবিলাকৰ লগত গৰুবোৰ আগত লৈ গোকুলমুৱা হল। কৃষ্ণই বাঁহী বজালে। ৰামে শিঙা ফুকালে। গোপবিলাকে কৃষ্ণগুণ গান গালে। গোপীবিলাকে শ্ৰীকৃষ্ণৰ মুখ-পঙ্কজ চাই চাই গোকুল পালেহি।

"গোকুল চলেৰে মুৰাৰু
নীল শৰীৰ ৰঞ্জিত পীত জ্যোতি
চাৰু হীৰ হেম হাৰু ॥
বাৱত বেণু ধেনু বেণু তনু
কানু কৌতুক কয় যাই।
গোপশিশু সঙ্গ অঙ্গ ত্ৰিভঙ্গম
ৰূপে ভুৱন ভুলাই ॥
সঙ্গিনী ৰঙ্গিনী গোপিনী গাৱে
ভাৱে নীৰ জুৰাৱে।
কানু কমল অমল মুহ হেৰি
চললু লহু লহু পাৱে ॥"

# পত্নী-প্ৰসাদ

**ভোকত কলমলনি ঃ—** এদিন দুপৰীয়া। বৃন্দাবনত ৰাম-কৃষ্ণই গোপবালকবিলাকৰ লগত গৰু ৰখি আছিল। গোপবালকবিলাকে গৰুগাইবোৰক যমুনালৈ লৈ গৈ পানী খুৱাই আনিলে। তাৰ পিছতে সিহঁতে নিজৰ পেটো ভোকত কলমলোৱা যেন পাই ৰাম-কৃষ্ণক কলে—"হে ৰাম! হে কৃষ্ণ! তোমালোকেই আমাৰ জীৱন। আমাৰ প্ৰাণ। আজি খুব প্ৰাতসতে একোগাল পইতা-কৰ্কৰা ভাত খাই ওলাই আহিলোঁ। লগতো খোৱা-বস্তু একো অনা নহল। এতিয়া আমাৰ বৰ ভোক লাগিছে। তোমালোকে সোণকালে কিবা এটা দিহা লগাই আমাৰ পেটৰ জুই নুমুৱা।"

বালকবিলাকৰ এনে অনুৰোধ শুনি শ্ৰীকৃষ্ণই মিচিকিয়া হাঁহি এটা মাৰি কলে—"হে সখিসকল! তেন্তে মই তাৰ এটা উপায় দিওঁ। সেইমতে কাম কৰাহঁক। ইয়াৰ অনতিদূৰত এখন ঋষিৰ আশ্ৰম আছে। তাত বহি স্বৰ্গ পাবলৈ মানস কৰি বিপ্ৰসকলে দিনে-ৰাতি যাগ-যজ্ঞ পূজা-সেৱা কৰিব লাগিছে। বেদশাস্ত্ৰত সুনিপুণ সেই বিপ্ৰসকলৰ ওচৰলৈ যোৱা। তেওঁবিলাকক মোৰ আৰু দাদাৰ নাম লৈ অলপ খোৱা-বস্তু প্ৰাৰ্থনা কৰিবা।

নিশ্চয় দিব ।” গোপ বালকবিলাকে সেই কথা শুনি শ্ৰীকৃষ্ণৰ আদেশ শিৰত তুলি নাচিবাগি আশ্ৰমৰ ফালে লৰ দিলে।

**আশ্ৰমত অন্নভিক্ষা** ঃ—আশ্ৰমৰ যজ্ঞশালাত সিহঁতে বিপ্ৰসকলক সাক্ষাৎ পালে। তেওঁবিলাকক নমস্কাৰ কৰি কৰযোৰে গোপবালকবিলাকে কলে— “হে গুৰুসকল! আপোনালোক পৰম ভকত। যাগযজ্ঞ দানধৰ্ম্মত ব্ৰতী হৈ আপোনালোকৰ অন্তৰ বিশুদ্ধ নিৰ্ম্মল হৈছে। সৌ অশোক গছৰ তলত বহি গোকুলৰ ৰাম-কৃষ্ণ গোপবালকবিলাকৰ সৈতে বৰ ক্ষুধাতুৰ হৈ পৰিছে। তেওঁবিলাকে আপোনাসকলক সামান্য অন্ন প্ৰাৰ্থনা কৰিছে। যদি ৰাম-কৃষ্ণলৈ আপোনালোকৰ লেশমানো শ্ৰদ্ধা-ভক্তি আছে তেনেহলে তেওঁবিলাকলৈ প্ৰচুৰ অন্নব্যঞ্জন পঠিয়াই কৃতাৰ্থ হওক। অন্নদানৰ পুণ্য নিজেও অৰ্জ্জন কৰক। আনকো শিক্ষা দিয়ক।” এই বুলি সিহঁতে ঋষিসকলক নানা ভাৱে অন্নভিক্ষা জনাই কাকুতি-মিনতি কৰিলে কিন্তু সিহঁতৰ কথাত তেওঁবিলাকে বিশেষ কাণ দিয়াৰ আৱশ্যক বুলি নাভাবিলে। ঋষিবিলাকৰ মনত ৰাম-কৃষ্ণ সামান্য গুৱালৰ লৰাৰ বাহিৰে আন একো নহয়।

**চন্দ্ৰভাৰতীৰ ক্ৰোধ** ঃ—বিপ্ৰসকলৰ মাজত চন্দ্ৰভাৰতী নামেৰে এগৰাকী অগ্নিশৰ্ম্মা বিপ্ৰ আছিল। গুৱালৰ লৰা-

কেইটাৰ এনে উগ্রসাহ দেখি তেওঁৰ খঙে চুলিৰ আগ পালেগৈ। তেওঁ ভাবিলে—"বৰ বৰ ঘোঁৰাই নাপায় ঘাহ, বতুৱা ঘোঁৰাই বিচাৰে মাহ। আমি নাৰায়ণ দেৱতালৈ কত যত্নেৰে ভোগ চৰাইছো। তেওঁক নিবেদিব নৌ পাওতেই সেই ভোগলৈ এই টটাটিঙা গুৱালৰ লৰা কেইটাই জিভা মেলিব লাগেনে?" তেওঁ গুজৰি-গুমৰি সিহঁতক কলে—"হেৰৌ কটা গুৱালৰ লৰাবিলাক! তহঁতৰ দেখিছোঁ বৰ সাহ। আমি বিপ্রসকল বেদশাস্ত্রত পৰম পৱিত্র হৈ আছো। আমিয়েই পৃথিবীৰ দেৱতা। সৰ্ব্বলোকে আমাক ভজনা কৰে। নন্দৰ লৰা কৃষ্ণ আমাৰ আগত কোন কুটা! ভালে ভালে তহঁত আমাৰ চকুৰ আগৰ পৰা আঁতৰ হ। এইবুলি তেওঁ খঙত উতলা ঘিউ যেন হৈ গোপবালক কেইজনক চুইহে নিকিলালে। গোপবালকবিলাকৰ পেটে পেটে হাঁহি উঠিল। খঙো উঠিল। এই মুৰুখমতি বামুণ কেইজনে এতিয়াও ৰামকৃষ্ণৰ স্বৰূপ জানিব পৰা নাই। তেওঁলোকে যজ্ঞৰ দেৱতা শ্রীকৃষ্ণক নেওচা দি অনাহকত যাগযজ্ঞ কৰি শৰীৰক কষ্ট দিছে।

সিহঁত সেই যজ্ঞশালাৰ পৰা গৈ সকলো কথা শ্রীকৃষ্ণৰ আগত বিৱৰি জনালে। শ্রীকৃষ্ণই সকলো কথা শুনি মিচিকিয়া হাঁহি এটা মাৰি কলে—"তেন্তে সখিসকল! এই বাৰ বিপ্রপত্নীসকলৰ ওচৰলৈ যোৱাহঁক। তেওঁবিলাকক আমাৰ ভোক লাগিছে বুলি কবাগৈ। এইবাৰো বালকবিলাক শ্রীকৃষ্ণৰ কথামতে বিপ্রপত্নীসকলৰ ওচৰলৈ গল।

*সোণালি সুযোগ* ঃ—গোপবিলাকে গৈ বিপ্ৰপত্নীসকলক আগৰ নিচিনাকৈ সবিনয়ে ৰামকৃষ্ণৰ প্ৰাৰ্থনা জনালে আৰু আহাৰ প্ৰাৰ্থনা জনালে। সেই প্ৰাৰ্থনা শুনি ব্ৰাহ্মণীসকলে বৰ সন্তোষ পালে। শ্ৰীকৃষ্ণক দেখা পাবলৈ এনে এটা সোণালি সুযোগ পোৱাৰ বাবে তেওঁবিলাকে নিজকে নিজকে ধন্য ধন্য মানিলে।

পৰম উলহমালহ কৰি গোপশিশুবিলাকক বহুৱাই থৈ তেওঁবিলাক ৰন্ধা-বঢ়াত লাগি গল। অতি অলপ সময়ৰ ভিতৰতে নানাবিধ অন্ন-ব্যঞ্জন পিঠা-পৰমান্ন যুগুত কৰিলে। সেই সুগন্ধি খাদ্য বিচিত্ৰ পাত্ৰত তৰহে তৰহে সজাই লৈ তেওঁবিলাক ৰাম-কৃষ্ণৰ ওচৰলৈ যাবলৈ ওলাল। পত্নীবিলাক এইদৰে যাবলৈ ওলোৱা দেখি বিপ্ৰসকলে হলে সমূলি ভাল নেপালে। হিংসাত তেওঁবিলাকৰ চকু পুৰিবলৈ ধৰিলে।

তেওঁবিলাকে ঘৈণীয়েকবিলাকক ৰাম-কৃষ্ণৰ ওচৰলৈ যাবলৈ বাধা দিলে। নানান অবাইচ মাতেৰে গালি-শপনি পাৰিলে। পতি আৰু পুত্ৰসকলৰ পৰা পোৱা এনে এটা বাধা-বিঘিনিয়েও ব্ৰাহ্মণীবিলাকক টলাব নোৱাৰিলে। ৰামকৃষ্ণৰ প্ৰতি তেওঁবিলাকৰ যি অচলা ভক্তি তাৰ তিল পৰিমাণেও নুটুটিল।

এজন খঙাল বামুণে তেওঁৰ ঘৈণীয়েকক ঘৰৰ ভিতৰত বলেৰে সুমুৱাই ৰাখি বাহিৰৰ পৰা দুৱাৰত দাং দিলে। সেই বামুনীজনীয়ে ৰাম-কৃষ্ণক দেখা নোপোৱাৰ শোকত

ৰাম-কৃষ্ণৰ নাম লৈ লৈ ঘৰৰ ভিতৰতে বৈকুণ্ঠী হল। কিবা কৰোতে কিবা হোৱা দেখি বামুণ-ঠাকুৰে বুকুত ভুকুৱাই ভুকুৱাই কান্দিবলৈ ধৰিলে। শ্ৰীকৃষ্ণক হিংসা কৰাৰ ফল তেওঁ হাতে হাতে ভোগ কৰিলে।

বাকীবিলাক বিপ্ৰপত্নীয়ে পৰম হৰিষেৰে কৃষ্ণৰ কাষ পালেগৈ। তেওঁবিলাকে গোঁসাইৰ ভুৱনমোহন ৰূপ দৰ্শন কৰি গালে—

"হাতে শিঙা, মুখে বেণু, নাকে বংশী বায়
বৃন্দাবনৰ মাজে প্ৰভু গোধন চৰায়।
"হাতে শিঙা, মুখে বেণু, মাথে মৈৰাৰ পাখি
বন পুষ্পমালা পিন্ধি ফুৰে ধেনু ৰাখি।
নন্দৰ ঘৰে যাদু তুমি আলাসৰ লাৰু
কোন সতে নন্দে তোমাক ৰখাইছে গৰু।
নন্দৰ ঘৰে চুৰি কৰি খাইছিলা ননী
হাতে ধৰি বান্ধিলেক নন্দৰ ঘৰিণী।
বনে বনে ফুৰা প্ৰভু বনৰ গুটি খাই
নাজানি-নুশুনি তুমি কাক বোলা আই।
লোকৰ লৰা ডাঙৰ দীঘল তুমি প্ৰভু সৰু
সিংহ-বাঘে লৰে চৰে তাতে ৰাখা গৰু।"

তেওঁবিলাকে ষড়ৰস অন্ন শ্ৰীকৃষ্ণৰ আগত নিৱেদিলে। দণ্ডৱত হৈ পৰি তেওঁক নমস্কাৰ কৰিলে।

***বিপ্ৰপত্নীৰ সৌভাগ্য*** ঃ—বিপ্ৰপত্নীসকলৰ তেনে অচলা ভক্তি দেখি শ্ৰীকৃষ্ণই কলে—"ব্ৰাহ্মণীসকল! তোমালোক পৰম ভাগ্যৱতী। তোমালোকে পতি-পুত্ৰ বন্ধু-বান্ধৱবিলাকৰ বাধা নামানি মোক দৰ্শন কৰিবলৈ আহিছাহঁক। তোমালোক মোৰ নিস্কাম ভকত। ভকতৰ মনোবাঞ্ছা পূৰণ কৰা মোৰ ধৰ্ম্ম। তোমালোকৰ প্ৰেম-ভক্তিত মই বশ হৈ ৰলোঁ। এতিয়া যজ্ঞশালালৈ উলটি যোৱাহঁক।" ৰাম-কৃষ্ণ আৰু গোপশিশুবিলাকে ব্ৰাহ্মণীবিলাকে অতি যতনেৰে সজাই লৈ যোৱা সেই অন্ন-ব্যঞ্জন গ্ৰহণ কৰিলে। কিন্তু শ্ৰীকৃষ্ণই উলটি যাবলৈ কোৱা শুনি ব্ৰাহ্মণীবিলাকে ভাল নেপালে। তেওঁবিলাকে পতি-পুত্ৰ ঘৰ-দুৱাৰ সকলোৰে মায়া এৰি একান্তমনে শ্ৰীকৃষ্ণৰ চৰণত ভজিবলৈ আহিছে। তেওঁবিলাকে গালে—

"তোহাৰি চৰণে মন মজাইলো মধুসূদন।
কতিনা বোলসি নাথ কঠিন বচন ঘন॥
গৃহ-পতি—সুত-ধন সুহৃদ-সোদৰ জন
পেখি বিষম মন তেজলেৰে নাৰায়ণ॥
তোহাৰি কিঙ্কৰীজন পুন্থ নকৰিয়ো চন্ন
কৃষ্ণকিঙ্কৰ ভন গতি মোৰ নাৰায়ণ॥"

শ্ৰীকৃষ্ণই তেওঁবিলাকৰ মনোভাব বুজিব পাৰি কলে—"ব্ৰাহ্মণীসকল! তোমালোকে মোক ভজিবলৈ পতি-পুত্ৰ ঘৰ-দুৱাৰ আদি এৰি অহাৰ একো আৱশ্যক নাই। মই তোমালোকৰ

প্ৰত্যেকৰে অন্তৰতে থিতাপি হৈছো।” এই বুলি তেওঁ আকাশৰ দেৱতাসকলক মাতি আনিলে। দেৱতাসকলে ছঁয়াময়াকৈ বিপ্ৰপত্নীসকলৰ আগত দেখা দি কৈ গল বোলে সঁচাকৈয়ে ভগৱান শ্ৰীকৃষ্ণৰ বাসস্থান ভক্তৰ বিশুদ্ধ অন্তৰৰ বাহিৰে আন কতো নহয়। ইমানতো ব্ৰাহ্মণীসকলৰ মনে ববকৈ পতিয়ন নোযোৱা যেন পাই শ্ৰীকৃষ্ণই তেওঁবিলাকক ঘৰলৈ গৈ শ্ৰৱন কীৰ্ত্তন কৰিবলৈ দিহা দিলে। কিয়নো ওচৰত থাকি তেওঁক যিমান সহজে পাব নোৱাৰি আঁতৰত থাকিও তেওঁৰ নাম আৰু গুণ মহিমা শ্ৰৱন আৰু কীৰ্ত্তন কৰি তাতকৈ বহু সহজে পাব পাৰি। এই কথা শুনি ব্ৰাহ্মণীসকল বেজাৰ মনেৰে ঘৰলৈ উলটিল। তেওঁলোকৰ মনপ্ৰাণ হলে কৃষ্ণপ্ৰেম ৰসত ভালদৰে বুৰি গল।

***নাম-কীৰ্ত্তন ধৰ্ম্ম*** ঃ—এইদৰে জপমন্ত্ৰ লৈ গৈ ব্ৰাহ্মণীবিলাকে দিনে-ৰাতিয়ে মধুৰ ৰামকৃষ্ণৰ নাম গাবলৈ ধৰিলে। ভগৱান তেওঁলোকৰ বশ হৈ থাকিল। তাকে দেখা পাই ব্ৰাহ্মণসকলৰো ভুল ভাঙিল। এজন ব্ৰাহ্মণে লগৰীয়াবিলাকক সম্বোধন কৰি কলে—“হে মিশ্ৰ! হে কন্দলি! হে আচাৰ্য্য! হে ভাৰতী! ব্ৰাহ্মণীসকলৈ মন কৰিছাইঁকনে? তেওঁবিলাকৰ বেদশাস্ত্ৰৰ জ্ঞান নাই। পৰম ধৰ্ম্ম গুৰুসেৱাও তেওঁবিলাকৰ ভাগ্যত ঘটা নাই। তথাপি তেওঁলোকৰ শ্ৰীকৃষ্ণ ভগৱন্তৰ প্ৰতি অন্তৰত একান্ত ভকতি উপজিছে। আমি তেওঁলোকতকৈও অধম হলোঁ। আমাৰ যাগযজ্ঞ বেদপাঠ সকলো মিছা হল। বলা, আমিও

সকলোৱে ব্ৰজলৈ গৈ কৃষ্ণ-দৰ্শন কৰোগৈ। কৃষ্ণৰ দুটি ৰঙা চৰণত ধাগৰি পৰোগৈ। আমি নাজানি কৰা অপৰাধৰ বাবে ভগৱান শ্ৰীকৃষ্ণই আমাক নিশ্চয় ক্ষমা কৰিব।”

এই কথাত আনবিলাক ব্ৰাহ্মণেও হয়ভৰ দিলে। তেওঁবিলাক সকলোটিয়ে বৃন্দাবনলৈ যাবলৈ ওলাল। ঠিক এনে সময়তে এজন লাখুটীলোৱা বুঢ়া বামুণে আহি কংস ৰজাৰ দোহাই দি তেওঁলোকক যাবলৈ নিষেধ কৰিলে। ৰামকৃষ্ণৰ লগে লগে তেওঁবিলাকক যে কংস ৰজাই শুদাই নেৰে তেওঁ সেইকথাও মনত পেলাই দিলে। ভয়াতুৰ বামুণবিলাকৰ কংস ৰজাৰ ভয়ত অন্তৰাত্মা কঁপি উঠিল। মুঠতে তেওঁবিলাকৰ যোৱা নহল। ঘৰতে থাকি নাম-কীৰ্ত্তন কৰিয়েই তেওঁলোকে কৃষ্ণক ভজিবলৈ সিদ্ধান্ত কৰিলে।

শ্ৰীকৃষ্ণৰ কৃপাত বিপ্ৰপত্নীসকলে পৰম প্ৰসাদ লাভ কৰিলে। সেই প্ৰসাদৰ ভাগ বিপ্ৰসকলেও পাবলৈ যত্নবান হল!

# ৰুক্মিণী-হৰণ

*শূন্য গোকুল ঃ*—ইয়াৰ আগৰ সাধু কেইটাত আমি বৃন্দাবনৰ গৰখীয়া-লৰা শ্ৰীকৃষ্ণৰ শিশুলীলা আৰু বাল্যলীলা দেখি আহিছোঁহঁক। ইয়াৰ পিছত বহুত ঘটনা হৈ গল। মোহন বংশীধাৰীয়ে তেওঁৰ মৰমৰ ব্ৰজভূমি এৰি থৈ মথুৰালৈ গল। তাত গৈ দুৰন্ত মোমায়েক কংস ৰজাক বধ কৰিলে আৰু মথুৰাৰ ৰাজপাটত ককাক উগ্ৰসেনক বহুৱালে। নিজে দ্বাৰকাপুৰী নামেৰে এখন নগৰ স্থাপন কৰি তাৰ উঠিৰজা বহিৰজা হল। এতিয়া তেওঁ এজন বলৱন্ত চফল ডেকা। তেওঁৰ তোলনীয়া মাক যশোদা আৰু তোলনীয়া পিতাক গোপৰাজ নন্দ গোকুলতে থাকিল। বৃন্দাবনৰ লৰাকালৰ লগৰী গোপ গোপীবিলাকৰ লগতো এতিয়া তেওঁৰ এৰাএৰি হৈছে। এতিয়া আৰু তেওঁৰ মধুৰ মূৰলীধ্বনি শুনি যমুনাই পাগলী হৈ উজাই নবয়। ৰাম-শ্যামৰ অবিহনত যমুনা, যমুনা-পুলিন, বৃন্দাবন অৰ্থাৎ গোটেই ব্ৰজপুৰীতে আঁউসীৰ ঘোপমৰা আন্ধাৰ। গোকুলচন্দ্ৰ শ্ৰীকৃষ্ণই এৰি যোৱাৰ কাৰণে দিন-দুপৰতো ভাত পোহৰ নপৰে। তাত আজি কাৰো প্ৰাণ নাই—জীয়াই থাকিও সকলোৱে কৃষ্ণই এৰি যোৱাৰ শোকত

মৰাৰ নিচিনা হৈছে। শ্ৰীকৃষ্ণৰ লগত এতিয়া তেওঁৰ ঘাই মাক-বাপেক দৈৱকী দেৱী, বসুদেৱ আৰু আন আন যাদৱ বংশ-পৰিয়ালৰ মানুহ।

**দ্বাৰকাত কুণ্ডিলৰ ভাট** ঃ—সেই দ্বাৰকাপুৰীৰ ৰাজ-অন্তেসপুৰত এদিন শ্ৰীকৃষ্ণই তেওঁৰ উদ্ধৱ বান্ধৱৰ লগত কথা পাতি আছিল। এনেতে এজন ভিক্ষুকে ভালৈ গৈ শ্ৰীকৃষ্ণক সেৱা জনালে। সেই ভিক্ষুকৰ নাম সুৰভি। তাৰ ঘৰ কুণ্ডিল নগৰত। এই কুণ্ডিল নগৰ আমাৰ অসমৰ সদিয়া অঞ্চলতে আছিল। সুৰভি কুণ্ডিলৰ ভাট। সি দেশে-বিদেশে লাও-টোকাৰী বজাই বজাই গীত গাই ফুৰে আৰু দুৱাৰে দুৱাৰে ভিক্ষা কৰি তাৰ জীৱিকা উলিয়ায়। সি এতিয়া শ্ৰীকৃষ্ণৰ অনুমতি লৈ তেওঁৰ আগত টোকাৰী-গীত গাবলৈ আৰম্ভ কৰিলে ঃ—

“জয় যদুনন্দন দেৱৰ দেৱা
তোমাৰ চৰণে কৰো বহু সেৱা।
তোমা সম পুৰুষ কতো নাই নাই
শুনা মোৰ বচন হে মোৰ গোঁসাই।
আমাৰ কুণ্ডিল নগৰী অনুপাম
আছে কন্যা এক ৰুক্মিণী নাম।
ভীষ্মক-নন্দিনী বৰবালা
বাঢ়ে জিনি নব চন্দ্ৰৰ কলা।

রুক্মিণী রূপৰ কি দিম বৰ্ণনা
নোহে পূৰ্ণচন্দ্ৰ মুখেৰে তুলনা ।
চকু দুটি দেখি লাজ পাই বৰ
পানীতে লুকাল পদুম মনোহৰ ।
বন্দুলী অধিক অধৰৰ কান্তি
ডালিমগুটীয়া মুক্তা দন্তপান্তি ।
চাৰু প্ৰতি অঙ্গ কিযে সুশোভন
নোৱাৰো বৰ্ণাব ভাষা অনাটন ।
পৃথিৱীত তাৰ নিমিলে উপমা
সৰজিলে বিধি কনক প্ৰতিমা ।”

এইদৰে ৰুক্মিণীৰ নানা প্ৰশংসামূলক বৰ্ণনা সুৰভি ভাটে তাৰ টোকাৰীৰ তাঁৰৰ পৰা জোকাৰি উলিয়াই শ্ৰীকৃষ্ণক শুনালে। সি ইয়াকো গীতেৰেই বুজাই দিলে বোলে এই বিশ্বব্ৰহ্মাণ্ডক দ্বাৰকাপতি শ্ৰীকৃষ্ণৰ গৃহিণী হবলৈ যদি কোনোবা সৰ্ব্বসুলক্ষণী কন্যা আছে তেন্তে সেই জনা কুণ্ডিলকুঁৱৰী ৰুক্মিণী দেৱীহে । শ্ৰীকৃষ্ণই বৰ মনোযোগেৰে ভাটৰ গীত শুনিলে। গীতৰ পৰাই ৰুক্মিণীৰ সকলো আঁতিগুৰি তেওঁ জানি ললে । মনে মনে তেওঁৰ ৰুক্মিণীক সোণকালে পাবলৈ মন বৰ বিয়াকুল হৈ উঠিল । তেওঁ বহু ধন-পুৰস্কাৰ দি ভাটক বিদায় দিবলৈ উদ্ধৱক আদেশ দিলে । সুৰভিয়ে কৃষ্ণৰ প্ৰসাদ পাই পুৰস্কাৰ লৈ “গোঁসাই ! তুমি চিৰজীৱী হোৱা” বুলি সন্তোষ মনেৰে নিজৰ দেশলৈ উলটিল । সেই দিনাৰ

পৰা ৰুক্মিণী দেৱী শ্ৰীকৃষ্ণৰ দিঠকৰ ধ্যান আৰু সপোনৰ লগৰী হৈ পৰিল।

**কুণ্ডিলত দ্বাৰকাৰ ভাটঃ**—সিফালে কুণ্ডিল নগৰীতো ৰাজকুঁৱৰী ৰুক্মিণীৰ একেই অৱস্থা। এদিন তেৱোঁ ৰাজফুলনিত মদনমঞ্জৰী লীলাৱতী আদি সখীয়েকবিলাকৰ লগত ফুৰি আছিল। ঠিক সেই সময়তে হৰিদাস নামেৰে দ্বাৰকাৰ ভাট এজন তেওঁৰ আগত ওলালগৈ। হৰিদাসেও তেওঁবিলাকৰ আগত ঢোকাৰী বজাই বজাই কৃষ্ণগুণ-গীত গাবলৈ ধৰিলে। হৰিদাসে গালে—

“শুন শুন ৰুকমিণী মাই।
হৰি-গুণ কহন নাযায়॥
মুখ ইন্দু কোটি পৰকাশ।
দশন মোতিম মন্দ হাস॥
নয়ন পঙ্কজ নৱপাতা।
কৰতল উতপল ৰাতা॥
মদনক ধনু ভ্ৰূৰ ভঙ্গ।
ভুজযুগ বলিত ভূজঙ্গ॥
বহল বক্ষস্থল সিংহবন্ধ।
ত্ৰিবলিবলিত কটি কন্ধ॥
উৰু কৰিকৰ অৱ ভাস।
মৃদু পদ পঙ্কজ বিকাশ॥

নখচয় চান্দক পান্তি ।
পদতল আৰকত ভান্তি ॥
ধ্বজ বজ্র পঙ্কজ শোহে ।
পেখিতে ত্রিভুৱন মোহে ॥
অভিনৱ তৰুণ মুৰুতি ।
কি কহব ৰূপক বিভূতি ॥
গতি গম্ভীৰ মৃগৰাজ ।
কোটি মদন হেৰি লাজ ॥
তুহুঁ নৱ তৰুণী প্রধান ।
সো হৰি নবীন যুৱান ॥
দুহো এক বয়স সমান ।
কয়লি বিধি নিৰমান ॥
যব তৱ পীতি সোহি হুই ।
সফল জনম তেবে তুই ॥

ভিক্ষুকৰ খত শ্রীকৃষ্ণৰ স্থললিত গুণ-গীতি শুনি ৰুক্মিণীৰ মনত পৰম সন্তোষ মিলিল। তেৱেঁ। সখীয়েক মদন-মঞ্জৰীক তাৰ মনৰ হুতাহ পলোৱাকৈ ধন-সোণ দিবলৈ দিলে। মদনমঞ্জৰীয়ে সেইমতে হৰিদাস ভাটক বহুত ধন-ৰত্নৰ বটা আনি দিলে। তাকে পাই সি আনন্দ মনেৰে ৰুক্মিণীক জোলোকা-জোলোকে আশীৰ্ব্বাদ দি বিদায় ললে। সেই দিনাব পৰা ৰুক্মিণী দেৱীয়েও একান্ত মনেৰে তেওঁৰ মন-

প্ৰাণ সকলোকে শ্ৰীকৃষ্ণৰ চৰণত সপি দিলে। দৈৱকীনন্দন শ্ৰীকৃষ্ণই তেওঁৰ অন্তৰৰো অন্তৰৰ জপমালা হৈ পৰিল।

**হৰিষত *বিষাদ*** ঃ—ৰুক্মিণীৰ পিতৃ কুণ্ডিলৰাজ ভীষ্মক। মাতৃ ৰাজমহাদৈ শশীপ্ৰভা। বৃদ্ধ ভীষ্মক ৰজা বৰ হৰিভক্ত আছিল। পাত্ৰ-মন্ত্ৰী জ্ঞাতি-কুটুম আৰু শশীপ্ৰভা মাদৈৰ লগত পৰামৰ্শ কৰি তেওঁ জীয়েক ৰুক্মিণীক দ্বাৰকাপতি শ্ৰীকৃষ্ণলৈকে উলিয়াই দিবলৈ যো-জা কৰিছিল। তেওঁৰ মানত দৈৱকীনন্দন বিনে তেওঁৰ ছোৱালীলৈ আন উপযুক্ত বৰ নাছিল। বাপেক-মাকৰ এই আলোচনাৰ কথা লীলাৱতীয়ে যথা সময়ত কুঁৱৰীটোললৈ গৈ সখীয়েক ৰুক্মিণীৰ কাণত পেলালে। এই শুভ সংবাদ শুনি ৰুক্মিণীয়ে আনন্দতে এপাক নাচনো মাৰিলে।

কিন্তু সকলোৰে হৰিষত বিষাদ মিলালে জ্যেষ্ঠ ৰাজকোঁৱৰ ৰুক্মিয়ে। এওঁ শ্ৰীকৃষ্ণৰ নামত জুইত খেৰো নিদিয়ে। ৰুক্মিকোঁৱৰে বুঢ়া কালত বাপেকৰ মতিভ্ৰম হোৱা বুলি ভাবিলে। তেওঁ ৰাজচৰালৈ গৈ সকলোৰে আগত পিতাকক প্ৰকাশ্যে এজাউৰি গালি সোধাই কলে— "মোৰ মৰমৰ ভনীটী ৰুক্মিণীক শ্ৰীকৃষ্ণলৈ বিয়া দিবলৈ কাৰ শক্তি আছে ? সেই যাদৱ শ্ৰীকৃষ্ণ অনাচাৰী। গো-বধ, স্ত্ৰী-বধ, মাতুল-বধ আদি যিমান পাপ আছে সি একো বাকী ৰখা নাই। বৃদ্ধ মহাৰাজ ! তুমি এইবোৰ কথা অলপো বুজা নাই—বুজিবৰ

শক্তিও তোমাৰ নাই। মই ৰুক্মবীৰে কওঁ—ৰুক্মিণীৰ যোগ্য বৰ একমাত্ৰ ছেদীৰাজ শিশুপাল। সোণকালে বিয়াৰ আয়োজন কৰা। শিশুপালৰ লগত ৰুক্মিণীৰ বিয়াৰ মই অঙ্গীকাৰ কৰিলোঁ।"

ৰুক্মি-কোঁৱৰৰ এনে দপদপনি শুনি ভীষ্মকৰ ৰাজচৰা কাঁহ পৰি জীণ যোৱা যেন নিমাত-নিটাল হল। কোনেও একেষাৰ কথা ফুটাই কৈ তেওঁৰ কথাৰ প্ৰতিবাদ কৰিবলৈ সাহস নকৰিলে। ভয়াতুৰ বুঢ়া ভীষ্মক ৰজায়ো ৰবোপাৰ কথা শুনি সেও মানিলে। শিশুপালৰ লগতে তেওঁ ৰুক্মিণীৰ বিয়াৰ যো-জা কৰিবলৈ আদেশ দিলে।

ৰাজকুঁৱৰী ৰুক্মিণী আইদেউৰ বিয়াৰ বাবে কুণ্ডিলা নগৰত দলদোপ হেন্দোলদোপ লাগি গল। বন্ধু ৰুক্মিবীৰৰ পৰা সাদৰী নিমন্ত্ৰণ পাই ছেদীৰাজ শিশুপাল দৰা সাজি আহি জিৰণি-বাহৰত ৰল। আন আন ৰজা ৰাজকোঁৱৰ-সকলৰ কিছুমান আহিল দৰাঘৰীয়া হৈ আৰু কিছুমান আহিল কইনাঘৰীয়া হৈ বিয়া খাবলৈ। ৰজাঘৰীয়া উৎসৱ। গোটেই ৰাজ্যখনেই আনন্দত নাচি উঠিল। এনেই কুণ্ডিল বুঢ়ী নাচনী, তাতে হল নাতিনীয়েকৰ বিয়া।

***বিয়া নহয় বিহঃ***—কিন্তু ইমান আনন্দৰ মাজতো নিৰানন্দ কাৰ? শান্তিৰ মহাসাগৰৰ মাজতো কাৰ মুখত আজি অশান্তিৰ বিহ? সেইজনা আন কোনো নহয়,

তেৱেঁই স্বয়ং কুণ্ডিলকুঁৱৰী ৰুক্মিণী দেৱী। সখীয়েক মদন-মঞ্জৰীৰ পৰা তেওঁ জানিব পাৰিছে—তেওঁৰ সুখৰ সপোনত বিধি-পথালি জন্মাইছে ককায়েক ৰুক্মবীৰে। তেৱেঁই শ্ৰীকৃষ্ণৰ লগত তেওঁৰ হবখোজা বিয়াখন ভাঙি শিশুপালৰ লগত সম্বন্ধ স্থিৰ কৰিছে। সেই কাৰণেই ৰুক্মিণীৰ মানত তেওঁৰ বিয়া নহয়, বিহহে হৈছে।

কুঁৱৰী-টোলত ৰাজকুঁৱৰী ৰুক্মিণীৰ দিনবোৰ চকুপানীত উটি গৈছে। তেওঁৰ এই বিপদৰ লগৰী হৈছে সখীয়েক মদনমঞ্জৰী আৰু লীলাৱতী। ৰুক্মিণীৰ মুখত শ্ৰীকৃষ্ণৰ কথাৰ বাহিৰে আন কথা নাই। তেওঁ ঘনে ঘনে শ্ৰীকৃষ্ণৰ নাম লৈ মূৰ্চ্ছা গৈছে আৰু সখীয়েকহঁতে মূৰত তেলপানী দিয়াত উঠি বহি ককায়েক ৰুক্মিক আৰু তেওঁক বিয়া কৰাবলৈ আশা পালি অহা শিশুপালক গালি পাৰিছে। ককায়েকক উদ্দেশ্য কৰি কৈছে—“হে পাপী সোদৰ! তই মোৰ সাত শত্ৰুতকৈও ডাঙৰ শত্ৰু। তোৰ মই কোনটো পানী-খোৱা পুখুৰীত বিহ ঢালিছিলো ? কি কাৰণে তই মোক প্ৰাণ-কৃষ্ণৰ পৰা বঞ্চিত কৰিলি ? উপজি মাটিত পৰাৰ লগে লগেই তোৰ মৃত্যু নহল কিয় ?” ছেদীৰাজক গালি পাৰি তেওঁ কৈছে—“হে পাপী শিশুপাল! কি সাহেৰে তই মোক বিয়া কৰাবলৈ আহিছ ? তই সামান্য শিয়াল হৈ সিংহৰ ভাৰ্য্যালৈ লোভ কৰিছ ? কৃষ্ণ বিনে যদি মোৰ প্ৰাণ থাকে তেন্তে মোৰ জীৱন ধিক! শত ধিক ! হে প্ৰাণস্বামী কৃষ্ণ! তুমি

এইবোৰ কথাৰ, এতিয়াও একো বুজ পোৱা নাই। তোমাৰ ওচৰলৈ বতৰা দি মই কাক পঠাওঁ ?" এই বুলি তেওঁ কৃষ্ণ কৃষ্ণ বুলি আকৌ ঢাকুৰি ঢাকুৰি কান্দিবলৈ ধৰিলে। সখীয়েক তুজনীয়ে আকৌ বৰাই-বুজাই শাঁত কৰাত তেওঁ অলপ সময় নিটাল মাৰি থকাত তেওঁৰ মনত এটা বুধি খেলালে ।

***বেদনিধি গুৰুবাপু*** ঃ—সেই বুধিমতে লীলাৱতীয়ে ৰাজপুৰোহিত বেদনিধি গুৰু-বাপুক মাতি আনিলেগৈ। বেদনিধিয়ে ৰুক্মিণীক কোলাত তুলি বোকোচাত লৈ ডাঙৰ দীঘল কৰিছিল। সেই কাৰণে তেওঁৰ আলাসৰ লাৰু ৰুক্মিণীয়ে মতা বুলি শুনি তেওঁ তুৰন্তে কুঁৱৰীটোললৈ আহিল আৰু ৰুক্মিণীক কুশল-বতৰা সুধিলে। ৰুক্মিণীয়ে কান্দি কান্দি বেদনিধিৰ আগত আঠু লৈ কলে—"গুৰুবাপু! কোনোমতে এতিয়াও যে মোৰ দেহত জীউটো আছে সেয়েই বহুত। ভাবিছিলো দ্বাৰকাপতি শ্ৰীকৃষ্ণক স্বামী লাভ কৰিম। কিন্তু মোৰ সকলো আশাত কুঠাৰাঘাত কৰিলে মোৰ পাপী ববককায়ে। মোৰ মানত ভাই নহয় যমকালহে হল। মোক দিবলৈ সি শিশুমতি শিশুপাল ৰজাক মাতি আনিছে। সেই পাপীৰ নাম শুনিলেই মোৰ জীউটো ওলাই যাব খোজে। হে গুৰুবাপু! তোমাক আৰু কি বেছি কম ? দ্বাৰকাৰ পৰা শ্ৰীকৃষ্ণক মাতি আনি তুমি মোক জীউদান দিয়া।"

বেদবিধিয়ে ৰুক্মিণীৰ প্ৰস্তাৱমতে বুঢ়া গাৰে দ্বাৰকালৈ যাবলৈ সন্মত হল। তেওঁ ৰাজকুমাৰীক সেইফেৰা কাম অনায়াসে কৰিব দিম বুলি কথা দি বিদায় ললে।

***পত্ৰ-সন্দেশ ঃ—*** যথাসময়ত ৰুক্মিণীৰ পত্ৰ-সন্দেশ লৈ গুৰু-বাপু দ্বাৰকাপুৰীত ওলালগৈ। শ্ৰীকৃষ্ণই দুৱাৰমুখৰ পৰাই তেওঁক আগবঢ়াই ভিতৰলৈ নিলে। নিজে ৰঙা হাত দুটিৰে বুঢ়া বামুণৰ ফটুৱৈ ধৰা ভৰি দুটা ধুৱাই দি তেওঁক পঞ্চামৃত খুৱালে। তাৰ পিছত তেওঁক সোণৰ পালঙ্কত বহিবলৈ দি খোজ কাঢ়োতে কষ্ট পোৱা ভৰি দুটি পিটিকি দি কুণ্ডিল ৰাজ্যৰ সকলোৰে কুশল-মঙ্গলৰ বাতৰি সুধিলে।

“পাদ্য-অৰ্ঘ্য দিয়া কৃষ্ণ বসাইল ব্ৰাহ্মণ
মধুৰ বচনে সোধে আসিলা কি কাৰণ।
ব্ৰাহ্মণে বোলন্ত প্ৰভু সোধা কি কাৰণ
তুমি অন্তৰ্যামী কৃষ্ণ দেৱ নাৰায়ণ।
কুণ্ডিলৰ ভীষ্মক নামে নৃপতি প্ৰধান
তাহাৰ যে কন্যা আছে লক্ষ্মীৰ সমান।
সেই কন্যাখানি প্ৰভু বৰ ভাগ্যৱতী
ৰূপে লক্ষ্মী দুৰ্গা সমা গুণে সৰস্বতী।
ভীষ্মক ৰজাৰ কন্যা ৰুক্মিণী যে নাম
দিনে-ৰাতি ৰুকিণীয়ে কৰে তোমাৰ ধ্যান।

এইদৰে বেদনিধিয়ে কাহি কাহি এখনিকে দহখনি কৰি ৰুক্মিণীয়ে কবলৈ দিয়া সকলো কথাকে পাতি পাতি কলে। তেওঁ সুযোগ বুজি কুণ্ডিলকুঁৱৰীয়ে চকুপানীৰে লেখি পঠোৱা পত্ৰখনি শ্ৰীকৃষ্ণক নিবেদিলে। শ্ৰীকৃষ্ণই পত্ৰখনি গুৰুবাপুকে পঢ়িবলৈ দি নিজে কাণ পাতি শুনি থাকিল।

বেদনিধিয়ে পঢ়িলে—"স্বস্তি শ্ৰীপৰমেশ্বৰ, যাৰ পাদপদ্মত সকলো সুৰাসুৰে বন্দনা কৰে, যি জনে প্ৰপন্ন জনক বিপদৰ পৰা তৰায়, সেই নাৰায়ণ শ্ৰীকৃষ্ণৰ চৰণ-সৰোজত ৰুক্মিণীয়ে সহস্ৰ বাৰ প্ৰণাম জনাই এই পত্ৰ লেখিছে—হে স্বামী! ভিক্ষুকৰ মুখত তোমাৰ ৰূপ-গুণৰ কথা শুনি কায়-বাক্য-মনে মই তোমাক পতিভাবে বৰণ কৰিছো। পাপী শিশুপালে মোক বিয়া কৰাবলৈ আহি শিয়াল হৈ বিচাৰিছে সিংহৰ ভাগৰ বস্তু। ভয়ত মোৰ জীৱ নথকা হৈছে। হে স্বামী! সোণকালে তোমাৰ শ্ৰীচৰণৰ দাসীক লৈ যোৱাহি। বিয়াৰ আগদিনা মই ভৱানী গোঁসানীক সেৱা কৰিবলৈ যাম। সেয়ে সোণালী সুযোগ। ভৱানী-মন্দিৰৰ পৰা তুমি মোক হৰণ কৰি লৈ যাবা। প্ৰভু! যদি তুমি হেলা কৰি এই অধীনীক নিবলৈ নাহা তেন্তে নিশ্চয় জানিবা তোমাৰ নাম মুখত লৈয়েই মই প্ৰাণত্যাগ কৰিম। পাপী শিশুপালক মোৰ ছাঁটোৰ ওচৰো চাপিবলৈ নিদিও। সকলো কথা জানি দাসীক তোমাৰ এই বিপদ-সাগৰৰ পৰা উদ্ধাৰ কৰিবা বুলি আশা কৰিলো। এয়েই মোৰ তোমাৰ চৰণ-কমলত একান্ত

নিবেদন।” ৰুক্মিণীৰ এই সকৰুণ পত্ৰৰ মৰ্ম্ম শুনি শ্ৰীকৃষ্ণৰ চকু দুটি চলচলীয়া হৈ উঠিল। তেওঁ তুৰন্তে সাৰথি দাৰুকক মাতি আনি ৰথ সজাবলৈ আদেশ দিলে। বেদনিধিৰ লগতে শ্ৰীকৃষ্ণ কুণ্ডিললৈ ওলাল।

***বুঢ়া বামুণ শ্ৰীকৃষ্ণৰ ৰথত*** :—বায়ুবেগে দাৰুকে ৰথ ডকালে। ৰথত উঠি বুঢ়া বামুণ বেদনিধিৰ দুৰ্গতিৰ সীমা নোহোৱা হল। তেওঁ হাচটিটি মেলি তামোল এখন মুখত ভৰাবলৈকো ছেগ নেপালে। তামোল খোৱা দূৰত থাওক ৰথত বেগত তেওঁৰ কাপোৰে-কানিয়ে যোৱাৰ উপক্ৰম হল। হাত ভৰিবোৰ কোচ খালে। পেট উখহি ভিণ্ডাকাৰ হল। নাকেৰে নিশ্বাস লব নোৱাৰাত পৰিল। কিছুদূৰ অহাৰ পিছতেই বুঢ়া বামুণ ৰথৰ ওপৰতে ঢলি পৰিল। শ্ৰীকৃষ্ণই জানিবা ধৰি-মেলি তেওঁক বহু পৰৰ মূৰত ভাল কৰিলে কিন্তু তেওঁৰ মনৰ পৰা হলে ৰথৰ পৰা সৰি পৰাৰ ভয় নগল। বাকী ছোৱা বাট কোনোমতে শ্ৰীকৃষ্ণক সাৱট মাৰি ধৰিহে আহি পালে। এইদৰে ৰথ আহি কুণ্ডিল নগৰৰ নিচেই ওচৰ চপাত শ্ৰীকৃষ্ণই তাতেই বেদনিধিক নমাই দিলে আৰু তেওঁ আগ হৈ গৈ ৰুক্মিণীক বতৰা দিবলৈ কলে।

***আমো নাহিল, ফৰ্ম্মটিও নাহিল*** :—ইফালেদি চাওতে চাওতে ৰুক্মিণীৰ বিয়াৰ দিন পালেহি। সেইদিনা অধিবাস।

কালি বিয়া। সময় গৈ আহিছে মানে ৰুক্মিণীৰ গাত গোঁসাই নোহোৱা হৈছে। তেওঁ ক্ষণটোকে দিনটো যেন দেখিছে। দ্বাৰকাৰ পৰা আমো নাহিল, ফৰ্ম্মুটিও নাহিল। সখীয়েক সকলৰ বুজনিতহে তেওঁৰ ভেলটোত এতিয়াও প্ৰাণ আছে!

"আজি কেইবা দিনো হল নাহিলে বামুণ
ৰুক্মিণীৰ দিনে দিনে মন বিয়াকুল।
বামুণক দূত পঠাই মাধৱৰ ঠাই
আহিব আহিব বুলি আছে বাট চাই।
কাইলৈ বিয়াৰ দিন আজি অধিবাস
নাসিলন্ত কৃষ্ণ, বামুণ কৰিলে নৈৰাশ।
ৰুক্মিণীয়ে বোলে মোৰ কপাল নহয় ভাল
নাহিলন্ত বেদনিধি, নাহিল গোপাল।
নহল কাৰ্য্যসিদ্ধি মোৰ কি কৰিলা বিধি
নাহিল মোৰ প্ৰাণকৃষ্ণ নাহিল বেধনিধি।
মই পাপিষ্ঠীৰ দেখি কিবা কুলক্ষণ
মোৰ বাঞ্ছা নুপূৰালে প্ৰভু নাৰায়ণ।
বিয়াকে লাগি আৰু এটি ৰাতি আছে
বামুণ থাকিল গৈয়া মাধৱৰ কাষে।
একো বাৰ্ত্তা নাপাও, কৃষ্ণৰ কথা নহয় ভাল
জানিলো মোৰ শিশুপাল হল যমকাল।
ইজন্মে নেদেখোঁ মই প্ৰভু মাধৱক
দুৰাচাৰ ভাই মোৰ মাতিলে যমক।

ভাই নহয় সি যে মোৰ কলিৰ চাণ্ডাল
সৰুতে নহলহেতেন সিও আছিল ভাল।
শিশুপাল ৰজাত মই নোসোমাও বিয়া
কাৰ শক্তি আছে মোক শিশুপালক দিয়া ?
বিয়া হব লাগে কালি ৰজনীক যোগে
হে হৰি কিবা মোৰ আছে কৰ্ম্মভোগে !
কিনো নিদাৰুণ কৃষ্ণ নাহিল পত্ৰ পাই
তিৰী-বধ ভাগী হব দেৱ যদুৰায়।
সকলোকে লেখি মই মাতিলোঁ সাদৰি
তথাপিও নাহিল কৃষ্ণ মোক হেলা কৰি।
দিনে যুগ নাযায় মোৰ পদূলিলৈ চাই
কেতিয়া আহিব কৃষ্ণ সোণৰ বংশী বাই ?
পাটীত বহি ৰুক্মিণীয়ে মাটিত মণ্ডল চাই
কেতিয়া আহিব কৃষ্ণ মুৰুলী বজাই ?
পাটীত বহি ৰুক্মিণীয়ে মনে মনে গুণে
কৃষ্ণ-গোঁসাই আহে বুলি কাণপাতি শুনে।
শুনা সখী লীলাৱতী কপালতে ৰাহু
কৃষ্ণ যেন স্বামী নাপাওঁ দৈৱকী যেন শাহু।”

কৃষ্ণৰ কথাকে ভাবি ৰুক্মিণী দেৱী ঘনে ঘনে মূৰ্চ্ছা গৈছে। সখীসকলে নানা পৰিপাল কৰি দুনাই তেওঁৰ গালৈ চেতনা ঘূৰাই আনিছে। গাত অলপ ভত পালেই তেওঁ বিলাপ আৰম্ভ কৰে আৰু কান্দিকাটি বিয়াকুল হয়।

এনেদৰে থাকোতে এবাৰ তেওঁ বাঁও চকুটো ৰৰকৈ লৰা যেন পালে। তাকে দেখি

"ৰুক্মিণীয়ে বোলে সখি বাম অঙ্গ লৰে
বেদনিধিৰ সঙ্গে কৃষ্ণ আসিবাক পাৰে।"

**শুভ সংবাদ**—অনুমান সঁচা। সোঁশৰীৰে বেদনিধি বাপু তেওঁবিলাকৰ আগত ওলালহি। তেওঁৰ মুখত আনন্দৰ চিন। ৰথৰ পৰা নামিয়েই তেওঁ ৰুক্মিণীক শুভ সংবাদ দিবলৈ দক্ষিণা লোৱা খোজ দিছে। মাটিত ভৰি পৰাই নাই। ৰুক্মিণীয়ে সানন্দেৰে আগবাঢ়ি গৈ বিপ্ৰক প্ৰণাম কৰিলে। বেদনিধিয়ে তেওঁক আশীৰ্ব্বাদ দি শ্ৰীকৃষ্ণ অহাৰ বাতৰি দিলে আৰু ভৱানী মন্দিৰৰ পৰা যে তেওঁক হৰি নিব সেই কথাও কলে। ৰুক্মিণী আৰু সখীসকলৰ মুখলৈ পানী আহিল। তেওঁবিলাকে নতুন জীৱন পোৱা যেন পালে। বেদনিধিয়ে নিজ কামফেৰা সমাধা কৰি নিজৰ ঘৰৰ বুঢ়ী বামুণীৰ ওচৰলৈ গল।

ৰুক্মবীৰে অন্তেসপুৰলৈ সোমাই গৈ ৰুক্মিণীক সোণকালে নোৱাব ধুৱাবলৈ আদেশ দিলে। তাৰ পিছত তেওঁ ভৱানী-মন্দিৰলৈ গোঁসানীক সেৱা কৰিবলৈ যাব লাগিব। শশীপ্ৰভা মাদৈয়ে জীয়েকক নোৱাবলৈ বেইৰ তললৈ নিলেহি। মদনমঞ্জৰী, লীলাৱতী আদি সখীসকলো লগে লগে গল। সকলোৰে মনত আনন্দ। কিন্তু কাৰ মনত এই আনন্দ কেনেকুৱা সেই পেটৰ কথাহে সকলোৱে বুজিব পৰা নাই।

বেইৰ তলত মাকে ৰুক্মিনী সুন্দৰীক নোৱাবলৈ ধৰিলে। আয়তীবিলাকে জাত জাত বিয়া নাম গালে।

“বেইৰ তলত ৰুক্মিণীয়ে মেলি দিছে চুলি
ঢালিছে যমুনাৰ পানী নমো গঙ্গা বুলি।
ৰুক্মিণীৰ পদূলিতে হালি আছে নল
কলহে কলহে ঢালে যমুনাৰ জল।
আইদেউৰ চুলিটাৰি বাৰে কাটে পানী
কি চাই আছা আইদেউৰ মাক! টুকি দিয়া পানী।
স্নান কৰি ৰুক্মিণীয়ে কঁপে থৰথৰি
যোগাই থৈছে পাটৰ বস্ত্র পিন্ধা লাহে কৰি।
স্নান কৰি ৰুক্মিণীয়ে মাথাত দিছে হাত
স্বৰ্গৰ পৰা দেৱগণে কৰে আশীৰ্ব্বাদ।
স্নান কৰি ৰুক্মিণীয়ে দুৰ্গাত মাগে বৰ
জন্মে জন্মে মোৰ স্বামী হওক দামোদৰ।
স্নান কৰি ৰুক্মিণীয়ে মেলি আছে হাত
স্বৰ্গৰ পৰা পেলাই দিছে পুষ্প পাৰিজাত।
স্নান কৰি ৰুক্মিণীয়ে মেলি আছে চুলি
শৰ-ধেনু ধৰি হৰি হৰি নিয়ে বুলি।
স্নান কৰি ৰুক্মিণীয়ে পঞ্চতীৰ্থৰ জলে
বসিলন্ত দুৰ্গা বুলি বেইৰে ভিতৰে।
স্নান কৰি ৰুক্মিণীয়ে পিন্ধিলে বসন
ইন্দ্ৰে আনি যোগাই দিছে দেৱাঙ্গভূষণ।”

এইদৰে নোৱা-ধোৱাৰ শেষত ৰাজকুঁৱৰী ৰুক্মিণী সখীসকলৰ লগত ভৱানীৰ মঠলৈ গল। তাত তেওঁ দেৱীৰ চৰণ দুখানি নিজ হাতেৰে পখালি দি নানা নৈবেদ্যেৰে ষোড়শোপচাৰে পূজা কৰিলে। নানা স্তুতি-নতি কৰি শ্ৰীকৃষ্ণক বৰ পাবলৈ প্ৰাৰ্থনা জনালে।

**ৰুক্মিণী-হৰণ ঃ**—ইফালে দেৱীৰ সুসজ্জিত নাট-মন্দিৰত ৰজা আৰু ৰাজকোঁৱৰসকলৰ বিৰাট সভা বহিছিল। তাত জৰাসন্ধ, ভোজ, শিশুপাল আদি দেশ-বিদেশৰ ৰজাসকল কুণ্ডিল-কুঁৱৰীৰ বিয়াৰ কাৰণে আহি সমৱেত হৈছে। শ্ৰীকৃষ্ণই বেদনিধিক ৰুক্মিণীৰ সমীপলৈ পঠিয়াই তেওঁ নিজে দাৰুক আৰু উদ্ধৱৰ লগত ৰজাসকলৰ সভামণ্ডপত উপস্থিত হলগৈ। নক্ষত্ৰবিলাকৰ মাজত পূৰ্ণচন্দ্ৰই যেনেকৈ শোভা কৰে তেনেকৈ ৰজাবিলাকৰ মাজত শ্ৰীকৃষ্ণ জিলিকিবলৈ ধৰিলে। তেওঁক দেখিয়েই অলপধতুৱা ৰজাবিলাকৰ চুলিৰ আগেদি জীৱ গল। তেওঁবিলাকে কাণে কাণে কোৱাকুই কৰিলে —"এই গৰাকী পুৰুষ-সিংহৰ লগত কি সাহে শিশুমতি শিশুপালে ফেৰ পাতিব ? এওঁৰ হাতত শিশুপালৰ পতন অনিবাৰ্য্য। এওঁৰ লগত থাকিলে আমি উলুৰ লগত ৰগৰি পোৰা দিব লাগিব।" এনেদৰে ভাবি তেওঁবিলাকে ৰসতে নাম থৈ স্বস্থানলৈ প্ৰস্থান কৰিবলৈহে যো-জা কৰিলে। জৰাসন্ধ ৰজাইহে যেনিবা কোনোমতে তেওঁলোকক বুকুত সাহ দি বহুৱাই ৰাখিলে।

হেন সময়তে ৰাজনন্দিনী ৰুক্মিণীয়ে সখীসকলৰ লগত কপুৰ্ৰ তাম্বুল ভোজন কৰি মদনমঞ্জৰী সখীয়েকৰ হাতত ধৰি কৃষ্ণ-দৰশনৰ নিমিত্তে, পৰম আকুল চিত্তেৰে, লীলা গতি কৰি সভা-মণ্ডপলৈ আহিল।

লহূ লহূ গতি ধাই ; প্ৰিয়া সঙ্গে ৰঙ্গে যায়।
হৰি হসি হসি চাই, যৈচে মত্ত সিংহ ৰায় ॥
ৰূপে ভুৱন জিনি, সখী সমে ৰুকমিণী।
চলে বামা মধ্য খিনি, ঝনকে মঞ্জীৰ মণি ॥
পীউ মুখ বেৰি বেৰি, লম্বিত নয়ন হেৰি।
কহয় শঙ্কৰ কেৰি, গতি গোৱিন্দ মেৰি ॥

ৰুক্মিণীৰ ভুৱনমোহিনী সৌন্দৰ্য্য দেখি ৰজাবিলাক বিমোহিত হল। পৃথিবীত এনে অপূৰ্ব্ব ৰূপ থকা বুলি ইয়াৰ আগেয়ে তেওঁবিলাকে কল্পনাও কৰিব পৰা নাছিল। ৰুক্মিণীয়ে সভাৰ মাজত ভৰি দিয়েই শ্ৰীকৃষ্ণৰ মদনমোহন ৰূপ দেখা পালে। ভাট হৰিদাসে তেওঁৰ আগত যি বৰ্ণনা দিছিল সেই বৰ্ণনাৰে এই ৰূপ হুবহু খাপ খাই পৰে। তেওঁ মনেৰে শ্ৰীকৃষ্ণক স্বামী বুলি প্ৰণাম জনাই তলমূৰকৈ আঙুলিৰে মাটি লেখি থিয় হৈ বল। অন্তৰ্য্যামী ভগৱান শ্ৰীকৃষ্ণই ততালিকে ৰুক্মিণীক হাতত ধৰি নিজৰ বুকুত চপাই ললে। তেওঁ সকলোৰে আগৰে পৰা ৰাজকুঁৱৰীক হৰি লৈ গৈ নিজৰ ৰথত উঠিল। মৃগ এজাকৰ মাজৰ পৰা সিংহই নিজৰ ভাগ লৈ যোৱাৰ নিচিনাকৈ পুৰুষসিংহ শ্ৰীকৃষ্ণই তেওঁৰ জীৱনসঙ্গিনী

ৰুক্মিণী দেৱীক লৈ লীলা গতিৰে সভাৰ মাজৰ পৰা অন্তৰ্দ্ধান হল।

***শিশুপাল আদিৰ শেষ প্ৰয়াস ঃ***—শিশুপাল প্ৰভৃতি ৰজাসকলে শ্ৰীকৃষ্ণৰ বিক্ৰম দেখি অলপ সময় মূৰ্চ্ছা গৈ পৰি আছিল। মূৰ্চ্ছা ভঙাত তেওঁলোক সকলোটিয়ে ধেনু-শৰ আদি অস্ত্ৰ-শস্ত্ৰ লৈ শ্ৰীকৃষ্ণৰ ৰথৰ পাছে পাছে খেদা দিলে। শিশুপাল ৰজাৰ শ্ৰীকৃষ্ণৰ ওপৰত আক্ৰোহটো আটাইতকৈ বেছি। তেওঁলৈ উলিয়াই দিব খোজা কইনা শ্ৰীকৃষ্ণই চিলনীৰ দৰে থাপ মাৰি নিলে। তেলীয়া-সাৰেঙে চুচোঁতে-মাজোতে ফেচু ৰজা হল। তেওঁ লাজে-অপমানে জৰ্জ্জৰিত হৈ আন আন কৃষ্ণক দেখিব নোৱাৰা ৰজাৰ লগত ধাও মাৰি গৈ যদুপতিৰ লগত ৰণ দিলে। অকলশৰীয়া শ্ৰীকৃষ্ণক হাজাৰ হাজাৰ শত্ৰুৱে বেঢ়ি ধৰা দেখি ৰুক্মিণীৰ ভয়ত অণ্ঠকণ্ঠ শুকাল। শ্ৰীকৃষ্ণই তেওঁক প্ৰবোধ দি কলে—"ভয় নকৰিবা দেৱী! এই ৰজাবিলাক মোৰ আগত ক্ষুদ্ৰ পতঙ্গৰ তুল্য। সিংহৰ আগত হৰিণাৰ নিচিনা। সিহঁতে মোৰ একো কৰিব নোৱাৰে।"

অলপ সময় যুদ্ধ চলাৰ পিছত দ্বাৰকাৰ পৰা বলোৰাম, গদ আৰু সাত্যকীৰ নেতৃত্বত এটা যাদৱ-বাহিনী বামেদি আহি শ্ৰীকৃষ্ণৰ ফালে যোগ দিলে। শ্ৰীকৃষ্ণৰ মাতৃ দৈৱকী দেৱীয়ে পুতেকক অকলশৰে দ্বাৰকালৈ অহাৰ কথা গম পাই এওঁলোকক পঠিয়াই দিছিল। তুমুল ৰণ হল। বলোৰামে

জৰাসন্ধক খেদি গল। সাত্যকী আৰু কোঁৱৰ গদে সৰু সৰু ৰজাবিলাকৰ লগত যুঁজিলে। শ্ৰীকৃষ্ণই হাতত সাৰঙ্গ ধেনু লৈ টঙ্কাৰ দিলে। সাৰঙ্গ ধেনুৰ টঙ্কাৰ শুনিয়েই ৰজা-বিলাকৰ হৃদয়ত কঁপনি উঠিল। শ্ৰীকৃষ্ণৰ আগত তেওঁ-বিলাকেনো কিমান পৰ ঠাৰিবিব পাৰে? গোঁসাইৰ শৰে তেওঁবিলাকৰ উৰু, কৰ, কটি, হৃদয় আদি ভেদিলে। শিশু-পালৰ কিৰীটি কাটিলে। তাকে দেখি সকলোবিলাক ৰজাই তাৰ পৰা ফৰিং চিটিকা দি ভাগিল। ৰুক্মিণী দেৱীয়ে স্বামীৰ বিজয় বিক্ৰম দেখি পৰম আনন্দেৰে তেওঁক প্ৰণাম জনালে। সাধু সাধু বুলি তেওঁৰ শিৰত পুষ্প বৰষিলে। আঁচলেৰে গাৰ ঘাম মচি দিলে।

***ৰুক্মবীৰৰ লাঞ্ছনা***ঃ—ইয়াৰ পিছত এক মাত্ৰ বাকী থাকিল ৰুক্মিণীৰ জ্যেষ্ঠ ভ্ৰাতা কোঁৱৰ ৰুক্ম। তেওঁ সহজতে পৃষ্ঠভঙ্গ দিয়া ভকত নহয়। সিমান দেখি-শুনিও মৰকামোৰ নেৰি তেওঁ শ্ৰীকৃষ্ণক গালি পাৰি খেদি গল। অলপ সময় দুয়োৰো মাজত যুদ্ধ হল। পাপী ৰুক্মই মাধৱক কোনো অস্ত্ৰেৰে বলে নোৱাৰি তেওঁৰ হৃদয়ত মুষ্টি আঘাত কৰিলে। শ্ৰীকৃষ্ণই ততালিকে তাৰ চুলিকোছাত থাপ মাৰি ধৰি লৈ বুকুত লাথি এটা মাৰি কাটিবলৈ খড়্গ তুলি ললে।

ৰুক্মবীৰৰ তেনে ভাবে অপমৃত্যু হব ধৰাত ৰুক্মিণী দেৱীয়ে কান্দি কান্দি ককায়েকৰ প্ৰাণ ভিক্ষা খুজিলে। শ্ৰীকৃষ্ণৰ

খঙে তেতিয়াও শাম নকটা দেখি তেওঁ কান্দি কান্দি হাতত তৃণ লৈ কলে—"হে স্বামী! ককাইদেউৰ দুখ দেখি মোৰ প্ৰাণ ফাটি যায়। সেই অধম অজ্ঞানীক তুমি নিজ কৃপা-গুণে জীৱন ৰক্ষা কৰা। তোমাৰ চৰণত আঞ্চল পাতি মাগিছো—হে নাথ! মোক সোদৰ দান দি কৃতাৰ্থ কৰা।" তেতিয়াও শ্ৰীকৃষ্ণই ৰুক্মক এৰি নিদিয়া দেখি ৰুক্মিণীয়ে আকৌ কলে—"হে স্বামী! যদি নিতান্তই তুমি মোৰ ভ্ৰাতৃক বধ কৰিব খুজিছা তেন্তে তাৰ আগতে মোকে বধ কৰা।" এই বুলি তেওঁ ককায়েকৰ শোকত কাতৰ হৈ মাটিত লুটি খাই পৰিল। ৰুক্মিণীৰ বিলাপ শুনি দয়াময় শ্ৰীকৃষ্ণৰ পৰম কৰুণা উপজিল। তেওঁ ৰুক্মিণীক শান্ত্বনা দি ৰাজকোঁৱৰৰ প্ৰাণ নেমাৰিলে। তেওঁ খঙেৰে ৰুক্মৰ মূৰৰ চুলিকোছা কাটি দি দাড়ি-গোফ চকু-ভুৰু আদি উভালি মুখত চূণ কালি ঢালি ঢকা এটা মাৰি তাৰ পৰা আঁতৰ কৰি দিলে। মৰাশ এটাৰ নিচিনাকৈ ৰুক্ম মাটিত পৰি গল।

**দ্বাৰকাত শুভ-পৰিণয়:**—শ্ৰীকৃষ্ণই প্ৰিয়া ৰুক্মিণীৰ মুখ পীত বস্ত্ৰেৰে মচি শান্ত্বনা কৰি পৰম কৌতুকেৰে দ্বাৰকাপুৰত প্ৰৱেশ কৰিলে।

"শ্ৰীকৃষ্ণ আহি পালে ৰুক্মিণীকে লৈ
আদৰিলে দৈৱকীয়ে মনত আনন্দ কৈ।
মাকৰ পাছত শ্ৰীকৃষ্ণ যায় ধীৰে ধীৰে
ৰুক্মিণীৰ লগে কৃষ্ণ মাৱক প্ৰণমে।

চিৰজীৱী হোৱা বুলি আশীৰ্ব্বাদ কৰে
ৰুক্মিণী সহিতে তোমাৰ হওক সুমঙ্গলে ।
অকলে গৈছিলা বাপা লগেৰে আহিলা
কাৰ বুকৰ বাঘা তুমি কাঢ়িয়ে আনিলা ।
কাঢ়ি অনা নাই মই নামাতিলো লাজে ।
আপুনি আহি বহিছে আই সমাজৰ মাজে ।”

দ্বাৰকাত বৰ ধুমধামেৰে যদুপতি শ্ৰীকৃষ্ণ আৰু কুণ্ডিল-কুঁৱৰী ৰুক্মিণীৰ বিয়া হল । কুণ্ডিলৰ ভীষ্মক ৰজা শশীপ্ৰভা মহাদৈ আৰু কুণ্ডিলৰ আন সকলো ডাঙৰ সৰু মুনিহ-তিৰোতা এই বিয়াত উপস্থিত আছিল । আকাশৰ পৰা ব্ৰহ্মা, নাৰদ, ইন্দ্ৰ, আদি দেৱতাসকল, পাতালৰ পৰা বাসুকী আদি নাগ-বিলাক, পৃথিবীৰ বহুদেশৰ ৰজা এই বিয়া খাবলৈ আহিল । শ্ৰীকৃষ্ণ, বলোৰামে সকলোকে আদৰি-সাদৰি গন্ধচন্দন, পুষ্প, তাম্বুল, বস্ত্ৰ-অলঙ্কাৰ আদিৰে পৰম সন্তুষ্ট কৰিলে । এই বিয়াত প্ৰজাপতি পিতামহ ব্ৰহ্মাই নিজ হাতেৰে হোমত আহুতি ঢালিলে । ভীষ্মক ৰজাই কন্যা সম্প্ৰদান কৰিলে । ৰুক্মিণীয়ে ভাটৰ মুখত শ্ৰীকৃষ্ণৰ গুণ শুনি তেওঁৰ চৰণত শ্ৰদ্ধা মাত্ৰ জনাইছিল । ভকতৰ প্ৰতি পৰম কৃপালু জগতৰ ঈশ্বৰ শ্ৰীকৃষ্ণই সেই কথাতে বশ হৈ তেওঁক চিৰজীৱনৰ সঙ্গিনী কৰি আদৰি ললে । ইমানেই হৰি-ভক্তিৰ মহিমা ।

# পাৰিজাত-হৰণ

**নাৰদৰ আহুদি**ঃ—এদিন যদুপতি শ্ৰীকৃষ্ণ আৰু তেওঁৰ বৰঘৈণী ৰুক্মিণী দেৱীয়ে দ্বাৰকাপুৰীৰ প্ৰমোদ-কুঞ্জত বহি মধুৰ আলাপ কৰি আছিল। সেইদিনা দ্বাৰকেশ্বৰক দেখা কৰিবলৈ আহিছিল দেৱৰ্ষি নাৰদ বীণা বজাই বজাই —হৰিগুণ গাই। তেওঁৰ লগতে ঐৰাৱত হাতীত উঠি স্বৰ্গৰ পৰা নামি আহিছিল দেৱৰাজ ইন্দ্ৰ আৰু তেওঁৰ ঘৈণীয়েক শচী দেৱী। পোনে-পোনেই দেৱৰাজক পাছ পেলাই খৰতকীয়াকৈ সোমাই আহিল দেৱৰ্ষি। তেওঁৰ হাতত এপাহ পাৰিজাত ফুল। এই পাৰিজাত ফুলপাহ দেৱৰ্ষিয়ে ছিঙি আনিছিল স্বৰ্গৰ নন্দনকাননৰ পৰা। অনাৰ তেওঁৰ উদ্দেশ্যও আছিল। দেৱৰ্ষি বৰ কৌতুকপ্ৰিয়। ৰান্ধনী উচটাই জোল খোৱা তেওঁৰ স্বভাৱ। চোৰকো তেওঁ চুৰ কৰিবলৈ দিহা দিয়ে, লগতে গিৰিহঁতকো আগলি বাতৰি দি সাৰে থাকিবলৈ কয়। ফলত যি এখন মজাৰ ধেমালি হয় তাক তেওঁ আলেঙে আলেঙে চাই উপভোগ কৰে। এইদৰে দেৱৰ্ষিয়ে নিজ হাতে জাল বঢ়াই শ্ৰীহৰিৰ ভালেমান লীলা চাই চকুৰ

তৃপ্তি পলুৱাইছে। আজিও তেনে এটা ফন্দীকে পেটে পেটে আউটি তাৰ আহুদি কৰি আনিছে বীণখনিৰ আগত বান্ধি এই পাহ পাৰিজাত।

নাৰদৰ মন সততে হৰিদৰ্শন কৰিবলৈ বিয়াকুল হৈ থাকে। নাৰদক দেখামাত্ৰকে শ্ৰীকৃষ্ণদেৱে ৰুক্মিণীৰ সৈতে আসনৰ পৰা উঠি গৈ প্ৰণাম জনালে। নাৰদেও দুই হাত তুলি চিৰঞ্জীৱ হোৱা বুলি আশীৰ্ব্বাদ দিলে। তাৰ পিছত নাৰদে আসন গ্ৰহণ কৰি পাৰিজাত ফুলপাহ শ্ৰীকৃষ্ণৰ হাতত দি কলে— "হে ৰুক্মিণীবল্লভ শ্ৰীকৃষ্ণ! এই পাৰিজাত ফুলৰ অতুল মহিমা। ইয়াৰ গোন্ধ তিনি প্ৰহৰ বাটলৈ যায়। যি ঘৰত এই পাৰিজাত ফুল থাকে সেই ঘৰত কোনো কালে ধন জন বিভৱৰ অনাটন নহয়। এই দেৱদুৰ্ল্লভ পাৰিজাত যি তিৰোতাই পৰিধান কৰে সেই তিৰোতা পুষ্পৰ মহিমাতেই পৰম সৌভাগ্যৱতী হয়। সেই তিৰোতাক এৰি গিৰিয়েক কলৈকো যাব নোৱাৰে। আঃ, এই কুসুমৰ মহিমা কিমান বৰ্ণাম।"

***ৰুক্মিণীৰ খোপাত পাৰিজাত*** :—মুনিৰ মুখত পাৰিজাত ফুলৰ অতুল প্ৰভাৱৰ কথা শুনি কুণ্ডিলকুঁৱৰী ৰুক্মিণী দেৱীয়ে পৰম আনন্দেৰে শ্ৰীকৃষ্ণৰ কাষলৈ চাপি গৈ হাত যোৰ কৰি কলে—"হে স্বামী! মই তোমাৰ প্ৰথম পত্নী। তাকে জানি হে প্ৰাণনাথ! এই পাৰিজাত মোক দিয়া।" শ্ৰীকৃষ্ণই ৰুক্মিণীৰ এই মোহলগা কথাত পৰম সন্তোষ

পালে। তেওঁ হাঁহি হাঁহি সাদৰী ঘৈণীয়েকৰ লাহতি খোপাত পাৰিজাত ফুলপাহ পিন্ধাই দিলে। ৰুক্মিণীয়ে তেওঁৰ মনুষ্য জন্ম সাৰ্থক হোৱা বুলি ভাবি পুলকিত হ'ল।

শ্ৰীকৃষ্ণই নাৰদ ঋষিক কুশল-বতৰা সুধি কলে— "হে মুনিৰাজ! তোমাৰ আগমনত আজি আমাৰ দ্বাৰকাপুৰী পৱিত্ৰ হ'ল। তোমাক দৰ্শন কৰি আমিও কৃতাৰ্থ হলোঁহক।"

নাৰদে উত্তৰিলে—"হে মোৰ স্বামী কৃষ্ণ! তুমি নৰলোকত মানুহৰ নিচিনা খেলা কৰি সকলোৰে চকুত ধূলি দি আছা। তোমাক ঈশ্বৰ বুলি চিনিব পৰা নাই। মই কিন্তু ভকতিৰ বলেৰে সকলো জানো। তুমি মোক ছলিব নোৱাৰা। হে কৃষ্ণ! তুমি পৰম পুৰুষ নাৰায়ণ। পৃথিবীৰ ভাৰ কমাবলৈ অৱতাৰ হৈ উপজিছিলা। সম্প্ৰতি প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰে দেৱতাসকলক বৰ উৎপীড়ন কৰিছে আৰু কষ্ট দিছে। সেই কাৰণেই শচীৰ সৈতে দেৱৰাজ ইন্দ্ৰ আহি তোমাৰ অভয় চৰণত শৰণ লৈছে।"

নাৰদ মুনিয়ে তেওঁৰ বক্তব্য কৈ শেষ কৰাত পুৰন্দৰ আৰু শচীও সোমাই আহি শ্ৰীকৃষ্ণ-ৰুক্মিণীক প্ৰণাম জনালে। পুৰন্দৰে নানা স্তুতি-নতি কৰি শ্ৰীকৃষ্ণক নিবেদিলে—"হে প্ৰভু কৃষ্ণ! পাপী নৰকাসুৰে আমাক নকৰিবৰ চকৰি কৰিলে। বৰুণৰ ৰাজছত্ৰ আৰু মণিপৰ্ব্বত সি কাঢ়ি লৈছে। দেৱমাতা অদিতিৰ কাণৰ কুণ্ডল-যোৰো সি লুটি লৈ গৈছে। মোকো সি কম লটিঘটি কৰা নাই। হে শ্ৰীকৃষ্ণ! কোটি

ব্ৰহ্মাণ্ডেশ্বৰ! তোমাৰ চৰণৰ বিনে আমাৰ গতি নাই। তুমি নিজ কৃপা গুণে দেৱকুলক ৰক্ষা কৰা।" এইদৰে কৈ কৈ দেৱৰাজে শ্ৰীকৃষ্ণৰ চৰণত কান্দি কান্দি বাগৰি পৰিল।

দেৱতাসকলে কষ্ট পোৱা শুনি বৰ বেজাৰ পাই দয়াময় শ্ৰীকৃষ্ণই ইন্দ্ৰৰ আগত অনতিপলমে নৰকাসুৰক বধ কৰাৰ প্ৰতিশ্ৰুতি দিলে। যদুপতিয়ে নৰক অসুৰক নিধন কৰিবলৈ অঙ্গীকাৰ কৰাত দেৱৰাজ পৰম আনন্দিত হল আৰু তেওঁ শচীৰ লগত অমৰাৱতীলৈ উলটি গল। কৌতুকপ্ৰিয় নাৰদ মুনিয়ে অলপ ধেমালি চাওঁ বুলি তাতেই থাকিল। অলপ পিছতে তেওঁ শ্ৰীকৃষ্ণ-ৰুক্মিণীক তাতেই এৰি সত্যভামা দেৱীৰ কাৰেঙৰ ফালে খোজ ললে।

***আহুদীৰ কাহুদি*** :—সত্যভামাই বহুত দিনৰ মূৰত নাৰদ মুনি তেওঁৰ ঘৰলৈ যোৱা দেখি বৰ আস্তব্যস্ত কৰি তেওঁক বহুৱালে। ভৰি-হাত ধুৱাই সেৱা-সতকাৰ জনাই তেওঁ দেৱৰ্ষিৰ আগলৈ গুৱাপাণৰ বটাটো আগবঢ়াই দিলে। নাৰদ মুনিয়ে নিজ হাতেৰে গুৱা কাটি এমোকোৰা মুখত ভৰাই লৈ আচল কথাটো কবলৈ পাতনি মেলিলে।

তেওঁ কলে—"দেৱী সত্যভামা! সঁচাকৈয়ে তুমি বৰ দুৰ্ভগীয়া। কৃষ্ণ-গোঁসাইৰ এনে বিপৰীত স্বভাৱ বুলি মই আজিহে বুজি পালো। সত্যভামাই এই কথা শুনি সোণকালে সকলো কথা ভাঙি-পাতি কবলৈ মুনিৰাজক পেৰি পেৰি

খাটীন ধৰিলে। নাৰদে কলে—"সেইবোৰ দুখৰ কথা কিনো কম, কি শুনিবা আই! মই দেৱদুৰ্লভ পাৰিজাত ফুল এপাহ আনি তোমাৰ গোঁসাইৰ হাতত দিছিলো। সেই পাৰিজাত ফুল যি তিৰোতাই পিন্ধে ফুলপাহৰ গুণতে তেওঁ পৰম সৌভাগ্যৱতী হয়। মই গোঁসাইক কলো,—এই পাৰিজাতৰ যোগ্য হৈছে সত্যভামা। গোঁসায়ে কি কৰিলে জানা? তোমালৈ অৱজ্ঞা দেখুৱাই তেওঁ নিজ হাতেৰে ফুলপাহ ৰুক্মিণী দেৱীৰ খোপাত পিন্ধাই দিলে। আই! তোমাৰ জীৱন ধিক, ধিক। সতিনীৰ তলতীয়া হৈনো কেনেকৈ জীৱন ধৰি আছা? মাও! তুমি জীৱন্ততে মৰাৰ নিচিনা। আৰুনো বিস্তাৰি কি কম?"

*ৰোহঘৰত সত্যভামা*ঃ—নাৰদৰ মুখত এই বতৰা শুনি সত্যভামা দেৱীয়ে সতিনীৰ প্ৰতাপ দেখি খঙে-অপমানে চাৰিওফালে ধোঁৱাকোঁৱা দেখিলে। ৰোহঘৰত সোমাই লৱঙ্গলতা ধুমুহাত উভালি পৰাৰ নিচিনাকৈ তেও মূৰ্চ্ছা গৈ মাটিত ঢলি পৰিল। তেওঁৰ খোপা স্খুলকি মূৰৰ চুলিবোৰ ডাল ডাল হৈ মুকলি হল। মুখত মাত নাই। নাকৰ উশাহ-নিশাহ টুটি আহিল। সখীয়েক ইন্দুমতীয়ে তেওঁক বাহু মেলি দাংকোলা কৰি তুলি ধৰিলে। মূৰত পানী ঢালিলে। ৰিহাৰ আঁচলেৰে বিছি বিছি নানা ভাবে বুজনি দিবলৈ ধৰিলে। কলহপ্ৰিয় নাৰদ মুনিয়ে সত্যভামাৰ সতিনী-খিয়াল জুইত

উচটনি-ঘিউ ঢালি মিচিকিয়া হাঁহি এটা মাৰিলে। আহুদিপালিয়ে গুণ দিবলৈ ধৰা দেখি তেওঁ লাহে লাহে তাৰ পৰা আঁতৰ হল। শ্ৰীকৃষ্ণক সত্যভামাই আইধৰ বাইধৰ লগাই মূৰ্চ্ছা যোৱাৰ বাতৰি মুনিৰাজে দি কলেগৈ—"হে কৃষ্ণ গোঁসাই! তোমাৰ সত্যভামাই পাৰিজাত ফুলপাহৰ কাৰণে ভাতপানী এৰি কান্দিকাটি বাউলী হৈছে। সোনকালে তেওঁৰ কাষলৈ যোৱা। পলম কৰিলে দেখা পোৱা নে নোপোৱা তাকেই কোৱা টান।"

নাৰদৰ লগত শ্ৰীকৃষ্ণ উধাতু খাই সত্যভামাৰ কাষ পালেহি। দেখে যে তেতিয়াও দেৱীৰ মুখখনি চকুপানীৰে তিতি আছে। ঘনে ঘনে দুখৰ নিশাহ পেলাই তেওঁ মাটিলৈ একে থৰে চাই ফোপাই-জোপাই বহি আছে। শ্ৰীকৃষ্ণই পীতবস্ত্ৰেৰে তেওঁৰ চকুলো মচি দি কাষতে বহি নিচুকাই কবলৈ ধৰিলে—"দেৱী সত্যভামা! মই এপাহ মাথোন ফুল ৰুক্মিণীক দিছো। সেই সামান্য কথাটোতে যদি তুমি ইমান বেজাৰ পাইছা তেন্তে উঠা। তোমাক মই লেখি লেখি এশ পাহ পাৰিজাত আনি দিম। ৰুক্মিণী, জাম্বৱতী কোনো জনীয়ে তোমাৰ সমান ভাগ্যৱতী নহয়। তুমিহে মোৰ দেহলাও। তোমাৰ দুখ দেখিলে মোৰ হৃদয় ভাগি যাব খোজে। হে প্ৰিয়া! মই তোমাক শপত দি মাতিছো উঠা, উঠা।"

শ্ৰীকৃষ্ণৰ কথা শুনি সত্যভামাই তেওঁৰ ফালে পিঠি দি তলমূৰ কৰি উচুপি উচুপি কান্দি অভিমানৰ সুৰত

কলে—“হে স্বামী ! তোমাৰ কপট বাক্যই মোৰ গা নুযুৰায়। মোৰ কাষত তোমাৰ কি প্ৰয়োজন ? যোৱা, তোমাৰ মৰমৰ বৰঘৈণী ৰুক্মিণীৰ কাষলৈ যোৱা। মইনো তোমাৰ কিহৰ কি হওঁ ?” এইবুলি অলপ সময় কান্দি কান্দি তেওঁ আকৌ কলে—“হে স্বামী ! মই সতিনীৰ তল। তুমি মোক যি অপমান দিলা তাৰ পিছত মই কোনটো নাকেৰে প্ৰাণ ৰাখিম ?” ডিঙিত কলহ বান্ধি মৰি যোৱাটোৱেই মোৰ পক্ষে মঙ্গল।”

***মানভঞ্জন*** ঃ—এইদৰে নানা তিৰস্কাৰ শুনি শ্ৰীকৃষ্ণই বুজাই বুজাই ভালেমান পৰৰ মূৰত সত্যভামাক অলপ শাঁত কৰিলে। ইন্দুমতীয়েও সত্যভামাক শ্ৰীকৃষ্ণৰ ফলীয়া হৈ বুজনি দি ভাল কৰিবলৈ চেষ্টা কৰিলে। স্বামীৰ বিনয় বাণী শুনি দেৱীৰ চিত্ত কিঞ্চিত শান্ত হোৱাত শ্ৰীকৃষ্ণই তেওঁক কাষতে বহুৱাই লৈ পীত বস্ত্ৰেৰে গাৰ ধূলি জোকাৰি দিলে। আউলি-বাউলি চুলিটাৰ বান্ধি দিলে। নিজ হাতেৰে কৰ্পূৰ তাম্বুল খুৱালে। তাৰ পিছত শ্ৰীকৃষ্ণই কলে—“দেৱী ! পাপী নৰক অসুৰে দেৱতাসকলক জিনি সৰ্ব্বস্ব লুটিপুটি নিছে। আগে সেই দুৰন্তক বধ কৰি দেৱপুৰী শত্ৰুশূন্য কৰিম। তাৰ পিছত তোমাক পাৰিজাত আনি দিম।”

সত্যভামাও লগত যাবলৈ ওলোৱাত শ্ৰীকৃষ্ণই তেওঁক নিবলৈ সন্মত নহল কিয়নো যুদ্ধৰ সময়ত তিৰোতা

লগত নথকাই ভাল। কিন্তু সত্যভামা সিমান সহজতে এৰা তিৰোতা নহয়। তেওঁ কলে—"হে স্বামী! মোৰ বহুত সতিনী। এইবাৰ পাৰিজাত আনি তুমি কোনজনীক দিয়া সেইকথা বুজা টান। মই কোনোমতেই তোমাৰ লগৰ পৰা এৰা নিদিওঁ।"

অগত্যা এৰাব নোৱাৰি শ্ৰীকৃষ্ণই সত্যভামাকো লগতে ওলাবলৈ আদেশ দিলে। এইদৰে সত্যভামাৰ মানভঞ্জন কৰি থাকোঁতে নৰকাসুৰ বধিবলৈ যোৱাত পলম হোৱা দেখি নাৰদ ঋষিয়ে শ্ৰীকৃষ্ণক তিৰোতাসেকুৱা আদি দুই এটা বিশেষণ দি টান কথাও শুনালে। শ্ৰীকৃষ্ণই তেওঁকো আশাৰ কথা দি ততাতৈয়াকৈ সত্যভামাৰ লগত গৰুড়ৰ পিঠিত উঠি যুদ্ধৰ সাজেৰে বাহিৰ ওলাল।

**নৰকাসুৰ বধ ঃ**—গৰুড়ৰ পিঠিত কৃষ্ণ-সত্যভামা বায়ু-বেগেৰে উৰি আহি কামৰূপ পালে! শ্ৰীকৃষ্ণৰ পাঞ্চজন্য শঙ্খৰ নিনাদ শুনি নৰকাসুৰ খেদি আহিল।

"ফুঙ্কালে শঙ্খ হৰি বাৰে বাৰে
শুনি শত্ৰুক ভৈল হৃদি বিদাৰে।
জানিলে আহিল মাধৱ ৰায়
গৰজি দানৱ যুদ্ধক যায়।
সমৰক বাজে বজায় ঢোল
ধৰ ধৰ মাৰ মাৰ উঠে বহু ৰোল।

ধাৱে সুৰ নৰকাসুৰ ৰাগি
খাণ্ডা ফিঙ্কাৰে কৃষ্ণক লাগি।
কাটিলে বাহু, কান্ধ কৰ সিৰ
মাৰিলে হৰি সৱ দানৱ বীৰ।
কোপে চক্র ক্ষেপি জগন্নাথ
কাটিলে দাৰুণ নৰকৰ মাথ।”

নৰকাসুৰক মাৰি শ্ৰীকৃষ্ণই যশস্যা বঢ়োৱা দেখি দেৱতাসকলে আনন্দ কৰি দুন্দুভি বজাবলৈ ধৰিলে। জয় কৃষ্ণ জয় কৃষ্ণ বুলি তেওঁলোকে দ্বাৰকাপতিৰ শিৰত পুষ্পবৃষ্টি কৰিলে। নৰকাসুৰৰ মাক বসুমতীয়ে পুত্ৰৰ শোকত কান্দি-কাটি বাউলী হৈ শ্ৰীকৃষ্ণৰ আগলৈ লৰি আহিল। তেওঁৰ নাতি নৰক-নন্দন ভগদত্তকো তেওঁৰ লগত আনিলে।

শ্ৰীকৃষ্ণই বসুমতীক শান্ত্বনা দি কলে—“দেৱী বসুমতী, তুমি অনৰ্থক শোক নকৰিবা। তোমাৰ পুত্ৰ নৰকাসুৰ ভূমিৰ ভাৰ আছিল। সেই নিমিত্তেহে মই তাক মাৰি তোমাৰ ভাৰ দূৰ কৰিলোঁ। এতিয়া মই এই ভগদত্তকে কামৰূপৰ ৰাজপাটত বহুৱাই থৈ যাম”। এই বুলি শ্ৰীকৃষ্ণে বসুমতীক আশ্বাস দি নৰকৰ অন্তেসপুৰলৈ গ’ল। তাত বন্দিনী হৈ থকা যোলহাজাৰ কন্যাক তেওঁ দ্বাৰাকাপুৰলৈ পঠাই দিলে। অদিতিৰ কৰিয়া, বৰুণৰ ছত্ৰ, মণি পৰ্ব্বত আদিৰো উদ্ধাৰ সাধন কৰি গৰুড়ৰ পিঠিত উঠি সত্যভামাৰ লগত স্বৰ্গৰ ফালে যাত্ৰা কৰিলে।

*দেৱলোকত-কৃষ্ণ-সত্যভামা* :—স্বৰ্গৰ দুৱাৰমুখ পাই শ্ৰীকৃষ্ণই শঙ্খধনি কৰিলে। সেই শঙ্খধ্বনি শুনি দেৱতা-সকলে আহি শ্ৰীকৃষ্ণক সম্বৰ্দ্ধনা জনালে। সেই দেৱমণ্ডলীত-কৈও সত্যভামাৰ মনটো টানি দিছিল বিমানৰ ওপৰত প্ৰকাশ কৰি থকা পাৰিজাত বৃক্ষই। শ্ৰীকৃষ্ণই তেওঁক সেই গছ চিনাই দিয়াত তেওঁ ভাবিলে—"আজি মোৰ জীৱন সাফল হ'ল। এই পাৰিজাত পুষ্প লৈ গৈ মই সতিনীহঁতৰ মাজত লাহ-বিলাহ কৰি ফুৰিব পাৰিম।"

ইয়াৰ পিছত অলপসময় শ্ৰীকৃষ্ণ আৰু দেৱতাসকলৰ মাজত আলাপৰ চেনেহাচেনেহি হল। শ্ৰীকৃষ্ণই অদিতিক কৰিয়াযোৰ দিয়াত দেৱজননীয়ে তেওঁক পৰম ঈশ্বৰ বুলি ভাবি তুতি কৰিবলৈ ধৰিলে।

"জয় জয় জগতনিবাসা।
জয় জয় অসুৰবিনাশা ॥
জয় জয় ঈশ্বৰ মুৰাৰি।
জয় জয় অসুৰ সংহাৰি ॥
জয় জয় সাৰঙ্গধাৰী।
জয় জয় ব্ৰহ্ম-অধিকাৰী ॥
জয় জয় জগতক ধাতা।
জয় জয় পাতেক ঘাতা ॥
জয় জয় ভৃত্যক ত্ৰাতা।
জয় জয় মুকুতিদাতা ॥

জয় জয় যাদৱ ৰামা ।
জয় জলধৰা তনু শ্যামা ॥
পৰম পুৰুষ কৰু ত্ৰাণা ।
তুয়া বিনে গতি নাহি আনা ।”

ভগৱান শ্ৰীকৃষ্ণই অদিতিৰ তন্ময় অৱস্থা দেখি বৈষ্ণৱী মায়াৰে তেওঁৰ মন মুহি কলে—“হে মাতা ! তুমি আমাৰ পৰম দেৱতা । সদায় মাথোন আমাক আশীৰ্ব্বাদ কৰি থাকিবা ।” বৰুণকো ছত্ৰ মণি তেওঁ আদি দি তেওঁ বিদায় দিলে । থানৰ দেৱতা থানলৈ যোৱাত নাৰদৰ লগত কৃষ্ণ-সত্যভামা নন্দনবনৰ ফালে গল ।

***পাৰিজাত-ভিক্ষা*** **:**—শ্ৰীকৃষ্ণই তেতিয়াও পাৰিজাতৰ ফালে মন নিদি আলম-পলম কৰা যেন পাই সত্যভামাই তেওঁৰ পীতবস্ত্ৰত ধৰি গৰ্জ্জি গৰ্জ্জি টান কথা শুনাবলৈ ধৰিলে। সত্যভামাই সোঁৱৰাই দিয়াত শ্ৰীকৃষ্ণৰ পাৰিজাতলৈ মনত পৰিল । তেওঁ ইন্দ্ৰৰ পৰা ফুল খুজি আনিবলৈ ঋষিৰাজ নাৰদক পাচিলে ।

সেইমতে দেৱৰ্ষিয়ে গৈ ইন্দ্ৰৰ আগত সত্যভামাই পাৰিজাত নিবলৈ পঠোৱা বুলি কলে । ইন্দ্ৰই দেৱৰ্ষিক একো দান-সমিধান দিবলৈ নৌ পাওঁতেই ইন্দ্ৰানী শচীয়ে মানুহৰ তিৰোতা সত্য-ভামাই এই দেৱভোগ্য ফুললৈ হেপা মেলা দেখি দাং খাই উঠিল । ইন্দ্ৰয়ো দেৱাঙ্গনাৰ উপযোগী পাৰিজাত দিবলৈ ইচ্ছা নকৰিলে । সাতেপাঁচে নাৰদ মুনি ইন্দ্ৰৰ কাষলৈ শেনটো হৈ

গৈছিল আৰু শ্ৰীকৃষ্ণৰ কাষলৈ ফেঁচাটো হৈ উলটি আহিল।

শচীৰ দপদপনিৰ বিষয়ে তেওঁ তিলকে তালটো কৰি সত্যভামাৰ আগত লগালে। এনেয়ে সত্যভামা ৰাওধাও। তাতে শচীৰ মুখৰ এনে অহঙ্কাৰৰ কথা শুনি তেওঁ নাচি উঠিল। তেওঁ কলে—"মই সত্ৰাজিতৰ জীয়াৰী, শ্ৰীকৃষ্ণৰ তিৰোতা। তাই দানৱৰ বেটী শচীক খাতিৰ কৰি ফুল নিবলৈ হলে মান থাকে কত ? হে প্ৰাণনাথ শ্ৰীহৰি সোনকালে মোক পাৰিজাত আনি দিয়া !" নাৰদেও তাতে হয়ভৰ দিলে।

অগত্যা শ্ৰীকৃষ্ণই সত্যভামাৰ লগত পাৰিজাত-কুঞ্জত সোমাই ফুলগছ উভালিবলৈ ধৰিলে। ৰখীয়াবিলাকৰ পৰা পাৰিজাত-হৰণৰ বতৰা পাই শচীয়ে পুৰন্দৰক খঙেৰে কলে—"হে স্বামী! তুমি বিদ্যমান থাকোঁতে মোৰ পাৰিজাত মানুহৰ তিৰোতাই লৈ যায়। তুমি ধিক! তোমাৰ হাতত থকা বজ্ৰও ধিক!" এই বুলি তেওঁ বিলাপ কৰিবলৈ ধৰিলে। তিৰোতাসেকুৱা ইন্দ্ৰই শচীক নিচুকাই হাতত ধেনুশৰ লৈ ঐৰাৱতত উঠি শ্ৰীকৃষ্ণক খেদি আহিল। তেওঁৰ লগত আন দেৱতাবিলাক আৰু শচীও আহিল।

***শচী-সত্যভামাৰ বাক্যযুদ্ধ*** :— শচীয়ে আহিয়েই সত্যভামাক এজাউৰি গালি শোধালে। সত্যভামায়ো যোৰাই-জোখাই উত্তৰ দিলে। এই দুয়োজনা তিৰোতাৰ মুখ দুখন

সমানে কাটন। দুয়ো দুয়োকে গালি পাৰিয়েই সাত পুৰুষ উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিলে! এইদৰে কিছুসময় বাক্য-যুদ্ধৰ পিছত সত্যভামাই কলে—"হঞেৰা দানৱৰ বেটী ইন্দ্ৰানী! মোৰ আগত তোৰ ইমানটো বৰাই? মই পৰম দৰ্প কৰি তোৰ পাৰিজাত আনিলো। চাওচোন, তোৰ পঞেৰ পুৰন্দৰৰ কিমান শক্তি! পাৰে যদি সি যুদ্ধ কৰি পাৰিজাত ওলোটাই নিয়ক। তেতিয়াহে তোৰ বৰাইটো ৰব।" ইয়াকে কৈ তেওঁ ডালে-মূলে এসোপা পাৰিজাত উভালি আনিলে।

দেৱী সত্যভামাৰ এনে বিকৰ্থনা-বাণী শুনি শচীয়ে কোপে-অপমানে ইন্দ্ৰক বুলিলে—"হে স্বামী দেৱৰাজ! তোমাৰ জীৱন ধিক, ধিক! মানুহৰ তিৰোতা এজনীৰ ইমানবোৰ গালি এতিয়াও কাণকটা কুকুৰৰ দৰে শুনি আছা? ছিঃ, তুমি পুৰুষৰ সাজ সলাই মেখেলা পিন্ধাহে উচিত। তোমাৰ দেৱত্ব, তোমাৰ ইন্দ্ৰত্ব সকলো মিছা।"

**ইন্দ্ৰৰ *পৰাভৱ*:**—শচীৰ পৰা ইমানবোৰ ধিক্কাৰ দেৱ-ৰাজে শুনি থাকিবলৈ টান পালে। তেওঁৰো বৰ খং উঠিল। চাওঁতে চাওঁতে দেৱৰাজ ইন্দ্ৰ আৰু যদুপতি শ্ৰীকৃষ্ণৰ মাজত এখন তয়াময়া ৰণ হল। ইন্দ্ৰই শ্ৰীকৃষ্ণৰ বাণত কিছু সময় মূৰ্চ্ছা গৈ পৰি আছিল। ইন্দ্ৰই এই বাৰ আন উপায়ে বলে নোৱাৰি তেওঁৰ হাতৰ অমোঘ অস্ত্ৰ বজ্ৰ শ্ৰীকৃষ্ণৰ ফালে মাৰি পঠিয়ালে। হৰিয়ে হাঁহি হাঁহি সেই বজ্ৰৰ প্ৰহাৰো

2-11-57

গা পাতি ললে। বজ্র তেওঁৰ মুঠিতে থাকিল। গাৰ লোম এডালো নলৰিল। এই বাৰ যদুপতিয়ে হাতত চক্র তুলি ললে। তাকে দেখা পায়েই ইন্দ্ৰৰ চুলিৰ আগেদি জীৱ উৰি যোৱাৰ নিচিনা হল। তেওঁ হাতীৰ পৰা নামি ভয়ত লৰ দিলে।

শ্ৰীকৃষ্ণয়ো দিলে পাছে পাছে শিশুপাল খেদা। তাকে দেখি সত্যভামাৰ আনন্দ চায় কোনে? তেওঁ দেৱৰাজক কটা ঘাত কলাখাৰ ঢলাৰ নিচিনাকৈ কবলৈ ধৰিলে – "হেৰৌ নিলাজ পুৰন্দৰ! তই কি নিমিত্তে পলাইছ? দেৱতাৰ ৰজা হৈ মানুহ কৃষ্ণৰ ভয়ত ভঙ্গ দিয়া উচিত নহয়। তোৰ আগত পাৰিজাত-মঞ্জৰী পিন্ধি শচীয়ে লাহবিলাহ কৰি গা ঘেলায়। তই বজ্ৰধৰ বীৰ। লাজমান সকলোকে পুৰি খাই এতিয়া কেনৈ পলাইছ? হঞেৰা পামৰী শচী! এই ইন্দ্ৰক লৈয়েই তই বৰ গেলা গপ মাৰিছিলি নহয়নে? এতিয়া তোৰ ভতাৰক ওলোটাই নান কিয়? মই মানুহৰ তিৰোতাই তহঁতৰ পাৰিজাত লৈ যাওঁ। তই এই বেজাৰতে ডিঙিত কলহ বান্ধি মৰ।" এই গালি শুনি ইন্দ্ৰৰ গালৈ হুচ আহিল। তেওঁ সত্যভামাৰ আগত সেও মানিলে আৰু শ্ৰীকৃষ্ণক পৰম ঈশ্বৰ বুলি জয়দেউ কাকূতি কৰিবলৈ ধৰিলে।

ভকতৰ ভগৱান শ্ৰীকৃষ্ণই ইন্দ্ৰৰ প্ৰতি তুষ্ট হৈ তেওঁক ক্ষমা কৰিলে আৰু বজ্র ঘূৰাই দিলে। ইন্দ্ৰৰ চাটুবাক্য শুনি শ্ৰীকৃষ্ণ ভোল যোৱা যেন ভাবি সত্যভামাই তেওঁক নিন্দা কৰি পাৰিজাতৰ কথা সোঁৱৰাই দিলে। এই বাৰ ইন্দ্ৰই আপোন

মানে-জ্ঞানে গোঁসাইক পাৰিজাত নিবেদিলে আৰু সুধৰ্ম্মাৰ সভাৰ পৰা অনা সকলো সম্পত্তি দ্বাৰকালৈ বটাবাহন পঠালে। শ্ৰীকৃষ্ণ-সত্যভামাই পাৰিজাত লৈ ঘৰলৈ উলটিল।

***প্ৰতিজ্ঞা-পালন*** :—শ্ৰীকৃষ্ণই নৰকাসুৰক বধি, ইন্দ্ৰক জিনি পাৰিজাত লৈ বিজয়ী বেশেৰে দ্বাৰকাপুৰত প্ৰৱেশ কৰিলে। দ্বাৰকাত মহা উৎসৱ মিলিল। ঠায়ে ঠায়ে জয়-বাদ্য বাজিবলৈ ধৰিলে। স্বামীয়ে যুদ্ধ জিনি অহা শুনি ৰুক্মিণী দেৱীয়ে সখীয়েকসকলৰ লগত আগবাঢ়ি আহি তেওঁক প্ৰণাম জনালে। শ্ৰীকৃষ্ণয়ো তেওঁক মৰমেৰে আদৰি-সাদৰি মধুৰ সম্ভাষণ কৰিলে।

ৰুক্মিণীক দেখি সত্যভামাই অহঙ্কাৰত বুকু ফিন্দুৱাই কলে—"হেৰা বিদৰ্ভৰ ৰাজকুমাৰী বাইদেউ! স্বামীয়ে তোমাক এপাহ মাথোন পাৰিজাত দিছিল। চোৱাচোন, সেই পাৰিজাত ফুল মই তেওঁৰ হতুৱাই গছে-শিপাই উভলাই আনিছে এৰিলো। মোৰ আজি কিমান সৌভাগ্য চাই লোৱা।"

সত্যভামাৰ এনে ওফাইদাং মৰা কথা শুনি ৰুক্মিণীয়ে হাঁহি হাঁহি উত্তৰ দিলে—"ভনীটী সত্যভামা! তুমিনো কেনেবোৰ কথা কোৱা? জগতৰ পৰম গুৰু আমাৰ স্বামী শ্ৰীকৃষ্ণ। তেওঁৰ চৰণ সেৱা কৰিলে পৃথিৱীৰ কিবা বস্তু দুৰ্লভ হৈ থাকেনে? ধৰ্ম্ম, অৰ্থ, কাম মোক্ষ সকলো হাতে হাতে মিলে। তোমাৰ পাৰিজাতনো কি কথাৰ কথা?" এই বুলি কুণ্ডিল-

কুঁৱৰীয়ে শ্ৰীকৃষ্ণৰ ৰঙা চৰণ দুখনি মৃণাল বাহু দুটিৰে মেৰাই ধৰি ভক্তি-প্ৰেম-ৰসত মতলীয়া হৈ নয়ন ভৰি কৃষ্ণ-ৰূপামৃত পান কৰিলে।

সত্যভামা কিন্তু সিমানতো ক্ষান্ত নহল। তেওঁ শ্ৰীকৃষ্ণক পাৰিজাত ৰুই দিবলৈ নিহে এৰিলে। শ্ৰীকৃষ্ণই গৈ তেওঁৰ হাউলীত পাৰিজাত জোপা ৰুলে। সত্যভামাই কিন্তু সতিনী-য়েকহঁতে তাৰ পৰাও ফুলজোপা চুৰ কৰি নিব বুলি ভাবি-চিন্তি অস্থিৰ হ'ল। শ্ৰীকৃষ্ণই তেওঁৰ মনত সন্তোষ দিবলৈ পুনৰ তাৰ পৰা গছজোপা উভালি লৈ গৈ এই বাৰ একেবাৰে সত্যভামাৰ ঘৰৰ দুৱাৰমুখতে ৰুই দিলে। তেতিয়াহে তেওঁৰ মনৰ সকলো খুদুৱনি মাৰ গ'ল।

"পাৰিজাত-হৰণ ইহাৰ নাম
শুনা বন্ধুজন, হৰিগুণ অনুপাম।"



# ৰাম-বিজয়

“জয় জয় ৰঘুকুল কমল প্ৰকাশক
দাসক নাশক ভীতি।
জয় জয় নিজ জন যাতন ঘাতন
পাতন পাতক ৰীতি ॥
হৰক শৰাসন নাশন শাসন
নৃপগণ বাণ সন্ধানে।
ছেদল ভেদল খেদল দাপেত
তাপে পলায়ত প্ৰাণে ॥
ভৃগুবৰ ৰামক ৰামক কাৰক
কয়লি দৰ্প উপান্ত।
ভৱ-ভয় ভঞ্জন ৰঞ্জন সজ্জন
জীৱন জানকাকান্ত ॥”

***আইৰো বাৰ্ত্তা গঙ্গাৰো যাত্ৰা ঃ***—অযোধ্যাৰ ৰজা দশৰথ। তেওঁ চাৰি পুতেক—ৰাম, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্ন। এদিন ৰজাসিংহ পাটত বহি আছে। ঋষিৰাজ কৌশিকে শিষ্যসকলৰ সৈতে আহি মহাৰাজ দশৰথক আশীৰ্ব্বাদ কৰিলে। কৌশিক মুনিৰ আন এটা নাম বিশ্বামিত্ৰ। ৰজাই ঋষিৰাজে তেওঁৰ ৰাজচৰাত পদধূলি দিয়া দেখি বৰ ভাল পালে আৰু বৰ আষ্টব্যস্ত কৰি ভক্তি জনাই ঋষিয়ে যি

দান খোজে তাকে দিম বুলি অঙ্গীকাৰ কৰিলে। কৌশিকে ৰজাৰ আচৰণত তুষ্ট হৈ হাঁহি হাঁহি বুলিলে—"হে মহাৰাজ! তুমি পৃথিৱীৰ কল্পতৰু। প্ৰাৰ্থীজন তোমাৰ ওচৰত কোনো দিনে বিমুখ নহয়। এই কথা মনত ৰাখিহে মই তোমাক প্ৰাৰ্থনা জনাও শুনা—আমি সিদ্ধাশ্ৰমত যজ্ঞ আৰম্ভিছো। সেই যজ্ঞত মাৰীচ, সুবাহু আদি ৰাক্ষসে বিঘিনি আচৰিছে। আমাৰ যজ্ঞ ৰক্ষা কৰিবৰ নিমিত্তে তোমাৰ ৰাম-লক্ষ্মণ দুই ৰাজকোঁৱৰক মোৰ লগত পঠোৱা। সোণকালে মোৰ মনৰ অভিলাষ সিদ্ধি কৰা। কুশল হব।"

ৰজাই ঋষিৰ মুখত এনে নিৰ্দ্দয় বচন শুনি বৰ বিমোৰত পৰিল। চিন্তাত তেওঁ কিছুপৰ মূৰ্চ্ছা গল। তাৰ পিছত অলপ ভাল পাই মুনিৰ চৰণত সাৱট মাৰি ধৰি কলে—"হে মুনিৰাজ! মোৰ পুত্ৰ ৰাম-লক্ষ্মণ দুধকণ্ঠ বালক। কোন সতেৰে মই সিহঁতক ৰাক্ষসৰ মুখলৈ ঠেলি পঠিয়াও? তাতকৈ ঋষি! মোকেই আপোনাৰ লগত যাবলৈ অনুমতি দিয়ক।" দশৰথৰ কথা শুনি অগ্নিঋষি বিশ্বামিত্ৰৰ চকুৰে ভমক ভমক জুইৰ আঙনি ওলাবলৈ ধৰিলে। খঙৰ কোবত তেওঁ দশৰথ ৰজাক গালি পাৰি ভো ভো কৰি যাবলৈ ওলাল। দশৰথে ৰাম-লক্ষ্মণৰ সলনি তেওঁক নিবলৈ নানা কাকুতি-মিনতি কৰিলে।

ঋষিয়ে ৰজাক বুজনি দি কলে—"ৰজা! তুমি ৰামৰ চৰিত্ৰ অলপো নাজানা। তপস্যাৰ প্ৰভাৱত মই সকলো

কথা জানো। এই ৰামচন্দ্ৰ পৰম ঈশ্বৰ। অসুৰ-ৰাক্ষসক বধ কৰি তেওঁ ভূমিৰ ভাৰ লঘু কৰিব। এই কথা জানি তুমি মনত অলপো চিন্তা নকৰিবা। সত্য ৰাখি ৰাম-লক্ষ্মণক মোৰ লগত যাবলৈ দিয়া।"

ঋষিৰ কথা শুনি ৰজাৰ অন্তৰ কিঞ্চিৎ শাঁত হল। অগত্যা তেওঁ ৰাম-লক্ষ্মণক ঋষিৰ হাতত সপি দিলে।

মুনিৰ উদ্দেশ্য সাফল হল। তেওঁ লগত ৰাম-লক্ষ্মণক লৈ আশ্ৰমলৈ বাট ললে। ৰাম-লক্ষ্মণে যদিও ৰাক্ষস মাৰিবলৈ-ওলাল দৰাচলতে এয়েই তেওঁলোকৰ আইৰো বাৰ্ত্তা গঙ্গাৰো যাত্ৰা হল।

***তাৰকা-বধ ঃ—*** আশ্ৰমলৈ যোৱা বাটত তাৰকা নামেৰে এজনী ভয়ঙ্কৰী ৰাক্ষসী থাকে। মুনিৰ লগত যোৱা লৰা দুটি দেখা পাই তাইৰ জিভাৰ পানী পৰিবলৈ ধৰিলে।

"বিকট দশন তাইৰ ৰূপ ভয়ঙ্কৰ
ব্ৰাহ্মণ তপস্বী মাৰি খাইলেক বিস্তৰ।
যত লোক খাইলেক কোনে লেখা কৰে তাক
ত্ৰৈলোক্যৰ লোক পালে পাৰে খাইবাক।
চোবায়ে গিলয় মাথা বৃদ্ধ মানুষৰ
চণ্ডালৰ মুণ্ড তাইৰ কুণ্ডল কৰ্ণৰ।
মনুষ্যৰ তেজে তাইৰ বদন পখালে
গায়ৰ কাপৰ তাইৰ মনুষ্যৰ ছালে।"

কোমল মাংস খাবলৈ পাম বুলি সেই তাৰকা ৰাক্ষসীয়ে এহাতলৈ জিভা মেলি ৰাম-লক্ষ্মণক খেদি আহিল। শ্ৰীৰামচন্দ্ৰয়ো চকুৰ পচাৰতে হাতত ধেনু-শৰ তুলি ললে আৰু হাঁহি হাঁহি সেই বাটভেটি ধৰা ৰাক্ষসীলৈ শৰ জুৰিলে। ৰামৰ শৰত তাৰকা মাটিত বাগৰি পৰিল। অলপ সময় পৃথিবীত ভূইকঁপৰ জোকাৰণি উঠিল। তাৰকাক বধ কৰাৰ বাবে মুনিৰাজৰ আনন্দ চায় কোনে ?

***সুবাহু-বধ, মাৰীচ-দমন ঃ***—তাৰকাক বধ কৰি শ্ৰীৰাম-লক্ষ্মণ ঋষিৰ লগত তপোবনলৈ গল। শ্ৰীৰামচন্দ্ৰই ঋষিৰাজক অভয় দান কৰি যজ্ঞ আৰম্ভ কৰিবলৈ দিলে। সেই দিনা ৰাতি তপোবনৰ অতিথি ৰামলক্ষ্মণক ঋষিবিলাকে বৰ আতোলতোল কৰি ৰাখিলে।

পিছ দিনাৰ পৰা পুনৰ যজ্ঞ আৰম্ভ হল। ৰাম লক্ষ্মণে ৰাক্ষস খেদাৰ ভাৰ লৈ দিনে ৰাতি চব্বিছ প্ৰহৰে দুৰ্দ্দান্ত ৰাক্ষসলৈ খাপ দি থাকিল। ষষ্ঠ দিনৰ দিনা যজ্ঞৰ ধোৱাঁ দেখি আৰু আহুতিৰ ঘিউৰ গোন্ধ পাই নিশাচৰ মাৰীচ আৰু সুবাহু যজ্ঞৰ বিঘিনি ঘটাবলৈ আকাশী পথেদি উৰি আহিল। কেৱল সিহঁত দুটাই নহয়—সিহঁতৰ লগত আহিল বিকট মূৰ্ত্তি আৰু দৈধ্য কোটি ভয়ঙ্কৰ নিশাচৰ। সকলোৰে আগত মাৰীচ। প্ৰলয় কালৰ মেঘেহে যেন আকাশ ঢাকি পেলালে। পৃথিবীত বজ্ৰপাত হোৱা বুলি ঋষিসকলৰ থৰকাচুটি

নোহোৱা হ'ল। ৰাম-লক্ষ্মণে তেওঁলোকক ভয় নকৰিবলৈ কৈ ধেনু-শৰ তুলি ললে। তেওঁলোকৰ লগত ৰাক্ষসবিলাকৰ থৈয়া-নথৈয়া যুদ্ধ হ'ল। ৰাম আৰু লক্ষ্মণৰ শৰে ৰাক্ষস জাকক এফালৰ পৰা কচু কটা দি জাকে জাকে যমৰ নগৰলৈ পঠিয়ালে। এই যুদ্ধ দেখা পাই অলপধতুৱা মুনিসকলৰ ভয়ত অণ্ঠ-কণ্ঠ শুকাই গ'ল। কৌশিক মুনিয়েও আটাহ পাৰিবলৈ ধৰিলে। ৰাম-লক্ষ্মণে আকৌ ঋষিসকলক অভয় দি ধেনুত শৰ জুৰিলে। লক্ষ্মণৰ শৰত আঠ কোটি আৰু শ্ৰীৰামৰ শৰত ছয় কোটি ৰাক্ষস পৰিল। অৱশেষত লক্ষ্মণে ধেনুত ভল্ল-শৰ জুৰি সুবাহু ৰাক্ষসক নিধন কৰিলে। পৰ্ব্বত এখন খহি পৰাৰ নিচিনাকৈ সুবাহু পৰা দেখি মাৰীচ ৰাক্ষসে ভয়ঙ্কৰ আটাহ পাৰি ৰাম-লক্ষণক খেদি আহিল। শ্ৰীৰামচন্দ্ৰই ততালিকে পাঁচ পাত শৰেৰে তাৰ হৃদয় ভেদিলে আৰু বায়ু-শৰ মাৰি তাক আকাশেদি উৰুৱাই পঠালে। ৰামৰ শৰত হোৱা ৰাৱণ ৰজাৰ মোমায়েক মাৰীচ-ৰাক্ষসৰ দুৰ্গতি দেখি দেৱতাসকলে খিলখিলাই হাঁহিবলৈ ধৰিলে। হাঁহিত ত্ৰিদশৰ পেটৰ নাড়ী ডাল ডাল হ'ল। ৰামৰ শৰে শালি মাৰীচক লৈ গৈ ভাগিনেয়েক ৰাৱণৰ সোণৰ লঙ্কাত নেকেহ কৰি পেলাই দিলে।

ৰাম-লক্ষ্মণৰ কীৰ্ত্তি দেখি ঋষিবিলাকৰ আনন্দে নধৰা হ'ল। কৌশিকে আনন্দতে দুই বাহু তুলি নাচিবলৈ ধৰিলে।

***প্ৰস্তাৱনা*** ঃ—শ্ৰীৰামচন্দ্ৰই মাৰীচ আৰু সুবাহু ৰাক্ষসক নিপাত কৰি ঋষিৰ যজ্ঞ সিদ্ধি কৰিলে। বিশ্বামিত্ৰই তেওঁক এই বহুমূলীয়া দানৰ প্ৰতিদান দিবলৈ ইচ্ছা কৰি কলে—"হে ৰঘুনাথ! আজি মিথিলাত জনক ৰজাৰ কনক-নন্দিনী সীতাৰ সয়ম্বৰ। মই জানিব পাৰিছো যি জনে হৰধনুত গুণ লগাব পাৰিব তেৱেঁইহে জানকীৰ বৰমাল্য পাব। সেই ভুৱন-দুৰ্লভ ভাগ্যৱতী যদি তোমাৰ গৃহিনী হয় তেন্তে মই পৰম আনন্দ লভিম। মই যোগৰ বলেৰে জানিছো সেই সীতাই আগৰ জনমত বহুত তপ আচৰিও তোমাক স্বামী নেপালে। এই জনমতো তেওঁ তোমাৰ চৰণকে সুঁৱৰি আছে।"

"কি কহব ৰূপ কুমাৰীক ৰাম।
কনক পুতলি ভুল তনু অনুপাম ॥
ৰতন তিলক লোল অলক কপোল।
হেৰিয়ে ভ্ৰুভঙ্গ ত্ৰিভুবন ভোল ॥
দেখিয়ে বদন চান্দ ভেলি লাজ।
নয়ন নিৰেখি কমল জল-মাজ ॥
বন্দুলি নিন্দি অধৰ কৰু কান্তি।
ডালিম্ব নিবিৰ বীজ দন্তপান্তি ॥
পদ পঙ্কজ নব পল্লৱ পান্তি!
চম্পক পাকৰি আঙুলি কৰু কান্তি ॥
নখচয় চাৰু চান্দ পৰকাশ।
লহু লহু মত্ত গজ গমন বিলাস ॥

কত লাৱন্থ বিধি নিৰমল জানি
কোকিল-নাদ অমিয়া পুৰে বাণী ॥
তোহো স্থকুমাৰ ৰূপ নোহে ভিন।
ৰাজকুমাৰীক বয়ন নবীন ॥”

ঋষিয়ে ৰামৰ আগত সীতাৰ ভুৱনমোহিনী ৰূপ আৰু গুণৰ বৰ্ণনা দিলে। তাকে শুনি ৰামচন্দ্ৰই কলে—“হে মহা মুনিৰাজ! সেই মহেশৰ ধেনু বজ্ৰতকৈও বেছি কঠিন। তাত গুণ লগাবলৈ মোৰনো যোগ্যতা ক’ত? তথাপি মই আপোনাৰ আদেশ শিৰত তুলি লৈ সয়ম্বৰলৈ ওলালো। লৈ বলক।”

*মিথিলা-প্ৰৱেশ ঃ*—ঋষি বিশ্বামিত্ৰ আৰু ভায়েক লক্ষ্মণৰ লগত শ্ৰীৰামচন্দ্ৰই মিথিলাপুৰৰ ৰাজচৰাত প্ৰৱেশ কৰিলে। জনক ৰজাই তেওঁলোকক যথাযোগ্য আসনত বহিবলৈ দিলে আৰু ঋষিৰাজক প্ৰণতি জনাই কোঁৱৰ দুটিৰ পৰিচয় সুধিলে।

“ৰাম আহি পালে আজি মিথিলা নগৰ
জানেক ৰজাই বাৰ্ত্তা পালে আহে ৰঘুবৰ।
বিশ্বামিত্ৰৰ লগত আহে কাৰেবা কোঁৱৰ
নৱ দুৰ্ব্বাদল শ্যাম দেখিৰ স্থন্দৰ।
সীতাৰ কথা শুনি ৰামৰ উত্ৰাৱল চিত্ত
পালেহি মিথিলা আহি ঋষিৰ সহিত।”

দশৰথ ৰজা ৰাজৰ্ষি জনকৰ পৰম বন্ধু। ৰাজৰ্ষিয়ে তেওঁৰ

বন্ধুৰ সুকুমাৰ জ্যেষ্ঠ কোঁৱৰ শ্ৰীৰামচন্দ্ৰই ধেনু ভাঙিবলৈ যোৱা দেখি বৰ হৰিষ পালে। তেওঁ উৎসৱৰ শঙ্খধ্বনি কৰি মণিমন্ত মন্ত্ৰীক মাতি আনি শীঘ্ৰে সয়ম্বৰৰ কাৰ্য্য আৰম্ভ কৰিবলৈ আদেশ শুনালে আৰু উৎসবলৈ জিৰণি-বাঁহৰত খাপ লৈ থকা ৰজা, ৰাজকোঁৱৰসকলক বতৰা দিবলৈ কলে।

উৎসৱ আৰম্ভ হল। ঢোল, ডবা, শঙ্খ, গোমুখ মৃদঙ্গ তাল কৰতাল আদি বাজিবলৈ ধৰিলে। মাঙ্গলিক বাদ্যৰ কোলাহল শুনি তাৰ তত্ত্ব লবলৈ ৰাজকুঁৱৰী জানকীয়ে তেওঁৰ সখীয়েক কনকাৱতীক পাচিলে। কনকাৱতীয়ে সকলো সম্ভেদ লৈ গৈ কলে—“সখী জনকনন্দিনী! তোমাৰ ভাগ্য ভাল। তুমি যাৰ তিল-মাহ খাই আছিছা সেই দশৰথ ৰজাৰ ৰাজ-কুমাৰ কোটি কন্দৰ্পদৰ্প-দলন শ্ৰীৰামচন্দ্ৰই তোমাৰ সয়ম্বৰৰ কথা শুনি আহিছে। সেইকাৰণেই পিতা জনক ৰজাই আনন্দতে দুন্দুভি বজাইছে।” এই বুলি তেওঁ সীতাৰ আগত ৰামৰ ৰূপৰ বৰ্ণনা দি কলে—“সখী! ৰাম-গদাধৰৰ এটা অঙ্গৰ লাৱণ্যৰ কথা এশ বছৰেও কৈ শেষ কৰিব নোৱাৰোঁ।

“শুন সখী, বচন স্বৰূপ
কি কহব ৰামক ৰূপ।
শ্যাম মূৰুতি পীতবাস
ঘন যচ বিজুৰী বিকাশ।
মস্তক ছত্ৰক বেশ
নীল কুঞ্চিত কেশ।

ৰুচিকৰ কৰ্ণ অতুল
নাসা নীল তিলফুল ।
বচন ইন্দু পৰকাশ
অৰুণ অধৰ মন্দ হাস ।
ওভিম দশনপান্তি
মাণিক জিকমিক কান্তি ।
মদনক ধনু ভ্ৰুব-ভঙ্গ
ভুজযুগ বলিত ভুজৱঙ্গ ।
পদতল ৰাতুল কান্তি
ধ্বজ যৱ পঙ্কজ পান্তি ।
মানুষক ঐচন ৰূপ
নাহি শুনি কহলো স্বৰূপ ।
নবীন বয়স সুকুমাৰ
নাৰায়ণ অৱতাৰ ।
কিনো ভৈল ভাগ্য তোহাৰি
তুহু নৱ তৰুণ কুমাৰী ।”

সীতাই আগৰ পৰা গুৰিলৈকে সকলো মনোযোগেৰে শুনি কলে—“সখী ! তুমি ৰামৰ গাত যিবোৰ মহাপুৰুষৰ গুণ দেখা পালা তাৰ পৰাই তেওঁক ঈশ্বৰ নাৰায়ণৰ অৱতাৰ বুলি মই থিৰাংকৈ বুজিলো । সখী ! মোৰ মনোৰথ সাফল হ'ল ।” এইদৰে দুই সখীয়েকৰ মাজত ৰামৰ বিষয়ে আলোচনা হ'ল । সীতাই ৰামতে মনপ্ৰাণ সপিলে ।

**হৰধনু-ভঙ্গ** ঃ—সয়ম্বৰৰ সভালৈ ৰজাবিলাক আহিল। সকলোৱে জানকীক পাবলৈ খোৱা-কামোৰা লগাব খুজিলে। বিশ্বামিত্ৰৰ লগত ৰাম-লক্ষ্মণেও সেই সমাজত প্ৰৱেশিলে। কাপোৰৰ আঁৰত সুসজ্জিতা সীতাক লৈ কনকাৱতী, মদনমন্থৰা, চন্দ্ৰাৱতী, সূৰ্য্যপ্ৰভা আদি সখীয়েকবিলাক বহিল। জনক ৰজাই সেই সভাত সকলোকে তেওঁৰ প্ৰতিজ্ঞা গাই শুনালে। তেওঁ কলে—“মই সীতাৰ বিয়াৰ নিমিত্তে চিন্তা কৰি থাকোঁতে সো মহেশৰ ধনু আকাশৰ পৰা মোৰ আগত পৰিল। লগে লগেই আকাশবাণী হল—যেয়ে এই ধনুত গুণ লগাব পাৰিব তেওঁৰ মূৰতে কুসুম-মালা দি সীতাই স্বামী বৰিব। এয়ে মোৰ সত্য-অঙ্গীকাৰ জানি সকলোৱে চেষ্টা কৰি চোৱাহঁক।”

এই কথা শুনি শতধনু আদি ৰজাই ধেনু ভাঙিবলৈ শেনটোৰ দৰে আগবাঢ়ি গৈ ফেচাটোৰ দৰে উভতি আহিল। ধনুখন দাঙোতেই তেওঁলোক তিনি টেলেঙনি খাই উফৰি কোনোবা-খিনিত পৰিলগৈ। ৰজাসকল নগুৰনাগতি হোৱা দেখি

“বিশ্বামিত্ৰই বোলে ৰাম নাথাকিবা ৰখি
ধনু ভাঙি বিবাহ কৰা সীতা চন্দ্ৰমুখী।
উঠা, উঠা ৰামচন্দ্ৰ! বোলে ঋষিবৰ
ধনু ভাঙি জানকীক লোৱাহে সত্বৰ।”

শ্ৰীৰামচন্দ্ৰই ঋষিক প্ৰণাম জনাই থিয় হৈ কলে—“হে মুনিৰাজ! মই বালক। সো ধনু বজ্ৰাধিক কঠিন। তাত

গুণ লগাবলৈ মোৰনো সামৰ্থ্য কত ? তথাপি আপোনাৰ আজ্ঞা পালি যত্ন কৰি চাওঁ। যি ধনুত গুণ লগাবলৈ ৰজা মহাৰজাসকলেও পৰা নাই সেই ধনুত গুণ লগাবলৈ অসমৰ্থ হলে মোৰনো কি লাজ ?" এনে দৰে কৈ পিতৃ-মাতৃ গুৰুজন উপাস্য দেৱতা সকলোকে ভক্তিভাৱে নমস্কাৰ জনাই ৰাম ধনুৰ কাষলৈ আগবাঢ়ি গ'ল।

ৰজাবিলাকে ছৱাল ৰামৰ তেনে সাহস দেখি বিস্ময় মানিলে। যেতিয়া ৰামচন্দ্ৰই অজগৰ ধনু তুলি লবলৈ হাত আগবঢ়ালে। সীতাৰ মনত বৰ উগুলথুগুল লাগিল।

"জানকীয়ে চিন্তা কৰে ৰামচন্দ্ৰক দেখি
কেনেকৈ ভাঙিব ধনু, কি কৰিলা বিধি ?
পিতা মোৰ নিদাৰুণ বিধতা বিমুখ
লৱনুপুতলি ৰাম পাব বৰ দুখ।"

এইদৰে চিন্তি সীতাই কাতৰ কৰি তেওঁৰ মাতৃ পৃথিবীক বুলিলে—"হে আই বসুমতী ! তুমি থিৰ হৈ ৰোৱা। হে পিতা অনন্ত ! তুমি ভাল কৰি পৃথিবীখন ধৰি থাকা ! হে ঈশ্বৰ কুৰ্ম্মৰাজ ! তুমি অনন্ত আৰু পৃথিবীক সযত্নেৰে ধৰি ৰাখিবা। তোমালোকৰ অনুগ্ৰহত যদি স্বামীয়ে ধেনুত গুণ দিবলৈ পাৰে তেন্তে মোৰ অগতিৰ গতি হয়।"

শ্ৰীৰামচন্দ্ৰই হেলাৰঙে ধেনুখন হাতত তুলি লৈ গুণ লগালে আৰু অপ্ৰয়াসে কৰ্ণমান টানি ধেনুত টঙ্কাৰ দিলে।

"ৰামচন্দ্ৰ সৰু বুলি জগতে হাঁহিলে
বত্রিছ হাজাৰ লোহাৰ ধনু হাতে তুলি ললে।
ৰামচন্দ্ৰ সৰু বুলি জগতে হাঁহিলে
বাঁও হাতে ধনু ধৰি মাজতে ভাঙিলে।
শঙ্খ বাজে, ঢোল বাজে আৰু বাজে বেনু
আকাশে দুন্দুভি বাজে ৰামে ভাঙে ধেনু।
হাতে দধিপাত্ৰ মাল্য জানকী সুন্দৰী
ৰামৰ ওচৰে গৈলা কৃতাঞ্জলি কৰি।
সখীগণ সঙ্গে আসি বাজ ভৈলা সতী
হৰৰ কাষক যেন চলিলা পাৰ্ব্বতী।
চন্দ্ৰৰ কাষত যেন ৰোহিণী শোভিলা
ৰামচন্দ্ৰৰ কাষে তেনে জানকী মিলিলা।
ৰামচন্দ্ৰৰ ওচৰ চাপি জনকৰ বালা
ভক্তিভাবে মূৰত দিলে সুবৰ্ণৰে মালা।
বৰিলে ৰামক সীতা আনন্দ অপাৰ
চৰণত ধৰি দেৱী কৰে নমস্কাৰ।"

ৰাম-সীতাৰ এই মিলনৰ দৃশ্য দেখি ৰজাবিলাকৰ হিংসাত চকু পুৰিবলৈ ধৰিলে। তেওঁলোকে ধৰ ধৰ মাৰ মাৰ শব্দ কৰি শ্ৰীৰামচন্দ্ৰক আক্ৰমণ কৰিবলৈ খেদি গ'ল। কিন্তু ৰাম-লক্ষ্মণৰ আগতনো তেওঁলোক কিমান পানীৰ মাছ। অলপ সময় খকাখুন্দা লগোৱাৰ পিছতে আটাইজাক ফৰিং চিটিকা দিলে।

*বিবাহ ঃ*— ৰাম হেন গুণধৰ জোঁৱাই পাই জনক ৰজাৰ মহা আনন্দ। তেওঁ অযোধ্যালৈ তুৰন্তে ৰাজপুৰোহিত সতানন্দক কটকী পঠাই বিয়েয়েক দশৰথ ৰজাকো সপৰিয়ালে মতাই আনিলে। পুতেকৰ বিয়াৰ আৰু জানকী লাভ আদি শুভ সমাচাৰ পাই দশৰথ ৰজাই বৰ আনন্দ পালে।

কেৱল সিমানেই নহয়—জনক ৰজাৰ ঘৰতে তেওঁৰ বাকী তিনি জনা কোঁৱৰৰ বিয়াও স্থিৰ হ'ল। ৰাজৰ্ষিয়ে ঘুমলীয়া জীয়েক উৰ্ম্মিলাক লক্ষ্মণলৈ উলিয়াই দিব খুজিলে। জনকৰ ভায়েক কুশধ্বজেও তেওঁৰ সৰ্ব্বসুলক্ষণী জীয়াৰী মাণ্ডৱী আৰু শ্ৰুতকীৰ্ত্তিক ভৰত আৰু শত্ৰুঘ্নলৈ দিওঁ বুলিলে। দশৰথ ৰজাই একে ঘৰতে চাৰিও জন পুতেকলৈ বোৱাৰী পাই আনন্দতে উলাহৰ মাদলী হ'ল। একে লগে একে ৰভাৰ তলতে চাৰিওখন বিয়া অগাপিছা কৰি আৰম্ভ হ'ল।

ৰাম-সীতাৰ বিয়া দেখি ব্ৰহ্মা, ইন্দ্ৰ, ৰুদ্ৰ আদি দেৱতা-সকলো মহোল্লাসত মতলীয়া হ'ল।

"ৰঘুনাথে কৌতুকে কৰতু বিবাহ
সুৰপুৰ মিলন উৎসাহ।
শম্ভূ শয়ম্ভূ গুণ গাৱে
ইন্দ্ৰ মৃদঙ্গ ৰঙ্গে বাৱে।
বৰিষে কুসুম সুৰবামা
পূৰল সব মন কামা।"

মহাসমাৰোহেৰে বিবাহ পাতি জনক ৰজাই জীয়েক-জোঁৱায়েক-

সকলৰ লগত বহুত ৰত্ন-অলঙ্কাৰ দিলে। দশৰথ ৰজাক বহুত সন্মান কৰি অযোধ্যালৈ দৰা-কইনা পঠালে।

*বিধি-পথালি* :—মিথিলাৰ পৰা মহাসমাৰোহেৰে বিয়াৰ সমদল অযোধ্যামুৱা হৈছে। দশৰথ ৰজাই পুতেক বোৱা-ৰীয়েকক লৈ নিজৰ ৰাজ্যৰ ফালে গতি কৰিছে। কিন্তু মাজবাটতে বিধি-পথালি দিলে পৰশুৰামে। জমদগ্নি মুনিৰ পুতেক বুলি এওঁৰ আন এটা নাম জামদগ্ন্য ৰাম। এৱো হৰধনু ভাঙি জানকীক লাভ কৰিবলৈ আশা পালি আহিছিল কিন্তু শ্ৰীৰামচন্দ্ৰই মুখৰ টোপ কাঢ়ি লৈ যোৱা দেখি খঙত তেওঁৰ গাৰ গোঁসাই নোহোৱা হল। ৰামৰ ওপৰতে তাৰ পোটক তুলিবলৈ কুঠাৰখন দাঙি তেওঁ বিয়াঘৰীয়াক খাওঁ খাওঁ মূৰ্ত্তি ধৰি খেদি আহিল। একুৰি এবাৰ পৃথিবীৰ ক্ষত্ৰিয় কুল নিৰ্ম্মূল কৰোতা জামদগ্ন্য ঋষি জীয়াই থাকোতে ফুকলীয়া লৰা ৰামে মহেশৰ ধনু ভাঙিলে তেওঁৰ ফিতাহী থাকে কত? খঙাল ঋষিৰ তেনে ভয়ঙ্কৰ মূৰ্ত্তি দেখি দশৰথ ৰজাৰ চুৰ্ত্তি হেৰাল। পুতেক ৰামক ৰক্ষা কৰিবলৈ তেওঁ ভাৰ্গৱক বহু কাবৌ-কোকালি কৰিবলৈ ধৰিলে। নকইনা সীতাৰো গিৰিয়েকৰ বিপদ দেখি ভয়ত অণ্ঠকণ্ঠ শুকাল। শ্ৰীৰামচন্দ্ৰই মিচিকিয়া হাঁহি মাৰি তেওঁক ভয় কৰিবলৈ হাক দিলে। পৰশুৰামে খঙত দাঁত কৰচি হাতৰ কুঠাৰ-খনকে কলে—"হে পৰশু! তই ৰেণুকা আইৰো মূৰ কাটি

মাটিত পেলাইছিলি। আজি কিন্তু দশৰথ-কুমাৰক দেখা পাই শান্ত হলি। আঃ, আজি তোক ধিক্কাৰ! মোকো ধিক্কাৰ!” এই বুলি তেওঁ কুঠাৰ লৈ ৰামৰ ফালে চোচা ললে। তাকে দেখা পাই ইমানপৰে নিমাত হৈ চাই থকা বিশ্বামিত্ৰ মুনিয়ে খঙেৰে তেওঁৰ বাট আগছি ধৰিলে। পৰশুৰামে মহাক্ৰোধেৰে দণ্ড ধৰিলে। বিশ্বামিত্ৰয়ো দণ্ড ধৰিলে। দুইৰো দণ্ড চূড়মাৰ হ'ল। তাৰ পিছত দুয়ো ৰামটাঙোন লৈ কোবোৱাকুবি কৰিলে। ৰামটাঙোনো থেৰথেৰিয়া হৈ উফৰি পৰিল। এই বাৰ দুয়োৰো বাহুযুদ্ধ হ'ল। হতিয়াহতি কৰি দুয়ো মাটিত পৰি চুলিয়াচুলি, ভুকুৱাভুকি, বগৰাবগৰি যুদ্ধ লগালে। দুয়ো ঋষিৰ পিন্ধা বাকলি-বসনো খহি পৰিল। বিষ্ণুৰ অংশত জন্ম লোৱা অজয়বীৰ্য্য পৰশুৰাম। অৱশেষত তেওঁৰ পৰাক্ৰম সহিব নোৱাৰি বিশ্বামিত্ৰ ঋষিয়ে পৈত্ৰিক প্ৰাণটো লৈ তৰানৰা ছিঙি লৰ দিলে।

**ৰাম-বিজয়** ঃ—পুনৰ্ব্বাৰ কুঠাৰ দাঙি পৰশুৰামে শ্ৰীৰামৰ ফালে ধাও মাৰি আহি গৰ্জ্জিবলৈ ধৰিলে। লক্ষ্মণৰ অসহ্য হ'ল। তেওঁকলে—“হে ৰঘুনাথ! এই আততায়ী দুষ্ট দ্বিজক বধ কৰিলে একো দোষে নেপায়। মোক অনুমতি দিয়া। ময়েই চুণ্ডা চাই সোপা দিওঁ।” শ্ৰীৰামচন্দ্ৰই ভায়েক লক্ষ্মণক ৰবলৈ কৈ নিজেই পৰশুৰামৰ সমুখ হৈ শাৰঙ্গ ধনুত টঙ্কাৰ দি কলে—“হে দুষ্ট দ্বিজাধম! তই ক্ষত্ৰিয়বিলাকক মাৰি মোৰ

আগত ৰৰ দৰ্প কৰি দেখুৱাইছ। তই তোৰ মাতৃ ৰেণুকা-দেৱীক বধ কৰি মহাপাপ আচৰিছ সেইকথা জহাই মোক দেখুৱাবলৈ আহিছ নহয়নে? ৰ, ৰ। আজি তোক মই যমপুৰ দেখুৱাম। যিমান শক্তি আছে লৈ মোৰ আগত এক্ষন্তেক থিয় দি ৰচোন।" শ্ৰীৰামৰ ধনুৰ টঙ্কাৰতে পৰশু-ৰামৰ হৃদয় বিদৰি গ'ল। পৰম ত্ৰাসত তেওঁৰ সৰ্ব্বশৰীৰ কঁপি জ্বৰ–ঘামে ঘামিবলৈ ধৰিলে। হাতৰ কুঠাৰ সৰি মাটিত পৰিল। শ্ৰীৰামৰ আগত পৰি দাঁতত তৃণ লৈ তেওঁ কবলৈ ধৰিলে—"হে প্ৰভু শ্ৰীৰাম! তুমি পৰম ঈশ্বৰ। মই তোমাৰে অংশ। এই কথা নাজানিহে ইমান দৰ্প কৰিলো। হে গোঁসাই! মোৰ দোষ মৰিষণ কৰা।"

"পৰশু খসল দূৰ গেল ৰাগ,
পৰল দণ্ডৱতে ৰামক আগ।
ৰাখুহু তোহাৰি অংশ হামু ৰাম
দশন ধৰু খেৰ পৰি পৰণাম।"

পৰশুৰামৰ গেলা গপ নাশ হোৱা দেখি লক্ষ্মণে মিচিক মাচাককৈ হাঁহিবলৈ ধৰিলে। শ্ৰীৰামে কলে—"হে ভৃগুপতি ৰাম! তোমাক বধিবলৈ মই এই অমোঘ বাণ ধনুত জুৰিছিলো। এতিয়া আৰু সেই বাণ সামৰা নাযায়।"

পৰশুৰামে ভয়ত দহ নখ মুখত লৈ ধৰ্ম্মপুত্ৰ হৈ ৰামক প্ৰাণ দান খুজিলে। দয়ালু ৰামে তেওঁক অভয় দি কলে—"হে ভাৰ্গৱ! তুমি নিৰ্ভয়ে ৰোৱা। তোমাৰ জীউ মই ৰাখিলো।

কিন্তু মোৰ বাণ ব্যৰ্থ হব নোৱাৰে। এই বাণে তোমাৰ স্বৰ্গলৈ যোৱা বাটটোকে ধ্বংস কৰক।" এই বুলি তেওঁ আকাশৰ ফালে বাণ এৰিলে।

পৰশুৰামে শ্ৰীৰামক আলিঙ্গি কলে—"হে বাপ! তোমাৰ প্ৰসাদত আজি মোৰ প্ৰাণটো ৰল। মৰিও মই পুনৰজীৱন লাভ কৰিলো।" ইয়াকে কৈ তেওঁ নতুন স্বৰ্গলৈ যোৱা বাট উলিয়াবৰ কাৰণে নকৈ কঠোৰ তপস্যা কৰিবলৈ তপোবনৰ ফালে গুচি গ'ল।

ভাৰ্গৱ ৰামৰ দৰ্প চূৰ কৰি শ্ৰীৰামচন্দ্ৰই জানকীৰ সৈতে অযোধ্যাপুৰীত প্ৰৱেশ কৰিলে। কৌশল্যা মহাদেৱে সিংহ-দুৱাৰলৈকে আহি দৰা-কইনা আদৰি নিলে। এনেদৰে অযোধ্যা-বুঢ়ী নাচনী, তাতে হল নাতিনিয়েক ৰামৰ বিয়া। ৰাম-সীতাৰ বিয়াৰ উৰুলি এজোলোকা দি আমাৰো ইমানতে বিদায়।

—ঃ শেষ ঃ—